● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

শীত অবিহনে বসন্ত ইমান আনন্দময় নহ'লহেঁতেন; জীৱনৰ কঠিনতাইহে সমৃদ্ধিক উপভোগ্য কৰি তোলে।

এনী ব্ৰেডষ্ট্ৰীট
*কবি-লেখক*



www.dainikagradoot.in

৭ অনিচ্ছা সত্ত্বেও নেতাৰ কথা মানিব লাগে ঃ ঋষি
১৫ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত মাতৃ-কন্যাৰ পদক লাভ
৪ ব্ৰিটিছ মহাৰাণীৰ ভিতৰচ'ৰাত এভুমুকি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩১৫তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ৮ ভাদ ১৪২৯ ভাস্কৰাব্দ ২৫ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 25 August 2022 মূল্য ঃ ৯.০০ টকা

## ১২ ছেপ্টেম্বৰৰ পৰা অসম বিধানসভাৰ শৰৎকালীন অধিবেশন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** পঞ্চদশ অসম বিধানসভাৰ শৰৎকালীন অধিবেশন অহা ১২ ছেপ্টেম্বৰৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হ'ব। অসম বিধানসভা সচিবালয়ে নিৰ্ধাৰণ কৰা দিনপঞ্জী অনুসৰি, ১২ ছেপ্টেম্বৰৰ কাৰ্যসূচীত থাকিব মৃত্যু প্ৰসংগ, প্ৰশ্ন শিতান, অধ্যক্ষই অসম বিধানসভাৰ *১০ পৃষ্ঠাত চাওক*

## ছাত্ৰ-ছাত্ৰী নহ'লে বিদ্যালয় কেনেকৈ থাকিব? ■ প্ৰদৰ্শনৰ ওপৰত নিৰ্ভৰ কৰি বিদ্যালয় বন্ধ কৰাটো হ'ব এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া

# ২৫০০ পৰ্যন্ত বিদ্যালয় বন্ধ কৰাৰ প্ৰস্তাৱ আছে চৰকাৰৰ ঃ শিক্ষামন্ত্ৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী/ধেমাজি, ২৪ আগষ্ট ঃ** এশ-দুশ নহয়, অভিলেখসংখ্যক ২৫০০ পৰ্যন্ত চৰকাৰী বিদ্যালয় বন্ধ কৰাৰ প্ৰস্তাৱ আছে ৰাজ্য চৰকাৰৰ। যি সময়ত চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নকে ধৰি বিদ্যালয়সমূহ উজ্জীৱিতকৰণৰ দাবী উত্থাপিত হৈ আহিছে, সেই সময়তে ছাত্ৰ-ছাত্ৰী নথকা বা আনুষংগিক কাৰণত ২০০০ পৰা ২৫০০ খন পৰ্যন্ত বিদ্যালয় বন্ধ কৰি দিয়াৰ প্ৰস্তাৱ থকাৰ কথা সদৰী কৰিছে ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। *১০ পৃষ্ঠাত চাওক*

**বিদ্যালয় বন্ধ কৰাৰ পৰিৱৰ্তে সংস্কাৰ কৰি ভালদৰে পঢ়াওক ঃ অসম চৰকাৰক পৰামৰ্শ দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱালৰ**

## ■ ৩৩ৰ পৰা ৫৬ শতাংশ পৰ্যন্ত মাচুল বৃদ্ধিক লৈ উত্তপ্ত হৈ পৰিল ডিব্ৰুগড় বিশ্ববিদ্যালয় ■ প্ৰতিবাদ হ'লেও সিদ্ধান্ত সলনি কৰা নহয় ঃ ড° হাজৰিকা ■ একপ্ৰকাৰ অপদস্থ উপাচাৰ্য

# উপাচাৰ্যক ঘেৰাও কৰি প্ৰশ্নৰে থকা-সৰকা



**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৪ আগষ্ট ঃ** ছাত্ৰ-ছাত্ৰীৰ মাচুল বৃদ্ধিক লৈ উত্তপ্ত হৈ পৰিল ডিব্ৰুগড় বিশ্ববিদ্যালয়। বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ একতা সভা আৰু আছুৰ বিশ্ববিদ্যালয় গোটে উপাচাৰ্য কাৰ্যালয়ৰ সন্মুখত ওৰে নিশা অবিৰতভাৱে ১৫ ঘণ্টা আন্দোলন কৰি ঐতিহ্যমণ্ডিত বিশ্ববিদ্যালয়খন উত্তপ্ত কৰি তোলে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগ আৰু কেন্দ্ৰৰ ২০২২-২৩ বৰ্ষৰ নামভৰ্তিৰ প্ৰাক মুহূৰ্তত দুখীয়া ছাত্ৰ-ছাত্ৰীৰ মূৰত মাধমাৰ শোধাই ৩৩ৰ পৰা ৫৬ শতাংশ পৰ্যন্ত মাচুল বৃদ্ধিৰ বিৰুদ্ধে ওৰে নিশা প্ৰতিবাদৰ পাছত আজিও উত্তাল হৈ থাকে বিশ্ববিদ্যালয় চৌহদ। *১০ পৃষ্ঠাত চাওক*

## তামিলনাডুলৈ নিয়াৰ পথত গুৱাহাটী ৰেল ষ্টেছনত তিনিশ গ্ৰাম সোণ জব্দ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** গুৱাহাটীৰ পল্টনবজাৰস্থিত ৰেলৱে ষ্টেছনত আজি চৰকাৰী ৰেল আৰক্ষীয়ে দুখন সোণৰ বিস্কুটসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰীজন তামিলনাডুৰ মহম্মদ মহিউদ্দিন আৰু তেওঁৰ পৰা ৩৩২ গ্ৰাম ওজনৰ দুখন সোণৰ বিস্কুট *ছয় পৃষ্ঠাত চাওক*

## ■ কেন্দ্ৰীয় গৃহমন্ত্ৰীক সাক্ষাতত নিশ্চয়তা প্ৰদানৰ দাবী অনন্ত ৰায় মহাৰাজৰ ■ পশ্চিমবংগৰ কে'বাখনো জিলাৰ উপৰি অসমৰ অবিভক্ত গোৱালপাৰা অন্তৰ্ভুক্তৰ দাবী শ্বাহৰ ঘনিষ্ঠ নেতাৰ

# অসমৰ জিলা সামৰি কোচবিহাৰ ৰাজ্য?



কৃষ্ণচূড়াৰ ৰঙে সুশোভিত কৰি তুলিছে ঢকুৱাখনাৰ আকাশ, বুধবাৰে।

**নতুন কেন্দ্ৰীয় শাসিত ৰাজ্যত বিটিআৰৰো বৃহৎ অংশ অন্তৰ্ভুক্ত হ'ব পাৰে বুলি দৃঢ়তাৰে ক'লে**



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** পৃথক কমতাপুৰ ৰাজ্য গঠনৰ দাবীত কে'বাটাও সংগঠনৰ নেতৃত্বত কে'বাদশক ধৰি সশস্ত্ৰ আৰু গণতান্ত্ৰিক আন্দোলন সমান্তৰালভাৱে চলি আহিছে। তাৰ মাজতে আজি পশ্চিমবংগৰ বাসিন্দা কোচ ৰাজবংশী সম্প্ৰদায়ৰ প্ৰভাৱশালী নেতা অনন্ত ৰায় মহাৰাজে দাবী কৰে যে অতিশীঘ্ৰে কোচবিহাৰক লৈ দেশত গঠন হ'ব এখন নতুন কেন্দ্ৰীয় শাসিত ৰাজ্য। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তেওঁক এই নিশ্চয়তা দিয়া বুলি মহাৰাজে দাবী কৰে। উল্লেখ্য যে গৃহমন্ত্ৰী শ্বাহৰ ঘনিষ্ঠ বুলি অনন্ত ৰায় মহাৰাজৰ পৰিচয় আছে। শ্বাহ কে'বাবাৰো তেওঁৰ ঘৰত আলহীও হৈছে। সেয়েহে মহাৰাজৰ এই দাবীয়ে ব্যাপক চৰ্চা লাভ কৰিছে। অতিশীঘ্ৰে ৰাজ্যখন গঠন কৰা হ'ব বুলিও শ্বাহৰ পৰা নিশ্চয়তা লাভ কৰা বুলিও মহাৰাজে দাবী কৰে। তদুপৰি তেওঁ কয় যে ৰাজ্য গঠনৰ বিষয়টোক গৃহমন্ত্ৰণালয়ৰ হস্তক্ষেপত পশ্চিমবংগ চৰকাৰেও সেউজ সংকেত দিছে। অৱশ্যে অসম চৰকাৰে আলোচনা কৰি এই বিষয়ে মতামত দিব বুলি মহাৰাজে কয়। প্ৰস্তাৱিত ৰাজ্যখনৰ সীমাৰ বিষয়েও তেওঁ সদৰী কৰে। *১০ পৃষ্ঠাত চাওক*

## কাৰ্বি আংলঙত নৱগঠিত সংগঠনৰ স্বয়ম্ভূ অধ্যক্ষ গুলিবিদ্ধ, ধৃত তিনি



**অগ্ৰদূত বাৰ্তা**
**বোকাজান, ২৪ আগষ্ট ঃ** কাৰ্বি আংলঙত নিৰাপত্তা বাহিনীয়ে এটাৰ পাছত আনটো নৱগঠিত উগ্ৰপন্থী সংগঠনৰ *ছয় পৃষ্ঠাত চাওক*

## ■ পুঁজি ধাৰ্য কৰা নাই চৰকাৰে ■ সাতখন বিশ্ববিদ্যালয়-৩৭৭খন মহাবিদ্যালয় নিৰ্ধাৰিত সময়ত ব্যৱহাৰিক প্ৰমাণপত্ৰ দাখিলত ব্যৰ্থ

# বিনামূলীয়া নামভৰ্তিৰ বিনিময়ত প্ৰাপ্য সম্পূৰ্ণ পুঁজি লাভ কৰা নাই

**দ্বিতীয় কিস্তিৰ ৪১ শতাংশ ধন লাভত বাধা ঃ উচ্চ শিক্ষা সঞ্চালকৰ জৰুৰী পত্ৰ পঞ্জীয়ক-অধ্যক্ষক**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** বিনামূলীয়া নামভৰ্তিৰ বিনিময়ত বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বোৰক শিক্ষা বিভাগে আগবঢ়োৱা পুঁজিৰ সম্পূৰ্ণ ধন মোকলাই দিয়াৰ ক্ষেত্ৰত স্থবিৰতা বিৰাজ কৰিছে। ২০২১-২২ত সম্পন্ন হোৱা নামভৰ্তিৰ বাবে শিক্ষা বিভাগে প্ৰথম কিস্তিৰ ৮১.৭১ কোটি টকা সংশ্লিষ্ট শিক্ষানুষ্ঠানবোৰক আদায় দিছে; কিন্তু তাৰ বিনিময়ত অধিকাংশ শিক্ষানুষ্ঠানেই ধন ব্যয়ৰ প্ৰমাণপত্ৰ শিক্ষা বিভাগক দাখিল কৰা নাই। ফলস্বৰূপে দ্বিতীয় কিস্তিৰ ধন লাভ কৰাত বাধাৰ সৃষ্টি হৈছে। একে সময়তে চৰকাৰেও ইয়াৰ বাবে প্ৰয়োজনীয় পুঁজি ধাৰ্য কৰা নাই। ইয়াৰ ফলত ক্ষতিগ্ৰস্ত হৈছে শিক্ষানুষ্ঠানবোৰৰ কাম-কাজ। যোৱা ২২ আগষ্টত উচ্চ শিক্ষা বিভাগৰ সঞ্চালক ধৰ্মকান্ত মিলিয়ে *১০ পৃষ্ঠাত চাওক*

## ■ যুৱ-শিশু সাহিত্য শিতানত পুৰস্কাৰ ঘোষণা ■ অসমীয়াত প্ৰদ্যুম্ন কুমাৰ গগৈ-দিগন্ত ওজালৈ, বড়োত অলংবাৰ মুছাহাৰী-দেউবাৰ ৰামছিয়াৰীলৈ সন্মান ■ 'ভাল গ্ৰন্থৰ সমাদৰ সদায় আছে'

# চাৰি লেখকলৈ সাহিত্য একাডেমীৰ পুৰস্কাৰ





**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/জালাহ/বৰমা, ২৪ আগষ্ট ঃ** সাহিত্য একাডেমীয়ে আজি ঘোষণা কৰা চলিত বৰ্ষৰ যুৱ আৰু শিশু সাহিত্য পুৰস্কাৰ অসমৰ চাৰিজন যুৱ সাহিত্যিকেও লাভ কৰিবলৈ সক্ষম হৈছে। অসমীয়া আৰু বড়ো ভাষাত তেওঁলোকে এই বঁটা লাভ কৰে। অসমীয়া ভাষাত যুৱ পুৰস্কাৰ লাভ কৰে 'চকী আৰু অন্যান্য গল্প' শীৰ্ষক চুটি গল্প সংকলনৰ বাবে প্ৰদ্যুম্ন কুমাৰ গগৈয়ে। *১০ পৃষ্ঠাত চাওক*





## হিন্দী লবীক সন্তুষ্ট কৰিবলৈ বহিঃৰাজ্যৰ প্ৰাৰ্থীক নিযুক্তি দিয়াৰ আখৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্ষৰ পদত নিযুক্তিৰ বাবে অনুষ্ঠিত বাছনি পৰীক্ষাত বহিঃৰাজ্যৰ প্ৰাৰ্থীকো অৱতীৰ্ণ হোৱাৰ সুযোগ দিয়া কাৰ্যক হঠকাৰী সিদ্ধান্ত বুলি অভিহিত কৰিছে জাতীয় যুৱ বাহিনীয়ে। *১০ পৃষ্ঠাত চাওক*

## ই-ৰিক্সাৰ ওপৰত চকু শক্তি বিভাগৰ ঘৰুৱা যোগানৰ পৰা বেটাৰী চাৰ্জ নিষেধ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** ৰাইজক স্বাভাৱিক ৰূপত বিদ্যুৎ যোগান ধৰিবলৈ সক্ষম নহ'লেও ৰাজহ সংগ্ৰহত কোনো সুৰুঙা ৰাখিব বিচৰা নাই ৰাজ্যৰ শক্তি বিভাগে। সেইবাবে এইবাৰ বিভাগটোৰ চকু পৰিছে ই-ৰিক্সাৰ *১০ পৃষ্ঠাত চাওক*

## ২৯ আগষ্টত গুৱাহাটীত নড্ডাই মুকলি কৰিব ৰাজ্যিক বিজেপিৰ নৱনিৰ্মিত কাৰ্যালয়

# পদ্মভৱনত আৰএছএছৰ নেতৃত্বৰে মুখ্যমন্ত্ৰী-বি এল সন্তোষৰ গুৰুত্বপূৰ্ণ বৈঠক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** আধুনিক আন্তঃগাঁথনিৰ স্থায়ী ঠিকনালৈ যোৱাৰ শুভদিনৰ নিৰ্ঘণ্ট নিৰ্ণয় কৰিলে অসম প্ৰদেশ বিজেপিয়ে। অহা ২৯ আগষ্টত গুৱাহাটীৰ বশিষ্ঠ চাৰিআলিৰ সমীপত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে নতুনকৈ নিৰ্মিত ৰাজ্যিক বিজেপিৰ নৱনিৰ্মিত অত্যাধুনিক কাৰ্যালয়টো মুকলি কৰিব বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই। বিগত কে'বা বছৰ ধৰি হেঙেৰাবাৰীৰ কাৰ্যালয়ৰ পৰা চলাই থকা ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়টোৰ পৰিসৰ অতি ঠেক হোৱা বাবে ৰাজ্যত বিজেপি চৰকাৰ গঠনৰ পাছতে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ *১০ পৃষ্ঠাত চাওক*

## ইংৰাজীত পাঠদানৰ সিদ্ধান্ত পুনৰ বিবেচনাৰ দাবীত গণস্বাক্ষৰ অভিযান এবিভিপিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** ৰাজ্যৰ বিদ্যালয়সমূহত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় ইংৰাজীত পাঠদানৰ সিদ্ধান্ত ৰাজ্য চৰকাৰক পুনৰ বিবেচনা কৰিবলৈ দাবী জনাই অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে আজিৰে পৰা ৰাজ্যৰ বিদ্যালয়-মহাবিদ্যালয়সমূহত গণস্বাক্ষৰ অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে মাতৃভাষাই হৈছে শিক্ষা জগতৰ মূল শিপা বুলি বিদ্যাৰ্থী পৰিষদে অভিহিত কৰি *ছয় পৃষ্ঠাত চাওক*

## ■ দাৰোগাৰ আলগা চৰত মাদ্ৰাছা স্থাপন কৰি জালালউদ্দিন-আব্দুছ ছোবাহানে নিয়োগ কৰিছিল জেহাদী শিক্ষক ■ সক্ৰিয় স্থানীয় ৰাইজ

# পৰিচয়পত্ৰ বিচৰাত বহিঃৰাজ্যৰ দুই শিক্ষকৰূপী জেহাদীৰ পলায়ন


**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৪ আগষ্ট ঃ** ইমামৰূপী জেহাদী জালালুদ্দিন সেখ আৰু আব্দুছ ছোবাহানৰ কুকীৰ্তিৰ ন ন তথ্য পোহৰলৈ আহিছে। গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত তিনিকোণীয়াপাৰা শান্তিপুৰ মছজিদৰ ইমাম আব্দুছ ছোবাহান আৰু মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত গোপালপুৰ টিলাপাৰা নতুন মছজিদৰ ইমাম জালাল উদ্দিন সেখ আৰক্ষীৰ জালত পৰাৰ পাছতে জেহাদীৰ বিৰুদ্ধে গোৱালপাৰা আৰক্ষীৰ *১০ পৃষ্ঠাত চাওক*



## নিলম্বিত গৃহৰক্ষীৰ গৃহত চাৰিটাকৈ পিষ্টল জব্দ

**ডুমডুমাত ড্ৰাগছৰ ঘাটি**

**অগ্ৰদূত বাৰ্তা**
**ডুমডুমা, ২৪ আগষ্ট ঃ** মাৰণাস্ত্ৰ লৈ ড্ৰাগছৰ বেহা আৰু অনৈতিক কাৰ্যকলাপ সংঘটিত কৰি অহা এটা চক্ৰ ডুমডুমা আৰক্ষীয়ে উৎখাত কৰিলে। ডুমডুমাত আজি সেনা-আৰক্ষীয়ে এক অভিযান চলাই ড্ৰাগছসহ চাৰিটাকৈ পিষ্টল আৰু এজন *ছয় পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৬° |
| ডিব্ৰুগড় | ৩৬° | ২৭° |
| দিল্লী | ৩৩° | ২৭° |
| কলকাতা | ২৮° | ২৬° |
| মুম্বাই | ৩০° | ২৬° |
| চেন্নাই | ৩৫° | ২৭° |
| বাংগালুৰু | ২৮° | ২০° |
| শ্বিলং | ২৬° | ১৮° |

*২৪ আগষ্ট, ২০২২*

## চেঙা তেল



*কোন কাৰ দখলত থাকিব তাকে লৈ যুঁজ-বাগৰ চলি আছে! গতিকে আপোনাৰ-মোৰ কাম হ'ব বুলি আশা বাদ দিয়ক!*

## দিল্লীৰ চৰকাৰ ভাঙিবলৈ সৰ্বশক্তি প্ৰয়োগ কৰিছে কেন্দ্ৰৰ শাসক দলে

### কেজৰিৱালে জৰুৰীভাৱে আহ্বান কৰিলে বিধানসভাৰ বিশেষ অধিবেশন

# আম আদমী পাৰ্টিৰ বিধায়কক ২০ৰ পৰা ২৫ কোটি টকাৰ টোপ বিজেপিৰ

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ আগষ্ট ঃ** বিজেপিৰ বিৰুদ্ধে দিল্লীৰ আম আদমী পাৰ্টিৰ চৰকাৰ ভাঙিবলৈ বিজেপিয়ে সৰ্বশক্তি প্ৰয়োগ কৰাৰ অভিযোগ তীব্ৰতৰ হৈছে। দিল্লীৰ উপ-মুখ্যমন্ত্ৰী মনীষ ছিছ'দিয়াৰ বাসগৃহত চিবিআইৰ তালাচী অভিযানৰ পাছৰে পৰা আপ আদমী পাৰ্টি (আপ)য়ে অভিযোগ কৰে যে মহাৰাষ্ট্ৰত উদ্ধৱ থাকৰেৰ চৰকাৰ ভঙাৰ দৰে দিল্লীৰ চৰকাৰ ওফৰাবলৈ অভিযান আৰম্ভ কৰিছে বিজেপিয়ে। ইয়াকে লৈ তুমুল ৰাজনৈতিক হুলস্থূলৰ সৃষ্টি হৈছে। দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে দলৰ বিধায়কসকলক কাইলৈ এক বৈঠকত উপস্থিত থাকিবলৈ আজি নিৰ্দেশ দিয়ে। আজি সন্ধিয়া আপৰ ৰাজনৈতিক পৰিক্ৰমা কমিটীৰ বৈঠকৰ পাছত এই চমন *১০ পৃষ্ঠাত চাওক*



## বিধায়কক চিনি নাপাই শ্লীপত নাম লিখি দিবলৈ কোৱাটোৱে অপৰাধ হ'ল কনিষ্ঠ সহায়কৰ

# জনতা ভৱনতে কৰ্মচাৰীক চৰ শাসক বিধায়কৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ আগষ্ট ঃ** এজন বিধায়কৰ উদণ্ড আচৰণক লৈ আজি নিশা পৰ্যন্ত কৰ্মচাৰীৰ প্ৰতিবাদে কঁপাই তুলিলে ৰাজ্য প্ৰশাসনৰ হৃদপিণ্ডস্বৰূপ জনতা ভৱন। কৰ্মৰত অৱস্থাত এজন কনিষ্ঠ সহায়কক চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে প্ৰচণ্ড চৰ শোধোৱাক কেন্দ্ৰ কৰি সৃষ্টি হয় এই উত্তেজনাময় পৰিৱেশৰ। শাসকীয় বিজেপিৰ মিত্ৰদল ইউপিপিএলৰ বিধায়ক বসুমতাৰীয়ে আজি বিয়লি ৩-৩০ বজাত জনতা ভৱনত থকা পৰিবহণ বিভাগৰ আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈছিল। আয়ুক্তক সাক্ষাৎ কৰিবলৈ অহা বিধায়কজনে পোনপটীয়াকৈ পৰিবহণ আয়ুক্তৰ কক্ষত প্ৰৱেশ কৰিব বিচৰাত সেই সময়ত পৰিবহণ আয়ুক্তৰ ব্যক্তিগত সচিবৰ দায়িত্ব *১০ পৃষ্ঠাত চাওক*

**উদণ্ড জয়ন্ত বসুমতাৰীৰ বিৰুদ্ধে নিশা পৰ্যন্ত উত্তাল প্ৰতিবাদ সচিবালয় সেৱা সন্থাৰ**

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৫ আগষ্ট, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## বিটিচিত শীঘ্ৰে তিনি হেজাৰ নিবনুৱাক তৃতীয়-চতুৰ্থবৰ্গৰ চাকৰিত নিযুক্তি দিয়া হ'ব

### চিআৰবিৰ দ্বাৰা নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৪ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ লেখীয়াকৈ বিটিচিতো খালী হৈ থকা তৃতীয়-চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে শীঘ্ৰে সাক্ষাৎকাৰ অনুষ্ঠিত হ'ব। আজি বিটিচি সচিবালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এক সংবাদমেলত পৰিষদৰ ছয় পৃষ্ঠাত চাওক

## শ্ৰীকোনা-মোহনপুৰৰ ১১ কিলোমিটাৰ পথ নিৰ্মাণত বৃহৎ ধনৰ কেলেংকাৰিৰ অভিযোগ

**শিলচৰ, ২৪ আগষ্ট ঃ** চাৰি বছৰৰ পাছত কাছাৰ জিলাৰ ১১ কিলোমিটাৰ দৈৰ্ঘ্যৰ গ্ৰাম্য পথ শ্ৰীকোনা-মোহনপুৰে চি চি ব্লক ৰোড নিৰ্মাণৰ বাবে অনুমোদন লাভ কৰে। কিন্তু এবছৰতকৈ অধিক ছয় পৃষ্ঠাত চাওক

## ধেমাজিত কৃষিমন্ত্ৰী অতুল বৰাৰ পৰ্যালোচনা বৈঠক

### পি এম কিষাণৰ হিতাধিকাৰী বৃদ্ধিৰ নিৰ্দেশ

**ধেমাজি, ২৪ আগষ্ট ঃ** কৃষিমন্ত্ৰী অতুল বৰাই প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ অধীনত সাহায্যপ্ৰাপ্ত হিতাধিকাৰীৰ তালিকা পুনৰীক্ষণৰ কাম অধিক দ্ৰুত কৰি তোলাৰ সমান্তৰালভাৱে নতুন হিতাধিকাৰী নিৰ্বাচনৰ কামো খৰতকীয়া কৰিবলৈ ধেমাজি জিলাৰ কৃষি বিষয়াসকলক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে এক দলীয় সভাত অংশ লোৱাৰ পাছত বিয়লি জিলাখনৰ কৃষি আৰু পশুপালন বিভাগৰ বিষয়াসকলৰ স'তে এখন পৰ্যালোচনা বৈঠকত অংশ লয়। তেওঁ ধেমাজি জিলাত পি এম কিষাণ সন্মান নিধিৰ অধীনত হিতাধিকাৰীৰ সংখ্যা পৰীক্ষণৰ পাছত ৮৪ হেজাৰৰ পৰা ৪৯ হেজাৰলৈ হ্ৰাস পালে। কিন্তু নতুন কৃষক হিতাধিকাৰীৰ অন্তৰ্ভুক্তি অতি লেহেম হৈ আছে বুলি তেওঁ আক্ষেপ কৰে। জৰীপৰ তথ্য অনুসৰি জিলাখনত ১.১৯ লাখ খেতিয়ক আছে। সেয়ে তেওঁ এই ক্ষেত্ৰত কৃষকৰ মাজত সজাগতা সৃষ্টিৰ বাবে ব্যাপক প্ৰচাৰ অভিযান চলাবলৈও নিৰ্দেশ দিয়ে। মন্ত্ৰীজনে কৃষি বিষয়াসকলক নতুন শস্যৰ কৃষি কাৰ্যৰ প্ৰতি কৃষকক আগ্ৰহী কৰি তোলাৰ বাবে অনুপ্ৰাণিত কৰিবলৈও আহ্বান জনায়, যাতে উৎপাদন আৰু উপাৰ্জন বৃদ্ধি হ'ব পাৰে। মন্ত্ৰীজনে ছয় পৃষ্ঠাত চাওক

### এশ শতাংশ কামতে অনিয়মৰ অভিযোগ ঃ ৰূপায়িত আঁচনিৰ বৃহৎ সংখ্যক বিকল

# শোণিতপুৰত জলজীৱন আঁচনি ৰূপায়ণত দুৰ্নীতি

ষ্টাফ ৰিপৰ্টাৰ

**তেজপুৰ, ২৪ আগষ্ট ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এক সপোনৰ আঁচনি জলজীৱন মিছন। কিন্তু এই আঁচনি ৰূপায়ণৰ নামত শোণিতপুৰত সংঘটিত হৈছে ব্যাপক অনিয়ম। ঠিকাদাৰ আৰু বিভাগীয় বুজাবুজিৰ মাজত সংঘটিত এনে অনিয়মৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰোতা কোনো নোহোৱাৰ দৰেই হৈছে। উল্লেখ্য যে ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে ৰূপায়িত এই আঁচনিয়ে প্ৰতিখন গাঁৱৰ প্ৰতিটো পৰিয়ালক যেনেদৰে বিশুদ্ধ খোৱাপানী যোগানৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছিল একেদৰেই বিদ্যালয়তো ছাত্ৰ-ছাত্ৰীসকলক বিশুদ্ধ খোৱাপানীৰ যোগানৰ লক্ষ্য লোৱা হৈছিল। ৰাজ্যৰ লগতে শোণিতপুৰৰ প্ৰায় ছয় শতাধিক বিদ্যালয়ত এই আঁচনিৰ জৰিয়তে পানী যোগানৰ ব্যৱস্থা কৰাৰ বিপৰীতে জিলাখনত প্ৰকৃততে নামতহে এই আঁচনি ৰূপায়ণ কৰা হ'ল। উল্লেখ্য যে এক চৰজমিন অনুসন্ধানত দেখা গৈছে যে শোণিতপুৰৰ ঢেকিয়াজুলি, বৰছলা, তেজপুৰ, ৰঙাপৰা আদিত ২০২০-২১ত ৰূপায়িত এই আঁচনিখনৰ ভিতৰত ৯০শতাংশই বৰ্তমান বিকল অৱস্থাত থকাৰ বিপৰীতে প্ৰাককলন অনুসৰি আঁচনিখন ৰূপায়ণ কৰা নহ'ল। উল্লেখ্য যে বিদ্যালয়ত বিশুদ্ধ পানী যোগানৰ এই আঁচনিৰ অধীনত শোণিতপুৰৰ প্ৰায়বোৰ কাম সম্পূৰ্ণ হোৱাৰ বিপৰীতে নতুনকৈ ছয় পৃষ্ঠাত চাওক



মহাবাহু ব্ৰহ্মপুত্ৰৰ ওপৰত আকাশত ডাঁৱৰ খেল, বুধবাৰ।

## লেটেকুজান চাহ বাগিচাত উত্তপ্ত পৰিস্থিতি

### এ ই জি চি এল-ৰ ২৭০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া প্ৰকল্প সম্পৰ্কে অন্ধকাৰত জনসাধাৰণ



অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ২৪ আগষ্ট ঃ** ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ কোম্পানী অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (এইজিচিএল)-এ লেটেকুজান চাহ বাগিচাৰ ৫১ বিঘা ভূমি ক্ৰয় কৰি ২৭০ কোটি টকাৰ ব্যয় সাপেক্ষে এটা বিদ্যুৎ প্ৰবাহ উপ-কেন্দ্ৰ স্থাপনৰ যোজা চলাইছে। কিন্তু এই ক্ষেত্ৰত লেটেকুজান চাহ বাগিচাৰ একাংশ শ্ৰমিক ৰাইজে বিষয়টো মানি ল'ব পৰা নাই। বাগিচাখনকেই জীৱন-জীৱিকা হিচাপে গ্ৰহণ কৰা শ্ৰমিকসকলে বাগিচাৰ ভূমি এপদ এপদকৈ বিক্ৰী কৰি তেওঁলোকৰ জীৱনলৈ বাগিচা কৰ্তৃপক্ষই অশনি সংকেত ছয় পৃষ্ঠাত চাওক

## পত্নী হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ড

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৪ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত খোৰাগাঁৱত পত্নীক কৰা হত্যাৰ গোচৰত দোষী সাব্যস্ত কৰি এজনক যাৱজ্জীৱন কাৰাদণ্ডৰ নিৰ্দেশ দিয়ে অভয়াপুৰীস্থিত জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতে। উল্লেখ্য যে ২০১২ৰ ৩১ মে'ৰ নিশা যৌতুকজনিত বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত খোৰাগাঁৱৰ নজমূল হকে তেওঁৰ পত্নী নুৰ ফাতেমাক নিজ সন্তানৰ স'তে শুই থকা অৱস্থাত ঘৰৰ পৰা বাহিৰলৈ চোঁচৰাই লৈ গৈ ফাতেমাৰ শৰীৰত কেৰাচিন তেল ঢালি জুই লগাই দিয়ে। ফাতেমাৰ শৰীৰৰ অধিকাংশই অগ্নিদগ্ধ হোৱাত চিকিৎসাধীন অৱস্থাত তেওঁ কৰুণ মৃত্যুক আঁকোৱালি লয়। সমগ্ৰ ঘটনা ছয় পৃষ্ঠাত চাওক

## সাহিত্য সভাই কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষাক বংগীয়মূলৰ ভাষা কৰিব বিচাৰিছে

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৪ আগষ্ট ঃ** কোচ ৰাজবংশী সাহিত্য সভাৰ নেতৃত্বই সৰ্বসাধাৰণ কোচ ৰাজবংশীসকলৰ বিভিন্ন অঞ্চলত প্ৰচলিত কোচ ৰাজবংশী দোৱানসমূহক উপেক্ষা কৰি কোনো এটা অঞ্চলৰ দোৱানকে কোচ ৰাজবংশী মান্য ভাষাৰ স্বীকৃতি প্ৰদানেৰে কোচ ৰাজবংশী অধ্যুষিত অঞ্চলত অৱস্থিত প্ৰাথমিক বিদ্যালয়ত মাতৃভাষাৰ পাঠ্যক্ৰম চলোৱাৰ একপক্ষীয় পদক্ষেপ কোনোপধ্যেই মানি লোৱা নহ'ব বুলি কোচ ৰাজবংশী জাতীয় পৰিষদে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মন আৰু সাধাৰণ ছয় পৃষ্ঠাত চাওক

## তেজপুৰত চাউলৰ ক'লা বজাৰ

### যোগান বিভাগৰ অভিযানত জব্দ ৬৫ কুইন্টল চাউল

ষ্টাফ ৰিপৰ্টাৰ

**তেজপুৰ, ২৪ আগষ্ট ঃ** দৰিদ্ৰ জনসাধাৰণৰ বাবে আৱন্টিত চৰকাৰী চাউলৰ ক'লা ব্যৱসায় তেজপুৰৰ বিভিন্ন স্থানত চলি থকাৰ অভিযোগ উত্থাপিত হৈ থকাৰ সময়তে কালি তেজপুৰৰ বেছেৰীয়া কটকী চুবুৰিত খাদ্য আৰু অসামৰিক যোগান বিভাগে চলোৱা এক অভিযানত ১৬৭ বস্তা চাউল জব্দ কৰে। বিভাগীয় তথ্য অনুসৰি, কালি দিনৰ প্ৰায় তিনি বজাত বেছেকৰীয়া কটকী চুবুৰিত বিভাগীয় পৰিদৰ্শক নেকিবুৰ খানৰ নেতৃত্বত তোলেন্দ্ৰ বৰা নামৰ লোকজনৰ ঘৰত এই অভিযান চলে। অভিযানৰ কালত লোকজনৰ ঘৰৰ পৰা ২৫ কিলোগ্ৰামৰ ১১টা, ১০ কিলোগ্ৰামৰ ৪২টা চাউল ভৰ্তি বস্তাসহ মুঠ ৬৫ কুইন্টল চাউল জব্দ কৰা হয়। ছয় পৃষ্ঠাত চাওক

## বিদ্যালয় বন্ধৰ জাননী পাই ৰাজ্যজুৰি শিক্ষাগুৰু-শিক্ষাৰ্থীৰ ক্ষোভ-হতাশা

ষ্টাফ ৰিপৰ্টাৰ

**গুৱাহাটী, ২৪ আগষ্ট ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত উত্তীৰ্ণৰ হাৰ শূন্য হোৱাৰ হেতু ৰাজ্যৰ শিক্ষা বিভাগে প্ৰথম পৰ্যায়ত ৩৪ খনকৈ বিদ্যালয় বন্ধ কৰি দিবলৈ জাননী জাৰি কৰাৰ পাছতে ৰাজ্যজুৰি আৰম্ভ হৈছে ব্যাপক ক্ষোভ-প্ৰতিবাদৰ। ছাত্ৰ-ছাত্ৰী, শিক্ষকৰ পৰা আৰম্ভ কৰি অভিভাৱক, স্থানীয় ৰাইজ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী তথা অন্যান্য শুভ চিন্তকসকলেও বিদ্যালয় এখন বন্ধ কৰি দিয়াৰ পৰিৱৰ্তে সংস্কাৰ সাধনৰে বিদ্যালয়খনক পুনৰুজ্জীৱিতকৰণৰ দাবী উত্থাপন কৰিছে। ভিন্ন স্থানত ছাত্ৰ-ছাত্ৰীসকলে চৰকাৰী সিদ্ধান্তৰ প্ৰতিবাদত ৰাজপথত সমদল উলিয়াই প্ৰতিবাদ সাব্যস্ত কৰাও পৰিলক্ষিত হৈছে।

### বিজনীৰ বৰপথাৰ হাইস্কুল বন্ধৰ নিৰ্দেশনাক লৈ ব্যাপক প্ৰতিবাদ

**বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ'/কাজলগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** চিৰাং জিলাৰ বিজনী মহকুমাৰ অন্তৰ্গত বৰপথাৰ হাইস্কুলৰ মেট্ৰিকৰ ফলাফল শূন্য হোৱা হেতুকে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে বিদ্যালয়খন বন্ধ কৰি দিয়াৰ জাননী জাৰি কৰাৰ লগে লগে আজি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে বিজনী অঞ্চলত। ১৯৯৭ত স্থানীয় ৰাইজৰ দান-বৰঙণিৰে স্থাপন কৰা এই হাইস্কুলখন প্ৰাদেশিকীকৰণৰ সলনি বন্ধ কৰি দিয়াত স্থানীয় ৰাইজে দুখ প্ৰকাশ কৰিছে। সুদীৰ্ঘ দিন ধৰি বিনাবেতনে শিক্ষকতা কৰি অৱশেষত বিদ্যালয়খন বন্ধ কৰি দিয়াত মৰ্মাহত হৈ পৰিছে শিক্ষকসকল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক এই বিদ্যালয়খন বন্ধ কৰি দিয়াৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাইছে প্ৰধান শিক্ষক জিতেন দাসে। এই বিদ্যালয়খন বন্ধ হৈ গ'লে স্থানীয় ছাত্ৰ-ছাত্ৰীসকলে ছয় কিলোমিটাৰ নিলগৰ পাণবাৰী হাইস্কুল বা আঠ কিলোমিটাৰ নিলগৰ উলুবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ গৈ পাঠগ্ৰহণ কৰাটো ছাত্ৰ-ছাত্ৰীৰ বাবে অসুবিধা হ'ব বুলি ৰাইজে মন্তব্য কৰিছে। ৰাজ্য চৰকাৰে আগতীয়াকৈ কোনো জাননী নিদিয়াকৈ হঠাতে বিদ্যালয়খন বন্ধৰ নিৰ্দেশ দিয়াত ক্ষোভিত শিক্ষক-ছাত্ৰ-ছাত্ৰীসকলে আজি আমাৰ স্কুল বন্ধ নকৰিব, আমাৰ জীৱন ধ্বংস নকৰিব, অসম চৰকাৰ হায় হায় আদি শ্ল'গান দি এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। অপ্ৰাদেশিকীকৃত হাইস্কুলখনত ছজন শিক্ষক, দুজন কৰ্মচাৰীৰ লগতে ছয় পৃষ্ঠাত চাওক




দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ৮ ভাদ ১৪২৯ ভাস্কৰাব্দ ২৫ আগষ্ট ২০২২


## জনসংখ্যা

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ঘোষণা কৰিছে যে যিসকল মহিলাই ১০টা সন্তান জন্ম দিব, সেইসকলক ১০ লাখ (এক নিযুত) ৰাছিয়ান ৰুবল (ভাৰতীয় টকাত প্ৰায় ১৩ লাখ ৩৪ হেজাৰ টকা) দিয়া হ'ব। ইমান টকা দিলে আমাৰ দেশৰ বহু লোকে সন্তানৰ সংখ্যা বঢ়াবলৈ নিশ্চয় উৎসাহিত হ'লহেঁতেন। ভাৰতৰ বহু মহিলা পাঁচ-ছটালৈকে সন্তানৰ মাতৃ হোৱা দেখা যায়। একাংশ ধৰ্মান্ধ লোকে এতিয়াও ১০-১২টা সন্তান জন্ম দিবলৈ আহ্বান জনোৱা দেখা যায়। ধৰ্মৰ নামত আৰু ধৰ্মীয় সংখ্যাগৰিষ্ঠতা ৰক্ষা কৰাৰ নামত এনে ধৰণৰ অবৈজ্ঞানিক আহ্বান জনাই আহিছে কিছুসংখ্যক ধৰ্মীয় নেতাই। ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিন অৱশ্যে ধৰ্মান্ধও নহয়, বিজ্ঞান বিৰোধীও নহয়। তেওঁৰ প্ৰতিশ্ৰুতিত প্ৰলুব্ধ হৈ ৰুছ মহিলাসকলে সন্তানৰ সংখ্যা বৃদ্ধিৰ পৰিকল্পনা কৰিব বুলিও আশা কৰিব নোৱাৰি; কিন্তু পুটিনৰ আহ্বানে ৰাছিয়াত যে জনসংখ্যা হ্ৰাসৰ সংকটে দেখা দিছে, সেই কথাৰেই স্পষ্ট ইংগিত দিছে। বৰ্তমান বিভিন্ন কাৰণত ৰুছসকলে অধিক সন্তান জন্ম দিয়াৰ কথা বাদেই, সন্তান জন্ম দিয়াৰ বাবেও আগ্ৰহী নহয়; কিন্তু ৰাছিয়া ভাৰততকৈ বৃহৎ দেশ। ৰাছিয়াৰ আকাৰ বা মাটিকালি হ'ল এক কোটি ৭০ লাখ বৰ্গকিলোমিটাৰ; কিন্তু ভাৰতৰ মাটিকালি ৩২ লাখ ৮৭ হেজাৰ বৰ্গকিলোমিটাৰ। ৰাছিয়াতকৈ ভাৰতৰ আকাৰ পাঁচগুণ সৰু। ভাৰতৰ মাটিকালি ৰাছিয়াৰ মাটিকালিৰ মাত্ৰ ১৯.২৩ শতাংশহে; কিন্তু ৰাছিয়াতকৈ আকাৰত পাঁচগুণ ক্ষুদ্ৰ হ'লেও ভাৰতৰ জনসংখ্যা ১৪০ কোটি; কিন্তু ৰাছিয়াৰ জনসংখ্যা মাত্ৰ ১৪ কোটি ১৭ লাখ। এখন সুবিশাল দেশৰ জনসংখ্যা মাত্ৰ ১৪ কোটি হোৱাত দেশখন সুৰক্ষাৰ ক্ষেত্ৰত ইয়াৰ শাসক তথা নেতাসকল শংকিত হৈ পৰাৰ সম্ভাৱনা নথকা নহয়। বৃহৎ দেশখনৰ চাৰিসীমা সুৰক্ষিত কৰি ৰাখিবলৈ লাগে এক সুবৃহৎ সেনাবাহিনী তথা সীমা সুৰক্ষা বাহিনী; কিন্তু জনসংখ্যা যথেষ্ট কম হোৱাত সমস্যাই দেখা দিয়া স্বাভাৱিক। উল্লেখ্য যে ভাৰতৰ এখন অংগৰাজ্য উত্তৰ প্ৰদেশৰ জনসংখ্যাই বৰ্তমান ২২ কোটি ৮৯ লাখ। ভাৰতৰ বাবে জনসংখ্যাৰ অত্যধিক বৃদ্ধি যিদৰে সমস্যা হৈ দেখা দিছে, ইয়াৰ বিপৰীতে ৰাছিয়াৰ জনসংখ্যা হ্ৰাস বা কম হোৱাত সমস্যাই দেখা দিছে। ইতিমধ্যে আমেৰিকা তথা নাটো সামৰিক গোষ্ঠীৰ সমৰ্থনপুষ্ট ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধ অব্যাহত আছে। এই যুদ্ধ আৰু কিমান বছৰলৈ চলে নাইবা এই যুদ্ধৰ সম্প্ৰসাৰণ ঘটি আৰু কিমান শত্ৰুৰ বিৰুদ্ধে যুদ্ধত ৰাছিয়া লিপ্ত হ'বলগীয়া হয় তাৰ কোনো নিশ্চয়তা নাই। তেনে ক্ষেত্ৰত ৰাছিয়াৰ জনসংখ্যা সুস্থিৰ কৰি ৰখা অত্যন্ত জৰুৰী বিবেচিত হৈছে। বৃহৎ দেশখনৰ আৰ্থিক উন্নতি তথা সামৰিক শক্তি সবল আৰু শ্ৰেষ্ঠ কৰি ৰখাৰ প্ৰয়োজন; কিন্তু যুৱ শক্তিৰ অভাৱ হ'লে আৰ্থিক উন্নতি আৰু সামৰিক শক্তি বৃদ্ধি উভয় ক্ষেত্ৰতে সমস্যাই দেখা দিব; কিন্তু ৰাছিয়াৰ সমস্যা হৈছে পুটিনে ধনৰ প্ৰলোভন দিলেও ৰাছিয়ান মহিলাসকলে সন্তানৰ সংখ্যা বৃদ্ধি কৰাৰ আশা নাই।

একেই পৰিস্থিতিয়ে দেখা দিছে চীনতো। চীনৰ ৰাষ্ট্ৰপতি তথা তেওঁৰ চৰকাৰে অৱশ্যে পুটিনৰ দৰে ১০ সন্তানৰ জন্ম দিলে ১০ লাখ ৰুবল দিয়াৰ দৰে প্ৰতিশ্ৰুতি দিয়া নাই; কিন্তু তিনিটা নাইবা অধিক সন্তান জন্ম দিলে বেংকৰ ঋণ দিয়া নাইবা অন্যান্য চৰকাৰী সাহায্য আগবঢ়োৱাৰ আঁচনি চীনাসকলৰ বাবে দাঙি ধৰা হৈছে। কিছু বছৰৰ আগলৈকে যিখন চীনৰ চৰকাৰে এটাতকৈ অধিক সন্তান জন্ম দিয়াসকলৰ চৰকাৰী সা-সুবিধা কৰ্তন কৰিছিল আৰু এটাতকৈ অধিক সন্তান জন্ম নিষিদ্ধ কৰিছিল, সেই চীনৰ চৰকাৰে এতিয়া তিনিটা নাইবা অধিক সন্তান জন্ম দিবলৈ আহ্বান জনাইছে আৰু তাৰ বাবে বিভিন্ন চৰকাৰী সা-সুবিধা আগবঢ়াইছে। চীনৰ জনসংখ্যা বৰ্তমান ১৪০ কোটি বুলি প্ৰকাশ পাইছে। তৎসত্ত্বেও চৰকাৰে অধিক সংখ্যক সন্তান জন্ম দিয়াৰ বাবে উঠি-পৰি লাগিছে কিয়? চীনৰো সমস্যা তথা শংকা ৰাছিয়াতকৈ বেছি বেলেগ নহয়। চীনৰ প্ৰধান সমস্যা জনসংখ্যা হ্ৰাস নহয় সন্তান জন্ম হ্ৰাস পোৱাটোহে। চীনা মহিলাসকল সন্তান জন্ম দিয়াত মুঠেই আগ্ৰহী নহয়। ইয়াৰ ফলত বৰ্তমান প্ৰতিগৰাকী মহিলাই সন্তান জন্ম দিছে ১.৩ টাকৈ। অৰ্থাৎ বৰ্তমান চীন দেশৰ সন্তান জন্ম দিব পৰা বয়সৰ প্ৰতিগৰাকী চীনা মহিলাই দুটাতকৈ কম সন্তান জন্ম দিয়ে। ইয়াৰ ফলত চীনত কৰ্মক্ষম, যুৱক-যুৱতীৰ সংখ্যা হ্ৰাস পোৱাটো নিশ্চিত হৈ পৰিছে। বৰ্তমানৰ ধাৰা অব্যাহত থাকিলে, অৰ্থাৎ মহিলাৰ উৰ্বৰতা অথবা সন্তান জন্ম দিয়াৰ হাৰ ১.৩ নাইবা এটাতকৈ কম হৈ থাকিলে অহা ২০৩৫ৰ ভিতৰত চীনৰ ৬০ শতাংশ লোক ৩০ বছৰৰ অধিক হ'বগৈ। জনসংখ্যাৰ হিচাপত ভাৰতৰ পাছতে দ্বিতীয় সৰ্বাধিক হৈ থাকিব যদিও যুৱ চামৰ সংখ্যা হ্ৰাস পাব। দেশত বয়সস্থ অথবা বয়োজ্যেষ্ঠ নাগৰিকৰ সংখ্যা সৰ্বাধিক হ'ব। যিসকল নতুন নতুন প্ৰযুক্তিৰ কৰ্মক্ষেত্ৰত অলাগতিয়াল হৈ পৰিব আৰু তেওঁলোকে দেশ নিৰ্মাণত ভূমিকা ল'ব নোৱাৰিব। সামৰিক বাহিনীৰ বাবে প্ৰয়োজনীয় কম বয়সীয়া যুৱকৰ সংখ্যাও হ্ৰাস পাব। নতুন প্ৰযুক্তিৰ উদ্যোগসমূহত কামৰ বাবে যোগ্য, যুৱ প্ৰজন্মৰ জনসংখ্যা হ্ৰাস বা সংকোচন ঘটাৰ ফলত দেশত কৰ্মক্ষম যোগ্যতাসম্পন্ন মানৱ সম্পদৰ অভাৱ হ'ব। দেশখনৰ ঔদ্যোগিক, আৰ্থিক ক্ষেত্ৰত ইয়াৰ ফলত অভূতপূৰ্ব সংকটে দেখা দিব। চীন দেশে সদায় সকলো ক্ষেত্ৰতে আত্মনিৰ্ভৰশীল হৈ থাকিব বিচাৰে; কিন্তু যদিহে কৰ্মবাহিনী নাইবা নতুন যুগৰ বাবে যোগ্য ডেকা শক্তি হ্ৰাস পায়, তেন্তে দেশখন আত্মনিৰ্ভৰশীল হৈ থকাটো কঠিন হৈ পৰিব। তেনে ক্ষেত্ৰত আন দেশৰ যোগ্যতাসম্পন্ন লোকক আদৰি লোৱাৰ প্ৰয়োজন হ'ব। আমেৰিকা, ব্ৰিটেইন আদি পশ্চিমীয়া দেশবোৰে এই ক্ষেত্ৰত আদৰি লৈছে; কিন্তু চীনাসকলে আদৰি ল'ব পৰা নাই। চীন দেশৰ ৰাজনীতিয়ে দেশখনক সদায় আছুতীয়াকৈ আৰু সম্পূৰ্ণ আত্মনিৰ্ভৰশীল কৰি ৰাখিব বিচাৰে। দেশখনৰ ৰাজনীতিত মুক্ত, গণতান্ত্ৰিক চিন্তাই যাতে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে, সেই ক্ষেত্ৰত চীনৰ চৰকাৰ তথা শাসক শ্ৰেণীয়ে সকলো সময়তে সতৰ্ক দৃষ্টি ৰাখে। তেওঁলোকৰ বাবে সন্তান জন্ম হ্ৰাস পোৱাটো সেয়ে বিপজ্জনক আৰু ভাবুকিৰ কাৰণ হৈ পৰিছে। চীনৰ বিপৰীতে ভাৰতৰ জনসংখ্যা সুস্থিৰ অৱস্থাত আছে। বৰ্তমান প্ৰতিগৰাকী ভাৰতীয় মহিলাৰ সন্তানৰ সংখ্যা গড়ে ২.০ৰ পৰা ২.১ বুলি প্ৰকাশ পাইছে। সন্তান জন্মৰ এই হাৰে ভাৰতক সুস্থিৰ কৰি ৰাখিব বুলি আশা কৰা হৈছে।

### খোলা মঞ্চ

## অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে মোৰ ধাৰণা



এজন নিয়মীয়া পাঠক হিচাপে মই গৌৰৱবোধ কৰো যে 'অগ্ৰদূত' কাকতে মোক সকলো দিছে। মোৰ বাবে 'অগ্ৰদূত' জ্ঞান লাভৰ এক মহা ক্ষেত্ৰ। সাহিত্য-সংস্কৃতি, নীতি-নিগ্ৰহৰ উজ্জ্বল দাপোণ। মানুহ হোৱাৰ উৰ্বৰ ভূমি। সংবাদ জগতৰ পুৰোধা ব্যক্তি কনকসেন ডেকাৰ ছায়াত সজীৱিত 'অগ্ৰদূত' পৰিয়ালবৰ্গলৈ শত নমস্কাৰ। এইসকল মধুকৰে গঢ়ি তোলে 'অগ্ৰদূত' ভাষাৰ মৌচাক, শান্তি-মৈত্ৰীৰ অক্ষয় নিজৰা। 'অগ্ৰদূত' মাতৃভাষাৰ মুক্ত কণ্ঠ। এইখন সংবাদ পত্ৰৰ দ্বাৰাই ভালেকেইগৰাকী লিখক-সমালোচক, ভাষাবিদ, পণ্ডিত আৰু বিদেশৰ মাটিত বাস কৰিও জননী জন্মভূমিৰ উন্নতিৰ অৰ্থে আজীৱন সেৱা আগবঢ়াই জীৱন ধন্য কৰা অসম মাতৃৰ সুসন্তানৰ স'তে ভাব-বিনিময় কৰিবলৈ সুবিধা পাই নিজকো ধন্য মানিছো। সমাজ, শিক্ষা, জ্ঞান, কৰ্ম, কৃষি, বাণিজ্যৰ এইখন মণিকাঞ্চন সংযোগ পত্ৰ। ভাল মানুহৰে সমাজ গঢ়াৰ এয়ে মহামন্ত্ৰ বুলি ধাৰণা কৰিছো।

**পৰাণ চন্দ্ৰ দাস**, *লেখক*


সগৌৰৱে আজি ৫২ বছৰ অতিক্ৰম কৰিছে এই কাকতখনে। পথত কত যে ঢৌ ধুমুহাৰে আগুৱাই আহি নানা তিতা-মিঠাৰে সময় অতিবাহিত কৰি যি অলৰ-অচৰ ধৈৰ্য আগত ৰাখি সমাজৰ উত্তৰণৰ কাম কৰি অসীমতা লাভ কৰিছে তাৰ বাবে কাকতখনৰ উজ্জ্বল ভৱিষ্যৎ আশা কৰিছো। যাৰে জগত চিনিছো, যাৰ দ্বাৰাই অলেখ লেখক-সাহিত্যিক, কবি-পণ্ডিতৰ সৃষ্টি হৈছে, সেই সকলৰ সহায়ত আমিও সাধাৰণ লেখক হিচাপে এই কাকতখনত প্ৰৱেশ কৰিবলৈ সুযোগ পাইছিলো সেইসকল ব্যক্তিৰ জীৱন মধুময় হওক আৰু আশা ৰাখিছো যে নৱ প্ৰজন্মই এইখন কাকতৰ মাধ্যমেদি বিশ্বত নিজৰ সু-কীৰ্তি বিস্তাৰ কৰিবলৈ এটি সুপৰিকল্পিত পথৰ সন্ধান পাব। 'অগ্ৰদূত' এখন মানুহ গঢ়াৰ কৰ্মশালা। 'অগ্ৰদূত' মানুহৰ সাৰ্থক পৰিচয়। আমি অসমবাসীয়ে নানা সম্ভাৰেৰে মহিমামণ্ডিত কৰি 'অগ্ৰদূত' কাকতক উজ্জ্বলতৰ কৰো আহক জীৱনৰ মূলধন হিচাপে।

*ফোন ঃ ৯৮৫৪২৯৪০২০*

# ব্ৰিটিছ মহাৰাণীৰ ভিতৰচ'ৰাত এভুমুকি

## খোজ কাঢ়োতে ৰাণীৰ আগে আগে কোনেও খোজ কাঢ়ি যাব নোৱাৰে; ৰাণীয়েহে আগে আগে খোজ কাঢ়ি যাব





### সোঁতৰ বিপৰীতে চিন্তা

*ইংলেণ্ডৰ পৰা* **প্ৰবীণ চৌধুৰী**

যোৱা শতিকাৰ মাজভাগৰ পৰা এই শতিকাৰ তৃতীয় দশকলৈ ৭০ বছৰৰো অধিক কাল জুৰি ব্ৰিটিছ ৰাজসিংহাসন অধিকাৰ কৰি থকা মহাৰাণীগৰাকী হৈছে দ্বিতীয় কুইন এলিজাবেথ। তেওঁৰ সম্পূৰ্ণ নাম— এলিজাবেথ আলেকজেন্দ্ৰা মেৰী উইণ্ডছৰ। যোৱা শতিকা অৰ্থাৎ বিংশ শতাব্দীৰ মাজভাগত ১৯৫২ৰ ছয় ফেব্ৰুৱাৰীত পিতৃ ষষ্ঠ জৰ্জৰ বিয়োগৰ লগে লগে এলিজাবেথ ইউকেৰ মহাৰাণী হিচাপে শাসনাধিষ্ঠিত হৈছিল আৰু তেওঁৰ আনুষ্ঠানিক ৰাজঅভিষেক সম্পন্ন হৈছিল ১৯৫৩ৰ দুই জুনত । একবিংশ শতাব্দীৰ তৃতীয় দশকৰ দ্বিতীয় বছৰ অৰ্থাৎ ২০২২ৰ ছয় ফেব্ৰুৱাৰীত এলিজাবেথে ৭০ বছৰৰ ৰাজত্ব সম্পূৰ্ণ কৰিলে। ইতিমধ্যে যোৱা ২১ এপ্ৰিলত তেওঁ ৯৬ বছৰৰ দেওনা অতিক্ৰম কৰিলে। এই ৯৬ বছৰত, বিশেষকৈ তেওঁৰ ৭০ বছৰীয়া ৰাজত্ব কালত, তেওঁ অনেক ঘাত-প্ৰতিঘাত, সফলতা-বিফলতা, সংঘাত-বিপৰ্যয় আদিৰ সন্মুখীন হৈছে। সেইবোৰৰ খতিয়ান পাছলৈ থৈ সদ্যহতে তেওঁৰ ভিতৰচ'ৰাত এভুমুকি মৰাৰ প্ৰয়াস কৰা হৈছে।

ভিতৰচ'ৰা বুলিলে তেওঁ ক'ত থাকে, কি কৰে, কেনেদৰে দিনবোৰ কটায় আদি অনেক কথায়ে মনলৈ আহে । সদ্যহতে লেখাটো তেওঁ ক'ত থাকে তাৰ পৰাই আৰম্ভ কৰিলো।

মহাৰাণীৰ অফিচিয়েল বাসগৃহ হৈছে 'বাকিংহাম পেলেচ' নামৰ এটা বৃহৎ অট্টালিকা। লগতে অট্টালিকাটো ৰাণীৰ প্ৰশাসনিক কাৰ্যালয় আৰু আন দেশৰ ৰাষ্ট্ৰপ্ৰধান আদিক আতিথ্য প্ৰদান কৰাৰ স্থান। ইয়ালৈ আহিয়েই ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে প্ৰতি সপ্তাহতে ৰাণীক দেখা কৰি চৰকাৰৰ কাম-কাজৰ বিষয়ে ৰাণীক অৱগত কৰে।

১৮৩৭ৰ জুলাইত মহাৰাণী ভিক্টোৰিয়াই ইয়াত থাকিবলৈ লোৱাৰে পৰা এই অট্টালিকাটো ব্ৰিটিছ ৰজা-ৰাণীৰ অফিচিয়েল বাসগৃহ হিচাপে ব্যৱহৃত হৈ আহিছে। ২৪ মিটাৰ ওখ পাঁচ তলাৰ এই অট্টালিকাটোৰ মজিয়াৰ কালি প্ৰায় ৭৭,০০০ বৰ্গ মিটাৰ । ইয়াৰ কোঠা সংখ্যা ৭৭৫ টা । তাৰে ১৯ টা 'ষ্টেট ৰুম', ৫২টা ৰাজকীয় ৰুম, ১৮৮ টা ষ্টাফ বেড ৰুম, ৯২ টা অফিচ ৰুম আৰু ৭৮ টা বাথৰুম। অট্টালিকাটোৰ ষ্টেট ৰুমসমূহত থকা মূল্যৱান পেইণ্টিঙৰ উপৰি প্ৰাসাদটোত এটা আৰ্ট গেলাৰীও আছে, য'ত ৰোটেচনেল বেছিছত বিভিন্ন পেইণ্টিং আৰু আন কলাসূলভ সামগ্ৰীসমূহৰ প্ৰদৰ্শনী পতা হয়। অট্টালিকাটোৰ লগতে এখন বৃহৎ গাৰ্ডেনো আছে।

দেশখনৰ সৰহভাগ ৰাষ্ট্ৰীয় আৰু ৰাজকীয় উৎসৱ তথা আন বিশেষ অনুষ্ঠান ইয়াতেই উদ্‌যাপন আৰু অনুষ্ঠিত কৰা হয় ।

অট্টালিকাটোত নিতৌ অনুষ্ঠিত হোৱা এটা চাবলগীয়া অনুষ্ঠান হৈছে চেঞ্জিং অৱ গাৰ্ড অনুষ্ঠান। ৰাণী আৰু তেওঁৰ প্ৰাসাদটোৰ সুৰক্ষাৰ বাবে নিয়োজিত গাৰ্ডসকলৰ এটা দলে নিজ কৰ্তব্যৰ শেষত আন এটা দলক আনুষ্ঠানিকভাৱে দায়িত্ব হস্তান্তৰ কৰাৰ কাৰণেআগে আগে ড্ৰাম, বেগপাইপাৰ, ক্লেৰিয়োনেট আদি বজাই যোৱা এটা বেণ্ড পাৰ্টীৰ পিছে পিছে ৰঙা কোট আৰু ভালুকৰ ছালেৰে তৈয়াৰ কৰা ক'লা টুপীসহ জাকজমক পোছাক পিন্ধি আৰু ঘোঁৰাত উঠি শাৰী পাতি মাৰ্চ কৰি যোৱা গাৰ্ডৰ শোভাযাত্ৰাৰে নিতৌ আয়োজন কৰা এই অনুষ্ঠানটো সঁচাকৈয়ে দৃষ্টিনন্দন এক চাবলগীয়া অনুষ্ঠান।

বছৰি অট্টালিকাটোত আয়োজন কৰা এটা উল্লেখযোগ্য পৰ্ব হৈছে শাসনত অধিষ্ঠিত মহাৰাজ বা মহাৰাণীৰ অফিচিয়েল জন্মদিন পালন কৰাৰ বাবে প্ৰতি বছৰে জুনৰ কোনোবা এটা শনিবাৰত উদ্‌যাপন কৰা 'ট্ৰুপিং দ্য কালাৰ' অনুষ্ঠান। এইবাৰ কুইন এলিজাবেথৰ অফিচিয়েল জন্মদিন তেওঁৰ ৰাজত্বৰ ৭০ বছৰ পূৰ্তি উপলক্ষে আয়োজন কৰা প্লেটিনাম জুবিলীৰ লগত সংগতি ৰাখি যোৱা দুই জুনত উদ্‌যাপন কৰা হৈছে। ১৪শতকৈও অধিক সশস্ত্ৰ সেনা, দুশজন অশ্বাৰোহী সেনা আৰু চাৰিশ সংগীত শিল্পীৰ পাৰম্পৰিক পেৰেডেৰে কৰা জাক-জমক শোভাযাত্ৰা আৰম্ভ হয় বাকিংহাম পেলেচৰ পৰা আৰু পেলেচৰ সন্মুখৰ মল নামৰ দুয়োফালে মুকলি ঠাই থকা ৰাজপথ হৈ হৰ্ছ গাৰ্ড পেৰেডলৈ গৈ একেটা পথেৰে সামৰিক বাহিনী আকৌ বাকিংহাম পেলেচলৈ উভতি আহে। মহাৰাণী নিজে ৰাজপৰিয়ালৰ আন সদস্যৰ স'তে টুপী পিন্ধি ঘোঁৰাত উঠি বা তাহানিৰ ৰথ সদৃশ ঘোঁৰাৰে টনা বাগীত উঠি এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। পৰ্বটোৰ সামৰণি হয় পেলেচৰ সন্মুখত ৰয়েল এয়াৰ ফ'ৰ্চে প্ৰদৰ্শন কৰা 'ফ্লাইপাষ্ট' বা উৰাজাহাজৰ আকাশী কাৰু-কাৰ্যৰে; মহাৰাণী আৰু ৰাজপৰিয়ালৰ সদস্যসকলে পেলেচটোৰ বেলকনিৰ পৰা সেই 'ফ্লাইপাষ্ট' উপভোগ কৰে। উল্লেখ্য যে এই বেলকনিৰ পৰাই বিভিন্ন উৎসৱত ৰাণীয়ে ৰাজহুৱা দৰ্শন দি হাত জোঁকাৰি প্ৰজালৈ সম্ভাষণ জ্ঞাপন কৰে। অগণন ৰাইজে পেৰেড পথৰ দুয়োকাষে থিয় হৈ এই পেৰেড উপভোগ কৰে। বিবিচিয়েও সম্পূৰ্ণ কাৰ্যক্ৰমটোৰ 'লাইভ টেলিকাষ্ট' কৰে।

যিহওক, ওপৰোক্ত অফিচিয়েল বাৰ্থ ডে-ৰ উপৰি মহাৰাণীৰ আচল জন্মদিনটোও ধুমধামেৰে পালন কৰা হয়। মহাৰাণীয়ে কিয় দুবাৰকৈ জন্মদিন পালন কৰে তাৰো এটা কাহিনী আছে। ১৭২৭ৰ পৰা ১৭৬০লৈ গ্ৰেট ব্ৰিটেইন আৰু আয়াৰলেণ্ডত ৰাজত্ব কৰা হেনোভাৰ বংশৰ দ্বিতীয় ৰজা তেতিয়াৰ মহাৰাজ দ্বিতীয় জৰ্জৰ জন্ম হৈছিল ১০ নৱেম্বৰত। উৎসৱ উদ্‌যাপনপ্ৰেমী জৰ্জে শীতকালত ঘৰৰ বাহিৰত জন্মদিন উদ্‌যাপনত অসুবিধা পোৱাৰ কাৰণে ১৭৪৮তে গ্ৰীষ্ম কালত তেওঁৰ জন্মদিন পালন কৰাৰ বাবে আৰু বছৰেকীয়া সামৰিক দিৱসৰ লগতে ৰজাৰ জন্মদিন পালন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিল। তেতিয়াৰ পৰা গ্ৰেট ব্ৰিটেইনত সম্ৰাট বা সম্ৰাজ্ঞীৰ জন্মদিন দুবাৰকৈ পালন কৰাৰ পৰম্পৰা চলি আহিছে। এবাৰ নিজৰ আচল জন্মদিনত আৰু এবাৰ অফিচিয়েল জন্মদিনত জুনৰ কোনোবা এটা শনিবাৰত। বৰ্তমান জুনৰ দ্বিতীয় শনিবাৰত সেই জন্মদিন পালন কৰাৰ নিয়ম কৰা হৈছে। আচৰিত কথা গণতান্ত্ৰিক দেশ এখনত মহাৰাণীৰ জন্মদিন দুবাৰকৈ পালন কৰাৰ ক্ষেত্ৰত কোনোৱে আপত্তি নোতোলে। বৰঞ্চ ৰাইজেও সমান উদ্দীপনাৰে দুয়োটা জন্মদিনতে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি উৎসৱ পালন কৰে ।

যি হওক, গ্ৰীষ্ম কালৰ কোনোবা এটা সময়ত পেলেচটো প্ৰায় দহ সপ্তাহৰ বাবে 'ভিজিটৰ'ৰ বাবে মুকলি কৰি দিয়া হয়। তদুপৰি বিশেষ বিশেষ কাৰণত ডিচেম্বৰ আৰু জানুৱাৰীতো পেলেচটো ভিজিটৰৰ বাবে মুকলি কৰি দিয়া হয়। এই বছৰ (২০২২) ২২ জুলাইৰ পৰা দুই অক্টোবৰলৈ অট্টালিকাটো ভিজিটৰৰ বাবে খোলা ৰখাৰ ব্যৱস্থা কৰা হৈছে। অৱশ্যে তাত সোমাবলৈ টিকট কিনিব লাগে। চৌহদৰ ভিতৰতে থকা অট্টালিকাটোৰ সংলগ্ন বৃহৎ বাগিচাখনত সোমাবলৈ অতিৰিক্ত মাচুল দিব লাগে। বৰ্তমানৰ প্ৰৱেশ মাচুল ক্ৰমে ৩০ পাউণ্ড আৰু ২৪ পাউণ্ড। টকাৰ হিচাপত ক্ৰমে তিনি হেজাৰ আৰু ২৪শ টকা। ইউনাইটেড কিংডমত চাবলগীয়া অনেক বৃহৎ বৃহৎ ঐতিহাসিক প্ৰাসাদ, কেচল্ আৰু গিৰ্জাঘৰ আছে। সেইবোৰৰ প্ৰায়বোৰতেই প্ৰৱেশ মাচুল আছে। প্ৰতিটোতে ২০-৩০ পাউণ্ড প্ৰৱেশ মাচুল ভৰি আমাৰ দৰে সাধাৰণ টুৰিষ্টৰ বাবে একেটা ভ্ৰমণ কালতে কে'বাটাও প্ৰাসাদ, কেচল্ বা গিৰ্জাঘৰ চোৱাটো সম্ভৱ নহয়। জেপত পইচা থাকিলেও তিনি হেজাৰ টকা ভৰি প্ৰাসাদ এটা চোৱাৰ মানসিকতা আমাৰ কিমানজনৰ আছে সিও এক সন্দেহৰ কথা। সময়ৰ কথা বাৰু নক'লোৱেই!

বাকিংহাম পেলেচ মহাৰাণীৰ অফিচিয়েল বাসগৃহ আৰু কাৰ্যালয় যদিও কুইন এলিজাবেথে বছৰটোৰ সৰহ ভাগ সময় 'উইণ্ডছৰ কেচল্' নামৰ আন এটা বৃহৎ অট্টালিকাত থাকে। এই কেচল্ বা দুৰ্গটো বহুত পুৰণি। পৃথিৱীৰ আটাইতকৈ পুৰণি আৰু ব্যৱহাৰ হৈ থকা সৰ্ববৃহৎ পেলেচ বুলি জনাজাত এই অট্টালিকাটো একাদশ শতিকাতে উইলিয়াম দা কংকাৰাৰ নামৰ সম্ৰাটগৰাকীয়ে নিৰ্মাণ কৰোৱা । ইয়াত এতিয়ালৈকে ৭৯ গৰাকী সম্ৰাট-সম্ৰাজ্ঞীয়ে বাস কৰিছে। চাবলগীয়া অনেক বুৰঞ্জীমূলক আৰু ৰাজকীয় প্ৰাচুৰ্য থকা এই কেচল্‌টো বছৰটোৰ যিকোনো সময়তে চাব পৰাৰ ব্যৱস্থা আছে আৰু ইয়াত ভিজিটৰৰ প্ৰৱেশ বিনামূলীয়া।

গ্ৰীষ্ম কালত মহাৰাণী থাকে স্কটলেণ্ডৰ এডিনবড়াত থকা 'পেলেচ অফ হলীৰুড হাউছ' নামৰ অট্টালিকা এটাত। তদুপৰি নৰ্ডাৰ্ণ আয়াৰলেণ্ডতো তেওঁ থকাৰ বাবে হিলছ-বৰো কেচল্ নামৰ অট্টালিকা এটা আছে। অৱশ্যে হিলছ-বৰো কেচল্‌টো খুব কমেই ব্যৱহাৰ কৰা হয়।

যি হওক ওপৰোক্ত অট্টালিকাসমূহৰ উপৰি মহাৰাণী আৰু তেওঁৰ বংশৰ লোকসকল থকাৰ বাবে ব্ৰিটেইনত অনেক পেলেচ আছে। লণ্ডনত থকা কেনচিংটন পেলেচ নামৰ আন এটা অট্টালিকাত তিনিটা ৰাজপৰিয়াল থাকে। স্কটলেণ্ডৰ এবাৰদীনশ্বায়াৰত 'বালমৰেল কেচল্' আৰু ইংলেণ্ডৰ নৰফকত 'ছানড্ৰিংহাম হাউছ' নামেৰে ৰাজপৰিয়ালৰ দুটা ব্যক্তিগত প্ৰাসাদ আছে। অৱশ্যে বাকিংহাম পেলেচ আৰু উইণ্ডছৰ কেচল্ ৰাণীৰ ব্যক্তিগত সম্পত্তি নহয়; সম্ৰাট বা সম্ৰাজ্ঞীৰ পদবী সূত্ৰে অধিকাৰ কৰা নিজৰ সম্পত্তি স্বৰূপ অট্টালিকাহে।

লক্ষ্যণীয় যে ইউনাইটেড কিংডমৰ চাৰিখন দেশৰ তিনিখন ক্ৰমে ইংলণ্ড, স্কটলেণ্ড আৰু নৰ্ডাৰ্ণ আয়াৰলেণ্ডত মহাৰাণীৰ অফিচিয়েল গৃহ থকাৰ বিপৰীতে ৱেলচ্‌ত তেওঁ থকাৰ বাবে বিশেষভাৱে ৰখা আছুতীয়া গৃহ নাই। তাত অৱশ্যে তেওঁৰ বৰপুত্ৰ প্ৰিন্স অফ ৱেলচ্‌ৰ নিজা অট্টালিকা আছে।

ওপৰত উল্লেখ কৰা প্ৰাসাদসমূহে মহাৰাণী আৰু ৰাজপৰিয়ালৰ ঐশ্বৰ্য, বিলাস, আভিজাত্য, প্ৰিভিলেজ আদিৰ কিছু আভাস দিয়ে; কিন্তু ই তেওঁলোকে ভোগ কৰা ঐশ্বৰ্যৰ একাংশহে। আনহাতে, বাহিৰৰ পৰা জাক-জমকতাপূৰ্ণ যেন লাগিলেও আমি আমাৰ ঘৰত আমাৰ ইচ্ছা মতে যেনেদৰে যেনে-তেনে থাকিব পাৰো, ৰাণী বা ৰাজপৰিয়ালৰ মানুহে তেনেদৰে থাকিব নোৱাৰে। ঘৰুৱা জীৱন-ধাৰণতো তেওঁলোকে কিছুমান নিয়ম-নীতি আৰু শৃংখলা মানি চলিব লাগে। ৰাজবংশৰ ল'ৰা-ছোৱালীয়ে বিবাহৰ বাবে মহাৰাণীৰ অনুমতি লোৱাৰ প্ৰয়োজনীয়তা আৰু কোনোবাই আগতে বিবাহ কৰি বিবাহ বিচ্ছেদ কৰা পুৰুষ বা মহিলাক বিয়া কৰালে তেওঁলোকৰ সতি-সন্ততি ৰাজপাটত বহিব নোৱাৰা নিয়মৰ কথা ১৮ আগষ্টৰ 'দৈনিক অগ্ৰদূত'ত প্ৰকাশ পোৱা মোৰ প্ৰৱন্ধত উল্লেখ কৰা হৈছে। তাৰ ওপৰঞ্চি উদাহৰণ স্বৰূপে অনেক নিয়মৰ আৰু দুটামান নিয়মৰ কথাহে ইয়াত উল্লেখ কৰা হ'ব। উল্লেখ্য যে নিজ পৰিয়ালৰ সদস্য হ'লেও ৰাণীৰ স'তে উঠা-বহা, খোৱা-লোৱা আদি কৰোতে ৰাজপৰিয়ালৰ লোকসকলে কিছুমান নিয়ম মানি চলিব লাগে। খোজ কাঢ়োতে ৰাণীৰ আগে আগে কোনেও খোজ কাঢ়ি যাব নোৱাৰে; ৰাণীয়েহে আগে আগে খোজ কাঢ়ি যাব। ৰাণীৰ লগত কথা পাতিলে, ৰাণীৰ লগত কথা পতা শেষ হ'লে কথা পতা মানুহজনে ৰাণীৰ ফালে পিঠি দি ৰাণীক এৰি আহিব নোৱাৰে; ৰাণীয়ে তেওঁৰ ফালে পিঠি দিলেহে তেওঁ ৰাণীক এৰি আহিব পাৰিব। ৰাণীৰ লগত একেখন ডাইনিং টেবুলত আহাৰ গ্ৰহণ কৰিলে পৰিয়ালৰ সদস্যসকলে নিয়মমাফিক পোছাক পিন্ধি বিশেষ ধৰণে চকীত বহিব লাগে। তাতোকৈ ডাঙৰ কথা, ৰাণীৰ খোৱা শেষ হ'লে ডাইনিং টেবুলত একেলগে বহি খাবলৈ ধৰা পৰিয়ালৰ সদস্যসকলেও খোৱা বন্ধ কৰিব লাগে।

মুঠৰ ওপৰত অনবৰত ৰাণীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো সকলো ৰাজকীয় নিয়মৰ মূল কথা। আন এক উল্লেখযোগ্য অঘোষিত নিয়ম হৈছে ৰাজপৰিয়ালৰ কোনো লোকে ৰাজনীতিত যোগদান কৰিব নোৱাৰে। সাংবিধানিকভাৱে কোনো বাধা নাথাকিলেও নিৰপেক্ষতা বজাই ৰখাৰ স্বাৰ্থত ৰাণীয়ে কোনো নিৰ্বাচনতে ভোটদান নকৰে। তেওঁক অনুসৰণ কৰি ৰাজপৰিয়ালৰ আন সদস্যয়ো ভোটদান নকৰে।

নিয়ম-নীতিৰ উপৰি এটা ডাঙৰ কথা হৈছে, ৰাজপৰিয়ালৰ লোকসকলৰ চাল-চলন, আচৰণ আৰু কাম-কাজৰ প্ৰতি সংবাদ মাধ্যমৰ ইমান হেঁপাহ আৰু আগ্ৰহ যে সংবাদ মাধ্যমৰ শেনচকুৰ পৰা নিজক বচাই চলিবলৈ সদায় সচেতন, সজাগ আৰু সাৰধান হৈ থাকিবলগীয়া হোৱা কাৰণে তেওঁলোকে আপোন গৃহৰ বাহিৰত স্বাভাৱিক জীৱন যাপন কৰিব নোৱাৰে। সীমাহীন প্ৰিভিলেজৰ বিপৰীতে তেওঁলোকৰ বাবে ই অতি দুৰ্ভাগ্যৰ কথা ।

**ৰাণীৰ খোৱা শেষ হ'লে ডাইনিং টেবুলত একেলগে বহি খাবলৈ ধৰা পৰিয়ালৰ সদস্যসকলেও খোৱা বন্ধ কৰিব লাগে। মুঠৰ ওপৰত অনবৰত ৰাণীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো সকলো ৰাজকীয় নিয়মৰ মূল কথা। আন এক উল্লেখযোগ্য অঘোষিত নিয়ম হৈছে ৰাজপৰিয়ালৰ কোনো লোকে ৰাজনীতিত যোগদান কৰিব নোৱাৰে**

email prabin_c@yahoo.com

# স্মৃতিৰ এখিলা পাত

## জীৱনৰ সৰু সৰু সুখ আৰু প্ৰাপ্তিবোৰেই জীয়াই থকাৰ প্ৰেৰণা



### অৱলোকন

**চাইৰা ইছলাম বড়া**

**অতীত,** ভৱিষ্যত, বৰ্তমান— এই তিনিও কালৰ সমষ্টিৰ নামেই হ'ল জীৱন। তিনিও কালৰ সংমিশ্ৰণত জীৱনে পূৰ্ণতা পায়। অতীতৰ লগত বৰ্তমানৰ সম্পৰ্ক ওতঃপ্ৰোতভাৱে সাঙোৰ খাই থাকে, বিশেষকৈ অতীতৰ প্ৰতিটো মুহূৰ্তৰ বিচিত্ৰ অভিজ্ঞতাৰ সাক্ষী হৈ ৰয় আমাৰ মন মগজু। বাহিৰৰ জগতখনৰ পৰা আঁতৰি সকলোৰে মনৰ ভিতৰতভিন্ন অভিজ্ঞতাৰে অতিক্ৰম কৰি অহা সময়ৰ বিশেষ ক্ষণ কিছুমান আমৃত্যু বন্দী হৈ ৰয়। আজিৰ দিনটোও কাইলৈ স্মৃতি হৈ পৰিব, এয়াই নিষ্ঠুৰ বাস্তৱ। হেৰুওৱা সময় যিদৰে ঘূৰাই আনিব নোৱাৰি, ঠিক সেইদৰে কিছুমান বিশেষ ক্ষণ মানস পটৰ পৰা মচি পেলাবও নোৱাৰি। ইয়াৰে কিছুমান ভাল লগা সোঁৱৰণিয়ে জীৱন বাটত প্ৰেৰণা দি যায়, আন কিছুমান শিহৰণকাৰী অভিজ্ঞতাই জীৱনৰ প্ৰকৃত বাস্তৱ অনুধাৱন কৰাৰ সুযোগ দিয়ে। সুন্দৰ স্মৃতিবোৰ মনৰ কৰণিত এখন মনোমোহা উদ্যানত ফুলি থকা অজস্ৰ সুশোভিত ফুলৰ দৰে, এই সুগন্ধিত ফুলৰ সুৱাসেৰে হৃদয় পিয়লা উপচি থাকে। আনহাতে অশুভ সময়ৰ স্মৃতিবোৰ মৰহা ফুলৰ পাপৰিৰ দৰে লেৰেলি সৰি পৰে। বহু সময়ত অতীত ৰোমন্থনৰ জৰিয়তে ভাল-বেয়াৰ অনুধাৱন কৰি আত্মশুদ্ধিৰ পথো উন্মোচন হয়। মুহূৰ্ততে আকৌ বতাহত উৰি অহা চিনাকি সুবাসেও অজানিতে মন সাগৰত স্মৃতিৰ খলকনিৰে ভাবৰ বুৰবুৰণি তোলে, একান্ত সময়ৰ নিৰ্জন নিশব্দতাৰ মাজতো যেন ঝিলীৰ মাতত ঝংকাৰিত হয় জীৱন নদীৰ সিপাৰে এৰি থৈ অহা ভাৱলেশহীন অজস্ৰ হেৰুওৱা সুৰৰ গুঞ্জন। একান্তই ব্যক্তিগত অনুভৱত সংপৃক্ত হৈ থকা সজীৱ স্মৃতিৰ কুঁৱলীৰ ধূসৰ ছবিবোৰ এনেদৰেই এক অদৃশ্য শক্তিৰ মায়াবী আৱৰণে আৱৰি থাকে নিমিলা অংকৰ সোঁৱৰণিৰ পাতত যোগ-বিয়োগৰ সমষ্টি হৈ।

পৰিবৰ্তিত সময়ৰ স'তে আগুৱাই যোৱাটোৱেই প্ৰকৃতিৰ নিয়ম। উৰণীয়া মনে হৃদয়ত দোলা দি থকা ক্ষণবোৰ বিচাৰি কল্পনাৰ জগতত হাবাথুৰি খায়; কিন্তু সেয়া যে অব্যক্ত অস্পষ্ট ৰূপত মাথোঁ হৃদয়ৰ পৰা হৃদয়লৈ অৱধাৰিতভাৱে বৈ থকা কিছুমান সজাল স্মৃতি। ভৱিষ্যতৰ দিনবোৰ সপোন হৈ ৰোৱাৰ দৰে অতীতৰ স্মৃতিও সোঁৱৰণিৰ দাপোণত আৱদ্ধ হৈ ৰয়। যিমান চেষ্টা কৰিলেও অতীতৰ কেতবোৰ বিশেষ স্মৃতি মনৰ পৰা মচ নাযায়। শৈশৱ, কৈশোৰ, যৌৱনত অতিক্ৰম কৰি অহা মধুৰ স্মৃতিবোৰ আমৃত্যু আমাৰ মনত ক্ৰিয়া কৰি থাকে। ভগ্ন হৃদয়ৰ দুখ মোচন কৰিবলৈও স্মৃতিৰ সজীৱ সোঁৱৰণিয়ে জীৱনক সাহস প্ৰদান কৰে। জীৱনৰ সৌন্দৰ্য উপভোগ কৰিবলৈ হ'লে বেদনা বিজড়িত দুখজনক স্মৃতিবোৰ একাষৰীয়া কৰি থৈ প্ৰেৰণাদায়ক সোঁৱৰণিৰ স'তে সহবাস কৰাটোহে শ্ৰেষ্ঠ। সোঁৱৰণিৰ মায়াজালত নিজকে নতুনকৈ আৱিষ্কাৰ কৰি সৃষ্টিশীল কামৰ মাজেদিও পাহৰি থকা যায় অতীতৰ সিক্ত বেদনাবাৰ। বিশেষকৈ শৈশৱৰ স্মৃতিয়ে আমাক অধিক স্মৃতিকাতৰ কৰি তোলে, সেই সোণালী দিনবোৰ ৰোমন্থন কৰি উভতি যাবৰ মন যায় এখন ৰঙীন জগতলৈ। য'ত একো বাধ্যবাধকতা নাছিল, আছিল মাথোঁ সমনীয়াৰ স'তে মন জুৰোৱা খেল-ধেমালিবোৰ; কিন্তু হাতৰ মুঠিৰ বালিৰ দৰে সময়ক কাহানিও আৱদ্ধ কৰি ৰাখিব নোৱাৰি, এনেদৰেই নিৰৱধি বৈ থাকে জীৱন নদীত সুখ-দুখৰ বোঁৱতী সুতি হৈ। কোনোবা অশুভ ক্ষণত পৰিয়ালৰ আপোনজনক হেৰুৱাব লগা বিষাদৰ স্মৃতিবোৰ মনৰ দাপোণত এনেদৰে স্থায়ী হৈ ৰয় যে পাহৰো বুলিও পাহৰিব নোৱাৰি, মৃত্যুতকৈ আশা বহু বেছি পৰিমাণে শক্তিশালী সেয়ে জীৱনে কাহানিও ভাগৰি নপৰে।

চিৰাচৰিত প্ৰথা মানি সময়ে বাগৰ সলালেও হৃদয়ৰ মণিকোঠাত কিছুমান সময় সদায়েই স্মৃতিৰ এখিলা সজীৱ পাতত বন্দী হৈ ৰয় সোণালী দিনৰ খণ্ড চিত্ৰ হৈ। সোঁৱৰণিৰ দাপোণত সুখ দুখ, আশা-নিৰাশাৰ মাজত আৱদ্ধ হৈ ৰয় বহুতো অপ্ৰকাশিত ভাৱৰ সমাহাৰ। স্মৃতি কাতৰ মনে সত্যৰ সন্ধান কৰে পোৱা-নোপোৱা নতুবা পাই হেৰুওৱাৰ অব্যক্ত সমাহাৰত। ভৱিষ্যত আশা-আকাংক্ষাৰে ভৰপূৰ হলেও জীৱনটোক বিচৰা ধৰণে পোৱা নাযায়। সেয়ে অতীত ভৱিষ্যতৰ সন্ধিক্ষণত ব্যাকুল নহৈ হাততে পোৱা বৰ্তমানৰ সময়খিনি সুন্দৰভাৱে সজাই-পৰাই বাট বোলাটোহে জ্ঞানীজনৰ কাম। নোপোৱাৰ বেদনাৰ অতৃপ্ত বাসনাই মিছা সন্তুষ্টিৰে নিজকে সকাহ দিয়াৰ মাথোঁ বৃথা চেষ্টাহে। পাই হেৰুওৱা বা পৰাজয়বৰণ কৰা কষ্টৰ অন্তৰ্দ্বন্দ্বই মনুষ্যক তিল-তিলকৈ নিঃশেষ কৰিব ধৰে। অৱশেষত ভাগ্যৰ লিখন বুলি সময়ক দোষাৰোপ কৰা হয়।

এখন বিশাল হৃদয় সকলোৰে থাকিলেও মানৱীয় প্ৰমূল্যবোধ সৌভাগ্যশালী জনৰহে থাকে। হৃদয়ৰ সঁচা কোমল অনুভূতিবোৰে মানৱীয় সত্ত্বাক জাগ্ৰত কৰি মানৱপ্ৰেমৰ উন্মেষণ ঘটাই জীৱনটোক নতুন দৃষ্টিৰে চাবলৈ শিকায়। মনে মিলা লোকৰ স'তে সুসম্পৰ্ক বৰ্তাই ৰাখি জীৱনৰ ঘাত-প্ৰতিঘাতবোৰ ইতিবাচক দৃষ্টিৰে চাবলৈ সুযোগ পোৱা যায়। সৎলোকে খং-ৰাগ পৰিহাৰ কৰি সদায়েই সুখৰ আৰাধনা কৰে। অতীতৰ অভিজ্ঞতাৰে বৰ্তমান আৰু ভৱিষ্যত উজ্জ্বল কৰি তোলাটোতেই জীৱনৰ কৃতিত্ব নিহিত হৈ আছে। বুকুৰ আপোনজনকো কাঢ়ি নিয়া মৃত্যুৰ দৰে নিষ্ঠুৰ সত্যকো আমি একাষৰীয়াকৈ থৈ যদি সাহেৰে আগুৱাই যাব পাৰিছো তেন্তে পুৰণি কথাবোৰ পাহৰি জীৱনৰ মাধুৰ্যখিনি উপভোগ্য কৰি বাকী থকা দিনবোৰ ৰং-তুলিকাৰে নিশ্চয় সজাই তুলিব পাৰি। জীৱনৰ সৰু সৰু সুখ আৰু প্ৰাপ্তিবোৰেই জীয়াই থকাৰ প্ৰেৰণা, আশাবোৰৰ কি ভৰসা যি সময়ভেদে সলনি হৈয়েই থাকে। স্বাৰ্থপৰ মনেহে আনৰ সপোন কাঢ়ি আনি নিজে সুখী হ'ব বিচাৰে। নিজৰ ভাল লগা পথৰ সন্ধান কৰি লোৱাটো সম্পূৰ্ণ নিজৰ কৃতিত্বৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰকৃতিৰ শক্তিতকৈ আমাৰ নিজৰ শক্তি উচ্চ বুলি ভবাটো বাতুলামি মাত্ৰ। জীৱন বাটত বহু লোকৰ স'তে আত্মীয়তা গঢ়ি উঠে বৰ্ধিত সময়ৰ গতিত, ইয়াৰে কিছুমান লোক চকুৰ আঁতৰ হলেও স্মৃতিৰ পটভূমিত চিৰদিন সজীৱ হৈ ৰয়। সৌভাগ্যশালীজনৰ ভাগ্যতহে সুখে বসতি কৰে। পাই হেৰুওৱাৰ অপূৰণীয় জীৱন গাথা, পাহৰিব নোৱাৰা সোণালী ক্ষণৰ বেদনাৰ ফল্গুধাৰাৰ স্মৃতি বন্দী হৈ ৰয় মনৰ কৰণিত। অতীতৰ শেতা পৰা ৰংবোৰৰ তিতা-মিঠা অভিজ্ঞতাৰে আমি বৰ্তমানক সজাই তুলিব লাগিব। সেই অতীত হ'ব পাৰে কাৰোবাৰ বাবে প্ৰেৰণাৰ উৎস, আন কাৰোবাৰ বাবে জীৱন হেৰুওৱাৰ অবৰ্ণনীয় যাতনা নতুবা জীৱনক জীপাল কৰাৰ এটি ৰোমাঞ্চকৰ অধ্যায়। মানুহৰ মন সলনি হ'বলৈ ক্ষণিক সময়েই যথেষ্ট। ব্যৰ্থতাক ইতিবাচক দৃষ্টিৰে গ্ৰহণ কৰি বহুখিনি জ্ঞান আহৰণ কৰিব পাৰি। পৃথিৱীত থকা দিনকেইটা এনেধৰণৰ কাম কৰা কৰা উচিত— মৃত্যুৰ পাছতো যেন আপোনাৰ কৰ্মই আনকো প্ৰেৰণা যোগাব পাৰে।

জীৱনৰ ভাল লগা ক্ষণবোৰ উভতি নাহে; কিন্তু ভাল সম্পৰ্কবোৰ মিঠা সোঁৱৰণি হৈ স্মৃতিৰ কৰণিত চিৰস্মৰণীয় হৈ ৰয়। জীৱনলৈ হঠাতে নামি অহা ধুমুহা এজাকে সঁচা-মিছাৰ পাৰ্থক্য উদঙাই দিয়ে। অত্যধিক বেদনাৰ ভৰ সহিব নোৱাৰা যন্ত্ৰণাই কণ্ঠ যেতিয়া ৰুদ্ধ কৰে তেতিয়া মাথোঁ মৌনতাই মনৰ ভাষা হৈ পৰে। হৃদয়ৰ কোণত সযতনে দুখবোৰ কঢ়িয়াই মুখত হাঁহি বিৰিঙাই থাকিব পৰাটোহে জীৱনৰ কঠিন বাস্তৱ। পাৰাপাৰহীন সংগ্ৰামৰ তিতা-মিঠা অভিজ্ঞতাৰে ভৰপুৰ জীৱন, যিমানেই গভীৰতালৈ যোৱা যায় সিমানেই অৰ্থ বিচাৰি পোৱা যায়। কেতিয়ানো জীৱনে বাগৰ সলায় ততকে ধৰিব নোৱাৰি, বৈ যায় মাথোঁ জীৱনৰ অনন্ত সময়ৰ কিছুমান জীয়া সতেজ স্মৃতি। মৌন পৰত দুখান্তৰৰ কাহিনীবোৰে নিজকে আৱৰি ধৰে হেজাৰ প্ৰশ্নৰ ক্ষুৰধাৰ শেল হৈ, ভিন্ন অভিজ্ঞতাই শিকাই থৈ যায় মানুহৰ প্ৰকৃত স্বৰূপ। আনক কষ্ট দিয়া লোক কেতিয়াও সুখী হব নোৱাৰে, সময় বৰ নিষ্ঠুৰ, উচিত সময়ে সকলোকে প্ৰত্যুত্তৰ দিবয়েই। জীৱনৰ পথ সেন্দুৰীয়া কৰি তুলিবলৈ জ্যেষ্ঠজনৰ দয়া, আশীৰ্বাদ অপৰিহাৰ্য। শুভ দিনবোৰ জীৱনলৈ ভবা মতে উভতি নাহিব পাৰে; কিন্তু সুন্দৰ সম্পৰ্কবোৰ হেৰুওৱাৰ পাছতো সোণালী স্মৃতি হৈ ৰয়। সযতনে মানস পটত অতীত সামৰি জীৱন আগুৱাই যায় হৃদয়ৰ গোপন কোণত চিৰসেউজ হৈ থকা স্মৃতিৰ এখিলা পাতত ভৱিষ্যতৰ ৰঙীন সপোন সানি।



*ফোন ঃ ৯১০১৫১৭৮৪৭*

# লেখক কেতিয়াও মৌন হৈ বহি থাকিব নোৱাৰে

**দেশখন কেৱল আমি গঢ়িছো বুলি ভবা মানুহবোৰ কোনো কালে আদৰণীয় হ'ব নোৱাৰে। ইমান বিশাল দেশখন কেৱল এমুঠি মানুহে গঢ়া নাই, সেই কথা কোনেও ভুলতো ভবা উচিত নহয়। দল সলনি কৰা অগভীৰ, ক্ষমতালোভী মানুহবোৰক দেশে সময়ে সময়ে উচিত শাস্তি প্ৰদান কৰিয়ে আছে। কিন্তু তথাপি বহুতৰে মনলৈ সেই ভাবটো অহাই নাই। অপৰাধবোধও কৰা নাই। ই বৰ দুৰ্ভাগ্যজনক**





অৱলোকন

**ৰামচন্দ্ৰ চুতীয়া**

**গৰুৱে** ঘাঁহ পাগুলে আৰু লেখকেও প্ৰয়োজনৰ খাটিৰত চিন্তনৰ দ্বাৰা একেবোৰ কথাকে লিখি থাকে বুলি ক'লে কোনো ক্ষুণ্ণ হ'ব নালাগে।পুৱাৰ পৰা সন্ধ্যালৈকে গৰুৱে মুখৰ আগত যি পায় তাকে পেটত ভৰাই থয় আৰু সময় পালে, আজৰি সময়ত গছৰ ছাঁত বা গোহালিত শুই শুই ঘাঁহ পাগুলি থাকে। সেইটো এটা বৰ নয়নাভিৰাম দৃশ্য। সেইটো গৰুৰ ধৰ্ম, ভগৱান-প্ৰদত্ব গুণ। ঘোঁৰা বা মানুহৰ দৰে খোৱাৰ কামটো ঘপাঘপে গিলি একেবাৰতে সমাপ্ত কৰি নথয়, আজৰি পৰত ধীৰে-স্থিৰে সেই কামটো কৰি পৰম তৃপ্তিত সমাধা কৰে। আমি লেখকবোৰে কাকতে-পত্ৰে মাজে-সময়ে একেবোৰ কথাকে লিখি থাকো, পাগুলি থাকো, লেখকসকলৰ তেনে কামত কিছুমান পাঠক বোধহয় বিৰক্ত হৈ পৰে। লেখকসকলে তেনে নকৰিলে সমাজে একেদিনাই নিজকে সংযত কৰি, সঠিক পথত চলিবলৈ আগ নাবাঢ়িবও পাৰে। কেতিয়াবা দৰকাৰী কথা একোটাও চকুত নপৰে অথবা আন কেতিয়াবা দেখি থকা কথা-কাণ্ড একোটাও চকুৱে নেদেখিব পাৰে।মানুহৰ সেই স্বভাৱৰ বৰে বিজ্ঞাপন দাতাই একেটা কথাকে সহস্ৰবাৰ নানান উপায়েৰে সমাজলৈ আগবঢ়াই থাকে। সেইদৰেই লেখকসকলেও সমাজত বাৰে বাৰে একেবোৰ নঘটিব লগীয়া ঘটনাকে ঘটি থকা দেখিলে বা আন কোনোবাই উদ্দেশ্য প্ৰণোদিতভাৱে কৰি থকা দেখিলে পুনঃ পুনঃ একেবোৰ কথাকে লিখি প্ৰতিবাদ কৰিব লগা হয়। অলপ বহলাই কওঁ।

গণতান্ত্ৰিক দেশ এখনত চাৰি বা পাঁচ বছৰৰ বাবে দেশৰ জনতাই নিজৰ নেতা নিৰ্বাচন কৰি চৰকাৰ গঠন কৰি দেশ চলায়।আমাৰ দেশত সেই কামটো পাঁচ বছৰলৈ কৰা হয়। সংসদ আৰু বিধানসভাৰ একেটাই নিয়ম। এইটো এটা অতি সুন্দৰ ব্যৱস্থা। ইয়াত ৰজা-মহাৰজাৰ দিনৰ দৰে গাৰ জোৰত একো কাম নচলে, ৰাইজ অৰ্থাত ভোটাৰৰ ইচ্ছা বা অনিচ্ছাত দেশৰ নেতা নিৰ্বাচিত হয়।নেতা নিৰ্বাচন হোৱাৰ পাছত চৰকাৰ গঠন কৰাৰ পাছত দেশ চলায়।তেওঁলোক সকলো সময়তে বিনয়ী হৈ, দেশ তথা জাতিৰ কল্যাণকামী কাৰ্যসূচীত ব্যস্ত থাকিব লাগে।তাকে নকৰি কোনোবা স্বেচ্ছাচাৰী বা দাম্ভিক হৈ দেশ চলাবলৈ গ'লে হিতে বিপৰীত হয়। তেনে কৰিলে দেশবাসীয়ে মনোকষ্ট পায় আৰু পৰোক্ষভাৱে তেওঁলোকৰ স্বাধীনতাত হস্তক্ষেপ কৰা বুলি অনুভৱ কৰে।সেই সকলোবোৰ কথালৈ নজৰ ৰাখি মানৱ জাতিয়ে এই ব্যৱস্থাৰে আপোন দেশৰ শাসন ব্যৱস্থা সুচল কৰি লৈছে।ই বৰ ভাল কথা। গণতান্ত্ৰিক দেশত ইয়াতকৈ আন একো সুব্যৱস্থা নাই। মানুহে নিজৰ নেতা নিজে নিৰ্বাচন কৰি দেশ চলোৱা কামটো এটা সময়ত বৰ সহজ কাম নাছিল, মানুহৰ চিন্তাশীল সামাজিক ব্যৱস্থাইহে মানুহক তেনে সতঞ্জ কামত সহায় কৰিছে। আমাৰ দেশেই হওক বা আন দেশেই হওক, নেতাবোৰ সত? দায়িত্বশীল আৰু দূৰদৰ্শী হ'ব লাগে। তেওঁলোক যিহেতুকে দেশৰ নেতা, সেয়ে যি কোনো কাম কৰোতে আগলৈ-পাছলৈ চাই কথা ক'ব লাগে বা কাম কৰিব লাগে। বহুত সময়ত মহান নেতাই দেশৰ কামবোৰ সুচাৰু ৰূপে সমাধান কৰে আৰু তাৰ ফলত ৰাইজৰ পৰম মঙ্গল সাধিত হয়। ব্ৰিটিছৰ পৰা ক্ষমতা দখল কৰি লোৱাৰ পাছত দেশখনত আজিৰ দৰে প্ৰায় সকলো নেতাই আচৰণ নকৰিছিল। দেশ বুলিলে মান-সন্মান আৰু কোটি কোটি জনতাৰ কথা প্ৰায়ে সকলো সময়তে মনত ৰাখিছিল। নিৰন্ন-নিৰাহাৰী দৰিদ্ৰ মানুহেৰে ভৰি থকা দেশ এখনৰ দায়িত্বভাৰ লৈ সকলোৰে মংগল সাধন কৰা কামটো তেনেই সহজ নাছিল। ৰাস্তা-ঘাটহীন যোগাযোগ বিচ্ছিন্ন প্ৰায় বিশাল দেশখনৰ নাগৰিকৰ দুবেলা দুমুঠি খাবলৈ একালত ভড়ালত একোমুঠি অন্ন যোগাৰ নাছিল। যাতায়ত ব্যৱস্থা আজিৰ দৰে হ'বলৈ দেশখনক তিনিকুৰিৰো অধিক বছৰ লাগিছিল। সেইখিনি সময়তে দেশখনৰ নগৰে-চহৰে বা পৰ্বতে-ভৈয়ামে যিমানবোৰ যাতায়াতৰ সুব্যৱস্থা হৈছিল, সেয়া পৰম বিস্ময়কৰ কাহিনী। আজিৰ দৰে উন্নতমানৰ সা-সজুলি নাথাকিলেও হিমালয়ৰ দৰে সুউচ্চ পাহাৰ কাটি, দেশৰ সুৰক্ষাৰ সুৱন্দৰস্ত কৰাটো তেনেই সহজ কাম নাছিল। দেশখনতো আজিৰ দৰে সকলো সুব্যৱস্থাৰে দহ লক্ষৰো অধিক সেনাৰে সুসজ্জিত নাছিল। যুদ্ধ-বিমান নাছিলেই বুলিব পাৰি। আমাৰ জোৱানে ভৰিত এজোৰ জোতা পিন্ধিবলৈ আৰু শত্ৰুক আঘাত হানিবলৈ হাতত আজিৰ দৰে উন্নতমানৰ বন্দুক একোটাও নাছিল। হাফপেন্ট পৰিহিত ৰাজ্য-পুলিচবোৰৰ হাতত একোডাল বেত বা লাঠিয়েই যথেষ্ট আছিল। ভৰিৰ গাঁঠিটো ঢাকি পিন্ধিবলৈ লগত লংপেন্ট এটাও নাছিল। তথাপি তেওঁলোকে দেশত শান্তি বজাই ৰাখিছিল। এতিয়াৰ বহুত নেতাই সেইবোৰ কথা বুজি নাপায়। আগতে দন্দ-হাই লাগি মানুহ এটা মৰিলে, বা অস্বাভাৱিক মৃত্যু হ'লে মৃত শ এটা কঢ়িয়াবলৈ পুলিচে মানুহক গাঁৱৰ পৰা জোৰ কৰি লৈ যাব লগা হৈছিল। এতিয়াৰ প্ৰশাসনে সেইবোৰ কথা বুজি নাপায়, আনকি কিছুমান নেতাইও বুজি নাপায়। সঁচা কৈছো, দেশ আগতকৈ বহুত উন্নত হ'ল।

আজি-কালি মানুহবোৰৰ বৰকৈ অহংকাৰ বাঢ়িছে, নেতা, প্ৰশাসন আৰু ভিন ভিন সংগঠনবোৰে সকলো সময়তে যুদ্ধং দেহি মনোভাবেৰে থাকে। তেনেকৈতো দেশ প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে। এতিয়াৰ আটাইতকৈ জটিল ৰোগটো হ'ল, মিথ্যাচাৰ আৰু মিথ্যা প্ৰতিশ্ৰুতি। প্ৰতিটো কথাতে প্ৰত্যেকেই সোণৰ দেশ নিৰ্মাণ কৰাৰ কথা কয়, কামত কি ধৰণৰ কাম হয় তাক ৰাইজে দেখিয়ে আছে। দেশ এখন ভালকৈ চলাবলৈ পৰস্পৰক ভাল পাব লাগিব, পূৰ্বৰ কামৰ সমালোচনা হ'লেও ভাল ভাল কামবোৰৰ প্ৰশংসা হোৱা উচিত। এচামে সেই কামটো কৰিব নোখোজে, তেওঁলোক অকৃতজ্ঞ তথা অদূৰদৰ্শী। বিশ্বৰ ক'তো দেশ এখন একেদিনাই নিৰ্মিত নহয়, দেশ প্ৰগতিৰ পথত আগবাঢ়ে লাহে লাহে। সেই কথাটো আজিৰ দেশৰ মানুহে নুবুজাটো প্ৰশংসনীয় কথা নহয়। দেশখন কেৱল আমি গঢ়িছো বুলি ভবা মানুহবোৰ কোনো কালে আদৰণীয় হ'ব নোৱাৰে। ইমান বিশাল দেশখন কেৱল এমুঠি মানুহে গঢ়া নাই, সেই কথা কোনেও ভুলতো ভবা উচিত নহয়। দল সলনি কৰা অগভীৰ, ক্ষমতালোভী মানুহবোৰক দেশে সময়ে সময়ে উচিত শাস্তি প্ৰদান কৰিয়ে আছে। কিন্তু তথাপি বহুতৰে মনলৈ সেই ভাবটো অহাই নাই। অপৰাধবোধও কৰা নাই। ই বৰ দুৰ্ভাগ্যজনক। নিজকে ভাল বোলাবলৈ পূৰ্বৰ নেতা বা সমাজকৰ্মীক নিৰন্তৰ বেয়া বুলি কৈ থকা দস্তুৰটো আমাৰ দেশত বৰকৈ দেখা গৈছে। ই কোনো ভাল লক্ষণ নহয়। পূৰ্বতে কিবা নহ'বলগীয়া কাম হৈছিল যদি তাক চৰকাৰ আৰু বিৰোধী মিলি আলোচনা-বিলোচনাৰ মাজেদি সংশোধন কৰাহে উচিত কাম।দেশৰ কাৰণে প্ৰাণ বলি দিয়া মানুহক কোনো কাৰণতে এটাও বেয়া শব্দেৰে গালি-গালাজ কৰা উচিত নহয়। কৈছোৱে যে বেয়া কামৰহে সমালোচনা হ'ব লাগে, তাকে নকৰি দেশ নিৰ্মাণত প্ৰাণ আহুতি দিয়া মানুহক ককৰ্থনা কৰাটো অযুগুত।যি ঘৰে দেশ মাতৃৰ কাৰণে দেশৰ সীমাত, দেশৰ ভিতৰত সন্তান বলিদান কৰিছে, তেওঁলোকৰ বেদনা কিমান অসহনীয় তাক বুজিবলৈ সকলোৱে চেষ্টা কৰা উচিত। স্বাধীন দেশৰ সকলো সুবিধা লৈ অতীতলৈ ঘূৰি নোচোৱাটো বৰ দুখৰ বিষয়।

নিজকে দেশৰ কল্যাণকামী দেশপ্ৰেমী ৰূপে গঢ়িবলৈ মন গ'লে নিঃস্বাৰ্থভাৱে দেশৰ কাম কৰিব লাগিব। তাকে নকৰি দেশৰ সা-সম্পদ বেচি-কিনি, কোটি কোটি ধন ঋণ লৈ দেশ চলাবলৈ যোৱাটো উৎকৃষ্ট উপায় নহয়। নিজকে সুৰক্ষিত কৰিবলৈ, ক্ষমতা সদায় হাতত ৰাখিবলৈ সস্তীয়া উপায়েৰে জনসাধাৰণক হিতাধিকাৰী কৰি দেশৰ ঘোৰ অমংগল সাধন কৰিব নালাগে।

উচ্চতম ন্যায়ালয় আৰু ৰিজাৰ্ভ বেংকে বাৰে বাৰে সকিয়নী দিয়াৰ পাছতো চৰকাৰে সেইবোৰ কথালৈ সমূলি কাণ দিয়া নাই। চৰকাৰক এই কথাও কোৱা হৈছে যে চৰকাৰ অনতিপলমে সতৰ্ক নহ'লে দেশৰ অৰ্থনৈতিক অৱস্থাটো শ্ৰীলংকাৰ দৰে ভাগি পৰিব পাৰেই। এটা নিশ্চয়কৈ ভয়ঙ্কৰ সতৰ্ক বাণী। সকলোৱে জনা উচিত দেশ থকালৈকে নেতা, প্ৰশাসন আৰু জনসাধাৰণ থাকিব। মানুহৰ পৰকিতিবোৰ একেদিনাই সলনি নহয়। সেয়েহে লেখকে একেবোৰ কথাকে বাৰে বাৰেকৈয়ে থাকিব লাগিব, তাৰ বাবে বিৰক্তি প্ৰকাশ কৰি একো লাভ নাই। ভালক ভাল আৰু বেয়াক বেয়া বুলি কোৱাটো লেখকৰ এটা ধৰ্ম। দুৰ্যোধন, দুঃশাসন থাকিলেও সদায় ভীষ্ম, দ্ৰোৰ্ণ আৰু বিদুৰো থাকিব। তেওঁলোকৰ মৰণ হ'লেও মহাভাৰতৰ কাহিনীটো বিশেষকৈ আমাৰ দেশত কেতিয়াও শেষ হৈ নাযায়। ই সদায় থাকিব।

*ফোন ঃ ৭০৮৬২১৭৪২৫*

---

# ঈশ্বৰৰ অস্তিত্ব

## গণিতৰ পৰা 'মানৱচেতনা'লৈ সাক্ষ্যভিত্তিক যুক্তি

## বিশ্বব্ৰহ্মাণ্ডৰ ত্ৰিজগতীয় অস্তিত্বৰ কথা

**ড° খনীন চৌধুৰী**



*(গণিত-জগত, ভৌতিক-জগত আৰু মানৱচেতনা-জগত)*

**প্ৰশ্নটো** হৈছে-ঈশ্বৰ আছে নে নাই? এৰৈছ শতিকাটোৰ অতি উষ্ণ পৰিৱেশ জড়িত প্ৰশ্ন এটা। পশ্চিমৰ এটা সম্পৰীক্ষণত পোৱা তথ্য অনুসৰি—কোনো ধৰ্মীয় আনুগত্যৰ প্ৰতি দায়বদ্ধ নথকা আমেৰিকান শতকৰা ২৩ ভাগ। এইসকলৰ ভিতৰত ৩৩ শতাংশই ঈশ্বৰৰ ওপৰত বিশ্বাস নথকা। আমোদজনকভাৱে? ১১ শতাংশ পুনৰ বাঢ়িছে ২০০৭ৰ তুলনাত।

গণিতীয় সূত্ৰঃ ১৯৬০ত, প্ৰিন্সটন-পদাৰ্থবিজ্ঞানী আৰু পৰৱৰ্তী ন'বেল বঁটা-প্ৰাপক, ইউনে উইগনাৰে এটা প্ৰশ্ন তুলিছিল— আমি যিমানদূৰ জানো কি কাৰণেনো প্ৰকৃতি জগতখনে সদায়েই—গণিতৰ নীতি বা সূত্ৰ মানি ৰয়? ফিলিপ ডেভিছ, ৰিউবেন-হাৰ্ছে দিয়া যুক্তি অনুসৰি গণিতৰ স্থিতিটো 'জাগতিক-বাস্তৱতা'ৰ উৰ্ধ্বত।

'কেৱল নীতি আৰু ধাৰণাৰে সংপৃক্ত হৈ ৰোৱা' গণিতৰ এই স্বকীয় বৈশিষ্ট্যপূৰ্ণ পৃথিবীখনক আৱিষ্কাৰ কৰাটো গণিতজ্ঞসকলৰ কাম। আৰু এই পৃথিবীখনকেই পদাৰ্থবিদে ব্যৱহাৰৰ বাবে লয়— বৈজ্ঞানিক পদ্ধতিৰ নিয়মানুসৰি তেওঁলোকৰ সম্পৰীক্ষণত। পিছে এইখিনিতে লক্ষ্যণীয় যে আধুনিক গণিত সাধাৰণতে সূত্ৰাৱদ্ধ হয়— কোনো 'প্ৰাকৃতিক-পৰ্যবেক্ষণ সংঘটিত হোৱাৰ পূৰ্বে'! আজিৰ যুগৰ বহুতো গাণিতিক নিয়মৰ ভৌতিক-সদৃশতা অজ্ঞাত হৈয়েই ৰয়। উদাহৰণস্বৰূপে ১৯১৫ৰ আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদৰ কথাকে লোৱা হওক— ইয়াৰ ভেঁটিটো আছিল তত্বগত গণিত। ৫০ বছৰৰ পূৰ্বে বিকাশ লভা মহান গণিতিজ্ঞ বাৰ্ণহাৰ্ড ৰাইমানৰ দ্বাৰা। আৰু ইয়াৰ বৌদ্ধিক সৃষ্টিৰ সময়খিনিত কোনো কাৰ্যক্ষেত্ৰৰ প্ৰয়োগ জ্ঞাত হোৱা নাছিল। কোনো ক্ষেত্ৰত পদাৰ্থবিজ্ঞানীয়েও গণিত আৱিষ্কাৰ কৰে। আইজাক নিউটন আছিল এজন ১৭ শতিকাৰ পদাৰ্থবিজ্ঞানী আৰু মহান গণিতজ্ঞ। যিজনে সহায় বিচাৰিছিল এক গণিত উলিয়াবলৈ বুলি, যিয়ে ভৱিষ্যতবাণী কৰিব পাৰিব-সৌৰজগতৰ কৰ্মপদ্ধতিৰ। তেওঁ ইয়াক বিচাৰি পাইছিল মহাকৰ্ষণৰ গাণিতিক সূত্ৰৰ মাজত— যাৰ ভেঁটিটো ৰৈ আছিল তেওঁ আৱিষ্কাৰ কৰা কলন-গণিতৰ মাজত।

সেই সময়ত বহুতো মানুহে আদিতে নিউটনৰ সিদ্ধান্তক নাকচ কৰিছিল, কাৰণ এইবোৰক ৰহস্যাবৃত তথা অতি প্ৰাকৃত যেন বোধ হৈছিল। সৌৰজগতৰ দুটা দূৰৈৰ বস্তু কেনেকৈনো পৰস্পৰে আকৰ্ষিত হ'ব পাৰে— কোনো এক সুস্পষ্ট গাণিতিক নিয়মানুসৰি? সঁচাকৈয়ে নিউটনে এক কষ্টসাধ্য চেষ্টা আৰোপ কৰিছিল তেওঁৰ জীৱনকালত, ইয়াৰেই এক প্ৰকৃতিগত ব্যাখ্যা দিবলৈ বুলি, কিন্তু অন্তত তেওঁ ক'বলগীয়া হৈছিল, এইখিনিয়েই যে ই ঈশ্বৰৰেই ইচ্ছা মাথোন।

আধুনিক পদাৰ্থবিজ্ঞানৰ বিপুল অগ্ৰগতি সত্ত্বেও, অতি নগন্যখিনিহে সলনি হৈছে এই ক্ষেত্ৰত। উইগনাৰে লিখাৰ দৰে 'প্ৰকৃতি-বিজ্ঞানৰ ক্ষেত্ৰখনত গণিতৰ বিপুল উপকাৰিতাখিনি ৰহস্যৰ ওপৰত কিবা সীমনা-জড়িত যেন আৰু এইখিনিতেই ইয়াৰ কোনো নিৰসনীয় ব্যাখ্যা নাই। অন্য ভাষাত, ই লয় মাথোন, এক অস্তিত্বৰ স্থিতি। সেয়া হৈছে একধৰণৰ ঈশ্বৰ এজনৰ। সেইজনেই সাব্যস্ত কৰি থয় বিশ্বব্ৰহ্মাণ্ডখনৰ বোধগম্যতাৰ গাণিতিক ভেঁটিটোক।

২০০৪ৰ কথা। ব্ৰিটিছ পদাৰ্থবিজ্ঞানী ৰোজাৰ পেনৰোজে আগবঢ়াইছিল এখন বিশ্বব্ৰহ্মাণ্ডৰ ধাৰণা— যি গঠিত হৈছে তিনিখন স্ব-অস্তিত্ব জড়িত হৈ থকা জগতেৰে 'গণিত-জগত', 'ভৌতিক-জগত' আৰু 'মানৱচেতনা-জগত'।

পেনৰোজে মানি লৈছিল যে ই এক সম্পূৰ্ণ সাঁথৰ যেন তেওঁৰ বাবে। কোনো বৈজ্ঞানিক বা আন তেনে পৰম্পৰাগত যৌক্তিক সজ্জাৰ বাহিৰত থাকি কেনেকৈনো এই তিনি পৰস্পৰ সক্ৰিয় হৈ ৰয়? কেনেকৈনো 'ভৌতিক-অণু আৰু পৰমাণুৱে' সৃষ্টি কৰি ল'ব পাৰে, কিবা এটাক? যিটোৰ কোনো ভৌতিক অস্তিত্ব নাই অথচ ই এক সুকীয়া ক্ষেত্ৰত স্থিতি লৈ আছে।

এয়া বিজ্ঞানৰ বাহিৰৰ এক ৰহস্য যেন। ই প্লেটোৰ গ্ৰীক জগতৰ দৃষ্টিভংগীৰ স'তে একে। ইয়াত বিশ্বাস কৰা হৈছিল যে বিমূৰ্ত-ধাৰণাসমূহ 'মুঠৰ ওপৰত গণিতীয়' পোনতে অস্তিত্ব লৈ থাকে যিকোনো ভৌতিক-বাস্তৱৰ বাহিৰত। জাগতিক জগতখন, যিখনৰ আমি অভিজ্ঞতা লভো, আমাৰ মানৱ-অস্তিত্বৰ এক অংশৰূপে, সেয়া এক অশুদ্ধ প্ৰতিফলনহে, এইসমূহ পূৰ্ব ফৰ্মেল আদৰ্শৰ। প্ৰাচীন গ্ৰীক দৰ্শন পণ্ডিত আয়ান-মুল্লাৰে 'গণিত আৰু দৈৱ' শীৰ্ষক গ্ৰন্থত লিখাৰ দৰে—এই সমূহ আদৰ্শৰ বাস্তৱতা হৈছে ঈশ্বৰক লৈ। সঁচাকৈয়ে ২০১৪ত মাছাচুছেটছ-ইনষ্টিটিউট অফ' টেকন'ল'জিৰ পদাৰ্থবিজ্ঞানী ম্যাক্স-টেগমাৰ্কে যুক্তি দিছে তেওঁৰ 'আমাৰ গণিতীয় ব্ৰহ্মাণ্ড'ত ('আৱাৰ মেথেমেটিকেল য়ুনিভাৰ্ছ') অত যে গণিত হৈছে বাস্তৱ-মৌলিকজগতখন, যিয়ে বিশ্বব্ৰহ্মাণ্ডখনক চলাই নিয়ে। কোৱা হয় গণিতে সক্ৰিয় হৈ ৰৈছে এক 'ঈশ্বৰ-সদৃশ' ঠাঁচত।

ইয়াতে মানৱ-চেতনাৰ ৰহস্যটোৱে ভুমুকি মাৰিছে। মানৱ চেতনাৰ কৰ্মকাণ্ডখিনিও একেদৰে যাদুকৰী। গণিতৰ সূত্ৰসমূহৰ লেখীয়া চেতনাৰ কোনো ভৌতিক-উপস্থিতি নাই জগতখনত। আমাৰ চেতনাত ভাবমূৰ্তি আৰু চিন্তাৰ কোনো মাপনীয় মাত্ৰা নাই।

তথাপি আমাৰ অনাভৌতিক চিন্তাখিনিয়ে কেনেবা কৰি নিৰ্দেশনা দিয়ে, ভৌতিক মানৱ শৰীৰটোৰ ক্ৰিয়া-কাণ্ডক। এখন ভিন্ন ভৌতিক জগতৰ কৰ্মখিনিক অনাভৌতিক গণিতীয় সজ্জাৰে নিৰ্ণয় কৰিবলৈ বুলি, এয়া ৰহস্যময়ী সক্ষমতাৰ বিপৰীতে বৈজ্ঞানিকভাৱে ব্যাখ্যা নহয়।

সৌ সিদিনালৈকে, বৈজ্ঞানিকভাৱে ব্যাখ্যাৰ বাহিৰত থকা মানৱ সচেতনতাৰ গুণখিনি বাধাপ্ৰাপ্ত হৈছিল অতি পাণ্ডিত্যপূৰ্ণ আলোচনাৰে বিষয়টোৰ ওপৰত। ১৯৭০ৰ পৰা পিছে ই হৈ পৰিছিল দাৰ্শনিকসকলৰ মাজৰ অনুসন্ধানৰ এক গুৰিধৰা ক্ষেত্ৰ।

১৯৯১ত এগৰাকী প্ৰধান স্তৰৰ নাস্তিকতাবাদী ডেনিয়েল ডেন্নেটে মানি লৈছিল যে মানৱ চেতন মনৰ অনাভৌতিক জগতখনক অস্তিত্ব বিজড়িত কৰি, তেওঁৰ নিজৰ বৈজ্ঞানিক বস্তুবাদক তেওঁ সংগঠিত কৰি ল'ব পৰা নাছিল। 'চেতনা' ধৰ্মটোকেই নাকচ কৰি উঠি তেওঁ এক লেখৰ খোজ দিছিল।

এই সকলোখিনিকেই অসম্ভৱ বুলি পাই—অধিক লোকেই কোৱাৰ দৰে, আন এগৰাকী খ্যাত দাৰ্শনিক থমাছ নাগেলে ২০১২ লিখিলে— 'মানৱৰ স্থিতিৰ বিষয়টোক বুজিবলৈ বুলি, বৈজ্ঞানিকভাৱে ব্যাখ্যাতীত মানৱ-সচেতনতাৰ চম্ভালি ল'ব নোৱৰা চৰিত্ৰটোক লৈ, এটা সম্পূৰ্ণ ভেঁটি হিচাপে আমি 'ৰৈজ্ঞানিক' বস্তুবাদক পাছত থৈ এৰি আহিব লাগিব।'

এগৰাকী নাস্তিকতাবাদী হিচাপে এক গত্যন্তৰ হিচাপে নাগেলে ধৰ্মীয় বিশ্বাসক, আগবঢ়াই নিদিয়ে সেয়া ঠিক। পিছে, এনে এক যুক্তি দিয়া হয়, যে মানৱচেতনাৰ অতি-প্ৰাকৃতিক ক্ষমতাখিনিয়ে এজন অতি-প্ৰাকৃতিক ঈশ্বৰৰ অস্তিত্বৰ এক সম্ভাৱনাৰ ভেঁটি যোগ কৰি দিয়ে।

এই সকলোবোৰৰ মাজত দৃষ্ট হৈ ৰোৱা-বিৰৰ্তন আৰু বিশ্বাসৰ প্ৰভাৱখিনিকো অলপ চালি-জাৰি চোৱা হওক।

বিৱৰ্তনক কোনো কোনো জাতিৰ ৰাজহুৱা জীৱনত এক বিতৰ্কিত বিষয় হিচাপে লোৱা হয়। ৯৮ শতাংশ বিজ্ঞানীয়ে 'বিজ্ঞানৰ অগ্ৰসৰতাৰ আমেৰিকান সংগঠন' বিশ্বাস কৰে, মানৱ বিকশিত হৈছে সময়ে ঢুকি পোৱাৰ আগেয়েই। বিপৰীতে লঘিষ্ঠ-সংখ্যকেহে সম্পূৰ্ণকৈ গ্ৰহণ কৰে যে ই সংঘটিত হৈছে প্ৰাকৃতিক বাছনিৰে।

প্ৰাকৃতিক জৈৱিক বিৱৰ্তনৰ ওপৰত কোনো প্ৰশ্ন নুতুলিলেও, এক মনযোগী কথা হৈছে, পেছাদাৰী বিৱৰ্তনীয় জীৱবিজ্ঞানীসকলৰ ক্ষেত্ৰত চলি থকা যুক্তিৰ ধাৰাখিনি।

বিৱৰ্তনীয় তত্বৰ এক বুজন সংখ্যক বিকাশে পৰম্পৰাগত ডাৰউইনবাদক প্ৰত্যাহ্বান জনাইছে। যোগ্যজনে অস্তিত্ব লৈ ৰোৱাটোক পৰৱৰ্তী নব্য-ডাৰউইনবাদে গুৰুত্ব প্ৰদান কৰিছে, যাদৃচ্ছিক জেনেটিক আৰু ক্ৰমভিত্তিত ঘটি ৰোৱা বিকশিত-বাছনিৰ।

১৯৭০ৰ পৰা হাৰ্ভাৰ্ডৰ ক্ৰমবিকাশীয় জীৱবিজ্ঞানী ষ্টিফেন জেয় গোউডৰ মতটোৱে এক বিতৰ্ক আনি দিয়েঃ 'যতি পৰা সাম্যাৱস্থাই ধীৰ গতি দিয়ে ডাৰউইনৰ জীৱ প্ৰজাতিৰ ক্ৰমবিকাশত।'

২০১১ত চিকাগো বিশ্ববিদ্যালয়ৰ জীৱবিজ্ঞানী জেম'ছ' ছেপিৰোৱে কয়, উদ্ভিদ আৰু প্ৰাণী জগতে নিজাববীয়াকৈ এক উদ্দেশ্যধৰ্মী 'বোধক্ষম'তাৰে চালিত হৈ ৰ'লেও, লক্ষ্যণীয়ভাৱে বহুতো 'অণু-বিৱৰ্তনীয় প্ৰণালী' কৰ্মক্ষম হৈ ৰয়। জীৱিত প্ৰাণী বা উদ্ভিদ জগতৰ নিজা নিজা বংশগতিৰ পৰিৱৰ্তন ক্ষমতা বিষয়ত ইহঁতৰ, সামৰ্থ্যখিনি অনস্বীকাৰ্য। আমাৰ প্ৰচলিত বিৱৰ্তনীয় ধাৰণাৰ স'তে ক্ৰমবিৱৰ্তনৰ এই মূলগত ধাৰণাখিনি সংযোগ কৰিব লাগিব।

আমেৰিকান এছ'চিয়েছন ফৰ-এডভান্সমেন্ট অফ চায়েন্সে আঙুলিয়াই দিয়া দৰে ফ্ৰ'যান্সিচ'-কলিন্সৰ দৰে কিছুসংখ্যক বিজ্ঞানীৰ মতে, ঈশ্বৰ-বিশ্বাস আৰু ক্ৰমবিকাশৰ সমসাময়িক তত্বটো মানি লোৱাত কোনো বাধা নাই। ক'ব খোজে যে ক্ৰমবিকাশীয়-জীৱবিজ্ঞানৰ সদ্যতম বিকাশে ঈশ্বৰৰ অস্তিত্বৰ সম্ভাৱনাটো বঢ়াই তুলিছে।

একে সময়তে আৰু এক বিস্ময়কৰ ধাৰণায়ো ঠাই পায়। কমেও অতীতৰ ১০,০০০ বছৰত, মানৱ-অস্তিত্বৰ বিষয়ত অতি লক্ষ্যণীয় পৰিৱৰ্তনখিনি সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত পৰিচালিত হৈছে আৰু ই সংঘটিত হৈ ৰৈছে মানৱৰ চিন্তা তথা ধাৰণাৰ সন্দৰ্ভত। ৮০০ৰ পৰা ২০০ খ্ৰীষ্টপূৰ্বৰ কালটোত বৌদ্ধবাদ, কনফুচিয়াছবাদ, প্লেটো-এৰিষ্টটলৰ দৰ্শন, আৰু হিব্ৰু ওল্ড টেষ্টামেন্টকে ধৰি পৃথিৱীত বিভিন্ন চিন্তা ধাৰণাই পোখা মেলিছিল। এইসমূহৰ আৱিৰ্ভাৱ হৈছিল আশ্চৰ্যজনকভাৱে প্ৰায় সমসাময়িক কালত-ভাৰত, চীন, পুৰণি গ্ৰীচ, মধ্যপ্ৰাচ্যৰ ইহুদীসকলৰ মাজত। সেয়া ঘটিছিল প্ৰায় পৰস্পৰ কোনো ধৰণৰ আন্তঃসম্পৰ্ক নোহোৱাকৈয়ে।

সোতৰ শতিকাৰ ইউৰোপৰ বৈজ্ঞানিক প্ৰণালীৰ বিকাশখিনি আৰু ইয়াৰ আধুনিক পৰৱৰ্তী অগ্ৰসৰতাখিনিৰো আছে বিশ্বক সলনি কৰি লোৱা ফলপ্ৰসুতাৰ এক মহতিতম থুপ। এইবোৰৰ আছে বহুতো ঐতিহাসিক তত্ত্ব। পিছে আধুনিক জগতখনৰ উত্থানৰে মৌলিক পৰিৱৰ্তনৰ সংঘটনখিনিক ব্যাখ্যা কৰিবলৈ ই সমৰ্থৱান নহয়। ই আছিল মানৱ চিন্তাৰ এক বিপ্লৱ সদৃশ। ই কৰ্মক্ষম হৈ ৰয় বহিঃ কোনো ব্যাখ্যাৰ বাবে, যাৰ ভেঁটিটো আছে প্ৰণালীটোক চলাই লৈ যোৱা বৈজ্ঞানিক বস্তুবাদত।

এই সকলোবোৰ আচৰিত কথা-কাণ্ড ঘটিছিল মানৱ-মনৰ সচেতন ক্ৰিয়াৰ ভিতৰতেই ভৌতিক বাস্তৱতাৰ বাহিৰত ক্ৰিয়াজড়িত হৈ আৰু এইবোৰেই যৌক্তিক সাক্ষ্য দিয়ে— এনে এক সিদ্ধান্তৰ বাবে যে মানৱ-প্ৰাণী সজা হৈছে 'ঈশ্বৰেই-প্ৰতিবিম্ব'ত।

ভিন ভিন প্ৰাৰ্থনাৰ পয়োভৰৰ কথাখিনিৰে আমি আমাৰ আলোচনাৰ মোখনি মাৰিবলৈ লৈছোঁ। ২০০৫ত কেনিয়ন কলেজত আমেৰিকান ঔপন্যাসিক ডেভিড ফষ্টাৰ ৱালেছে কৈছিল ঃ 'প্ৰতি মানুহেই প্ৰাৰ্থনাৰত।' কথাটো হৈছে, কিনো প্ৰাৰ্থনা কৰি ৰোৱা হৈছে। মাৰ্ক্সে যদিওবা ধৰ্মক সমালোচনা কৰিছে ইয়াৰ ভ্ৰমৰংগতাক লৈ, পিছে মাৰ্ক্সৰ অনুসৰণকাৰীসকলে মাৰ্ক্সবাদৰ প্ৰতিয়েই প্ৰাৰ্থনাৰত হৈ থকা বুলি কোৱা হয় । আমেৰিকান দাৰ্শনিক আলাছডেইৰ মেকইনটায়াৰে লিখিছিল যে কুৰি শতিকাত মাৰ্ক্সবাদৰ অত্যধিকখিনি আছিল 'এক ঐতিহাসিক উত্তৰাধিকাৰীৰ' লেখীয়া যেন—যি দাবী কৰে এই পৃথিবীতেই সৰগ ৰচনাৰ এক শুদ্ধ পথ বুলি। এনেকৈয়ো পাৰংগতসকলে ক'ব খোজে— মাৰ্ক্সবাদ আৰু আন তেনে 'অৰ্থনৈতিক-ধৰ্মবোৰ' আধুনিক যুগটোৰ অত্যুত্তম বৈশিষ্ট্য হিচাপে দেখা দিছিল। এনেদৰেও কোৱা হয় যে, খ্ৰীষ্টিয়ানিটি মাৰ যোৱা নাই, বিপৰীতে ই পুনঃ দৃষ্ট হৈছে 'ধৰ্মনিৰপেক্ষ ধৰ্মৰ' ৰেশেৰে।

জুদাইজিমৰ পৰা স্ফূৰণ হোৱা খ্ৰীষ্টীয় সাৰটোৱে দেখুৱায় আৰু ভাবিবলৈ বুলি এক সূচল আনি দিয়ে যে, আধুনিক যুগটোৰ এনেধৰণৰ ক্ষমতা বৰ্তাই ৰখা—বহুতো অসাধাৰণ ৰাজনৈতিক, বৌদ্ধিক আৰু আন বৈপ্লৱিক পৰিৱৰ্তনৰ মাজতো 'ঈশ্বৰ অস্তিত্বৰ কথাটো এক অতি সম্ভৱপৰ কথা'।


*ফোন ঃ ৮৭৫৩০৮০৩২৭*


---

**ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই**

# ডিব্ৰুগড়! ডিব্ৰুগড়!

**বিশ্বজিৎ বৰুৱা**






**শ্ৰীমন্ত** শংকৰদেৱ-মাধৱদেৱ মহাপুৰুষ দুজনাই নিৰ্মাণ কৰি থৈ যোৱা অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ভেটিটোত যেন দ্বিতীয়টো বৰখুঁটা স্থাপন কৰিছিল ক্ষণজন্মা মহান পুৰুষ জ্যোতিপ্ৰসাদ আগৰৱালাই। একেধাৰে কবি-গীতিকাৰ-সুৰকাৰ-নাট্যকাৰ-সাহিত্যিক-চলচ্চিত্ৰ নিৰ্মাতা-অসমৰ অৰ্থনীতিৰ ভেটিস্বৰূপ চাহ খেতিয়ক, এহাতেদি ৰূপকোঁৱৰ, অন্যহাতেদি বিপ্লৱী গণশিল্পী, মুক্তিযুঁজাৰু জ্যোতিপ্ৰসাদ বিৰাজমান নাছিল কোনখন ক্ষেত্ৰত ভাবিলে আচৰিত লাগে। ডিবৰুপাৰ ধন্য হৈছিল অসমীয়া জাতি-ভাষা-সাহিত্য-সংস্কৃতিৰ অন্যতম জনক স্বৰূপ জ্যোতিপ্ৰসাদৰ ১৯০৩ৰ ১৭ জুনত ডিবৰু নদীৰ কাষৰীয়া তামোলবাৰী চাহ বাগিচাত জন্মগ্ৰহণেৰে। পিতৃ পৰমানন্দ আৰু মাতৃ কিৰণময়ীৰ গৰ্ভত তামোলবাৰী চাহ বাগিচাত জন্মগ্ৰহণ কৰা জ্যোতিপ্ৰসাদ যেন সঁচায়ে আছিল অসমৰ ভাষা-সাহিত্য-সংস্কৃতি জগতৰ এক উজ্জ্বল জ্যোতিষ্ক। জন্মৰ মুহূৰ্তত কোনেনো বাৰু ভাবিব পাৰিছিল যে চাহ খেতিয়ক পৰমানন্দৰ পত্নী কিৰণময়ীৰ গৰ্ভত ডিবৰুপাৰত জন্মগ্ৰহণ কৰা এই শিশুটিয়েই মাত্ৰ ৪৭ বছৰৰ জীৱন পৰিক্ৰমাৰে কেৱল নিজৰ পৰিয়ালটোকেই নহয়, বৰঞ্চ এজাক স্নিগ্ধ জোনাকৰ দৰেই পোহৰাই তুলিব সমগ্ৰ অসমখনিক, সমগ্ৰ অসমীয়া জাতিক। বৰদেউতাক আনন্দ চন্দ্ৰ আগৰৱালা আৰু খুৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ এই কণমানি ভতিজাটোৱেই যে ডিবৰুৰ পাৰৰ পৰা গৈ এদিন সমগ্ৰ অসমকে উজ্বলাই তুলিব সেই আশা নিশ্চয় কোনোবাই নকৰা নহয়, নহ'লেনো কিয় নাম থ'ব জ্যোতি! জ্যোতিপ্ৰসাদ!!

চাহ বাগিচাৰ সেউজ উমাল পৰিৱেশত একলা-দুকলাকৈ বাঢ়ি যোৱা জ্যোতিষ্ক ১৯২১ত মেট্ৰিক পৰীক্ষাত কৃতকাৰ্য হোৱাৰ পাছত পৰিয়ালৰ সদস্যসকলে আলোচনা কৰি অৰ্থনীতিৰ শিক্ষাগ্ৰহণে পৰিয়ালৰ ব্যৱসায় বিস্তাৰত প্ৰভূত পৰিমাণে সহায় কৰিব বুলি আশা কৰি সেই সময়ৰ অৰ্থনীতি শিক্ষাৰ বিশ্বজোৰা খ্যাতি থকা এডিনবাৰ্গলৈকে পঠোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। সেই মৰ্মেই ১৯২৬ৰ পৰা ১৯৩০লৈকে জ্যোতি এডিনবাৰ্গত থাকিল যদিও ১৯৩০ত পাঠ্যক্ৰম সম্পূৰ্ণ নকৰাকৈ জাৰ্মানীলৈ আহি চলচ্চিত্ৰ নিৰ্মাণ সম্পৰ্কীয় যথেষ্ট জ্ঞান আহৰণ কৰি অসমলৈ ঘূৰি আহে। সেই সময়ত তেওঁ মহাত্মা গান্ধীৰ স্বৰাজ আন্দোলনৰ স'তে জড়িত হৈ পৰে আৰু গান্ধীজীৰ 'ডু অৰ ডাই' (কৰেংগে য়া মৰেংগে) শ্ল'গানেৰে উদ্বুদ্ধ হৈ শান্তি বাহিনী আৰু মৃত্যু বাহিনী গঠন কৰি স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰে। অসমৰ প্ৰথমগৰাকী মহিলা মুক্তি ছহিদ কনকলতা বৰুৱা জ্যোতিয়ে গঠন কৰা স্বেচ্ছাসেৱক বাহিনীৰে সদস্য আছিল। স্বৰাজ আন্দোলনত জড়িত হোৱাৰ শাস্তি স্বৰূপে তেওঁক ব্ৰিটিছ ৰাজত্বই ১৫ মহীয়া কাৰাবাসৰ দণ্ডাদেশ দিয়ে। ১৯৩৩ত জ্যোতিয়ে তেজপুৰৰ কাষৰীয়া তেওঁলোকৰ যুটীয়া পৰিয়ালৰে চাহ বাগিচা ভোলাগুৰিত এটি ষ্টুডিঅ' স্থাপন কৰি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ কাহিনীৰ আধাৰত 'জয়মতী' চলচ্চিত্ৰখনি নিৰ্মাণ কৰি উলিয়ায়। ১৯৩৪ত তেওঁ 'জয়মতী'ৰ নিৰ্মাণ আৰু কাৰিকৰী কামখিনি লৈ অতিপাত ব্যস্ত হৈ থাকে আৰু ১৯৩৫ত গুৱাহাটীৰ কেলভিন চিনেমা হলত 'জয়মতী'ৰ প্ৰথম প্ৰদৰ্শনীৰে ভাৰতবৰ্ষৰ এই অসূৰ্য্যস্পৰ্শা অঞ্চলটোৰ পৰা অসমীয়া চলচ্চিত্ৰ তথা সাংস্কৃতিক আন্দোলনৰ জয়ধ্বজা উৰুৱাবলৈ সক্ষম হয়। ১৯৩৬ত তেওঁ ডিবৰুপাৰলৈ ওভতে আৰু ডিবৰুপাৰৰে দেৱযানী ভূঞাৰ স'তে বিবাহপাশত আৱদ্ধ হয়। জ্যোতি আৰু দেৱযানীৰ যুগ্ম জীৱন বৃদ্ধি হয় দুটি পুত্ৰ আৰু পাঁচজনী কন্যা সন্তানেৰে। কিছুদিন ব্যৱসায় আৰু পাৰিবাৰিক কৰ্মব্যস্ততাৰ মাজেদিও অনিৰ্বাণ হৈ চলি ৰয় তেওঁৰ কলম, লগে লগে আগবাঢ়ে দ্বিতীয়খন অসমীয়া চলচ্চিত্ৰ 'ইন্দ্ৰমালতী'ৰ কাম।

তেজপুৰত থকা সময়ৰ জ্যোতিপ্ৰসাদ আৰু ডিবৰুত থকা জ্যোতিপ্ৰসাদৰ মাজত ক্ৰমাগতভাৱে বিশেষকৈ ভাববাদী দৰ্শনত যথেষ্ট পৰিৱৰ্তন অহা লক্ষ্য কৰা যায়। ফুল-তৰা-গান-প্ৰেমক উপজীব্য হিচাপে লৈ সাহিত্য-সংস্কৃতি চৰ্চাত নিমগ্ন জ্যোতিজন যেন ডিবৰুপাৰত লাহে লাহে পৰিৱৰ্তন হ'বলৈ আৰম্ভ কৰিলে। সুন্দৰৰ পূজাৰী জ্যোতিপ্ৰসাদৰ মাজত ক্ৰমান্বয়ে বিপ্লৱী চিন্তা-চৰ্চাই প্ৰাধান্য পাবলৈ ধৰিলে। ১৯৪২ৰ গান্ধীবাদী আন্দোলনত গা এৰা দিয়া জ্যোতিপ্ৰসাদে অনুভৱ কৰিবলৈ ধৰিলে কংগ্ৰেছী চাক-চিক্যৰ আঁৰত এচাম নেতাৰ ব্যক্তিগত স্বাৰ্থান্ধতা। যিজন জ্যোতিয়ে গান্ধীবাদক প্ৰশংসা কৰি নিজেও স্বৰাজ আন্দোলনত জড়িত হৈ পৰিছিল, সেইজন জ্যোতিৰ মাজতে যেন দেখা গ'ল চিন্তাৰ উত্তৰণ। কমিউনিষ্ট আন্দোলনৰ অংশ হিচাপে গঠন কৰা ভাৰতীয় গণনাট্য সংঘৰ তেওঁ ৰাজ্যিক সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি কমিউনিষ্ট ভাবোদ্দীপক লেখা প্ৰকাশ কৰিবলৈ ধৰিলে। কমিউনিষ্ট আন্দোলনৰ অগ্ৰণী বিষ্ণুৰাভাৰ স'তে গঢ়ি উঠিল বন্ধুত্ব, দধি মহন্তৰ সম্পাদনাত প্ৰকাশিত 'নতুন অসম' কাকতত লিখিবলৈ আৰম্ভ কৰিলে আৰু কংগ্ৰেছ দলত দেখা সুবিধাবাদীৰ পয়োভৰ দেখি স্বতঃস্ফূৰ্তভাৱে তেওঁৰ কলমেৰে নিগৰিল— 'সাৱধান সাৱধান/সুবিধাবাদীৰ দল/' তোৰ মিছা হ'ব কৌশল/ ৰাইজৰ তই সেৱা চুৰ কৰি/ বঢ়াব খুজিছ বল/ সাৱধান সাৱধান/ সুবিধাবাদীৰ দল। এক ডজন গল্প, সাতখন প্ৰেম-ভালপোৱা উপজীব্য নাটক লিখা জ্যোতিয়ে লিখিলে— বিশ্ব বিজয় ন-জোৱান, অসমীয়া ছোৱালীৰ উক্তি, গাঁৱৰে জীয়ৰী, অসমীয়া ডেকাৰ দৰে তেজ উদ্বেলিত কৰা কবিতা। ক্ৰমে 'ৰূপকোঁৱৰ' জ্যোতিপ্ৰসাদতকৈ 'গণশিল্পী' জ্যোতিপ্ৰসাদ যেন সাধাৰণ জনতাৰ মাজত অধিক জনপ্ৰিয় হৈ উঠিল। 'জয় হাতুৰীৰ জয়' কবিতাৰ প্ৰকাশে পৰিষ্কাৰ কৰিলে তেজপুৰৰ জ্যোতিজন হেৰাই গ'ল, য'ত চিন্তাৰ উত্তৰণেৰে থিয় হ'ল এজন সাম্যবাদী জ্যোতি।




সেই সময়তে ডিবৰুৰ চাহ বাগিচাত জ্যোতিপ্ৰসাদৰ পৃষ্ঠপোষকতাতে গণনাট্য সংঘৰ শিল্পীসকলে মঞ্চস্থ কৰিলে বিখ্যাত চাহ মজদুৰ নেতা দাৰ্জিলিঙৰ ৰতনলাল বাৰ্মিজৰ দ্বাৰা লিখিত নাটক 'বদলা লেনা'। বাংগৰু চাওৰা নামৰ এজন শ্ৰমিকৰ হত্যাৰ ঘটনাৰে পটভূমিত লিখিত 'বদলা লেনা' নাটক মঞ্চস্থ হোৱাৰ সময়ত ডিব্ৰুগড়ত হৈছিল এক অভূতপূৰ্ব ঘটনা। (আগলৈ)

*ফোন ঃ ৯৪৩৫০২৮০০৮*



## চিকিৎসাৰ বাবে বিদেশলৈ যাব ছোনিয়া, সংগী হ'ব ৰাহুল-প্ৰিয়ংকা


**নিউজ ব্যুৰ' নতুন দিল্লী, ২৪ আগষ্ট ঃ** চিকিৎসা গ্ৰহণৰ বাবে বিদেশলৈ যাবলৈ সাজু হৈছে কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধী। ছোনিয়াৰ স'তে বিদেশলৈ যাব পুত্ৰ ৰাহুল গান্ধী আৰু কন্যা প্ৰিয়ংকা গান্ধী ভদ্ৰাও। কংগ্ৰেছে এই কথা প্ৰকাশ কৰিছে। অৱশ্যে চিকিৎসাৰ বাবে গান্ধী পৰিয়ালৰ সদস্যকেইজনে কোন দেশলৈ যাব সেই কথা দলে সদৰী কৰা নাই। কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে এক বিবৃতিত এইদৰে কয়, 'শাৰীৰিক পৰীক্ষাৰ বাবে কংগ্ৰেছ সভানেত্ৰী বিদেশলৈ যাব। নতুন দিল্লীলৈ ওভতাৰ পূৰ্বে ছোনিয়াই তেওঁৰ অসুস্থ মাতৃকো সাক্ষাৎ কৰিব। ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী ভদ্ৰাও কংগ্ৰেছ সভানেত্ৰীৰ স'তে যাব।'

## তৃণমূল কংগ্ৰেছৰ ২৫ শতাংশ চোৰ, বাকীসকল ডকাইত, আক্ৰমণ শুভেন্দুৰ




**নিউজ ব্যুৰ', কলকাতা, ২৪ আগষ্ট ঃ** তৃণমূল কংগ্ৰেছৰ দুজনকৈ প্ৰভাৱশালী নেতা দুৰ্নীতিৰ গোচৰত গ্ৰেপ্তাৰ হোৱাৰ পাছত এটাৰ পাছত আন এটা বিস্ফোৰক মন্তব্য প্ৰকাশ কৰি আহিছে তৃণমূল কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰা শুভেন্দু অধিকাৰীয়ে। দুৰ্নীতিসহ একাধিক অনিয়মৰ প্ৰসংগত তৃণমূল কংগ্ৰেছক কঠোৰ সমালোচনা কৰা শুভেন্দুৱে আকৌ এবাৰ মমতা বেনাৰ্জী নেতৃত্বাধীন ৰাজনৈতিক দলটোক তীব্ৰ কটাক্ষ কৰিলে। তৃণমূল কংগ্ৰেছৰ সকলো নেতাই চোৰ এই তত্ত্ব অস্বীকাৰ কৰি শুভেন্দুৱে কয়, 'তৃণমূল কংগ্ৰেছৰ ২৫ শতাংশ চোৰ আৰু বাকী ৭৫ শতাংশ হৈছে ডকাইত।' উল্লেখ্য যে তৃণমূল কংগ্ৰেছৰ নেতা তথা কলকাতাৰ মেয়ৰ ফিৰহাদ হাকিমে অলপতে মন্তব্য কৰি কৈছিল, 'পাৰ্থ চেটাৰ্জীয়ে যি কৰিলে তাৰ বাবে আমি লজ্জিত। মই পাৰ্থক জনা নাছিলো। কিন্তু তৃণমূলৰ সকলো চোৰ নহয়।' হাকিমৰ এই মন্তব্যকে কটাক্ষ কৰি শুভেন্দুৱে কয় যে তৃণমূল কংগ্ৰেছৰ নেতাজনে ঠিক কথাই কৈছে, তেওঁলোকৰ সকলো চোৰ নহয়, তৃণমূল কংগ্ৰেছৰ ২৫ শতাংশ নেতাহে চোৰ, বাকীসকল ডকাইত।

## আমেৰিকাত ১৩০ জন ভাৰতীয়ক গুৰুত্বপূৰ্ণ পদত নিয়োগ বাইডেনৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৪ আগষ্ট ঃ** ভাৰত-আমেৰিকাৰ দ্বিপাক্ষিক সম্পৰ্কক অধিক শক্তিশালী কৰিলে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে। নতুন অভিলেখ ৰচি ১৩০ জন ভাৰতীয় বংশোদ্ভূতক প্ৰশাসনৰ গুৰুত্বপূৰ্ণ পদত নিযুক্তি দিলে মাৰ্কিন ৰাষ্ট্ৰপতিয়ে। আমেৰিকাৰ প্ৰশাসনৰ প্ৰায় প্ৰত্যেকটো বিভাগতে গুৰুত্বপূৰ্ণ পদত ভাৰতীয় বংশোদ্ভূতক স্থান দিলে বাইডেনে। বাইডেনৰ পূৰ্বসূৰী ড'নাল্ড ট্ৰাম্পৰ কাৰ্যকালত মাৰ্কিন প্ৰশাসনত নিযুক্ত ভাৰতীয়মূলৰ নাগৰিকৰ সংখ্যা আছিল ৮০ জন। প্ৰসংগত উল্লেখ্য যে আমেৰিকাৰ ৰাজনীতিত ভাৰতীয় মূলৰ মাৰ্কিন নাগৰিকৰ গুৰুত্ব বৃদ্ধি পাইছে।

## কাশ্মীৰ সীমান্তত অনুপ্ৰৱেশৰ অপচেষ্টা চলাই মাইন বিস্ফোৰণত খণ্ড-বিখণ্ড হ'ল দুই জেহাদী



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ২৪ আগষ্ট ঃ** জম্মু-কাশ্মীৰত পাকিস্তানী সন্ত্ৰাসবাদীৰ অনুপ্ৰৱেশৰ অপচেষ্টা পুনৰ ব্যৰ্থ হ'ল। নিয়ন্ত্ৰণ ৰেখাত ভাৰতীয় সেনাই পুতি ৰখা মাইনত ভৰি দিয়াৰ লগে লগে খণ্ড-বিখণ্ড হ'ল দুই সন্ত্ৰাসবাদীৰ দেহ। এই ঘটনাৰ পাছত পাকিস্তান সীমান্তত নিৰাপত্তা অধিক কটকটীয়া কৰি তোলা হৈছে। সেনাৰ সূত্ৰৰ খবৰ অনুসৰি, জম্মুৰ ৰাজৌৰীত কালি নিয়ন্ত্ৰণ ৰেখাত পাকিস্তানৰ ফালৰ পৰা দুজন সন্ত্ৰাসবাদীয়ে ভাৰতৰ ভূমিত অনুপ্ৰৱেশৰ অপচেষ্টা চলোৱাৰ ঘটনা সেনাই প্ৰত্যক্ষ কৰিছিল। নিয়ন্ত্ৰণ ৰেখাৰ পৰা ভাৰতত প্ৰৱেশ কৰাৰ লগে লগে উক্ত অঞ্চলত ভাৰতীয় সেনাই পুতি ৰখা মাইনত সন্ত্ৰাসবাদীয়ে ভৰি দিয়াৰ লগে লগে উক্ত মাইনৰ বিস্ফোৰণ হৈছিল। ফলত ঘটনাস্থলীতে দুই পাকিস্তানী সন্ত্ৰাসবাদী নিহত হ'ল।

## পুনৰ কৰ'না আক্ৰান্ত হ'ল অমিতাভ



**নিউজ ব্যুৰ', মুম্বাই, ২৪ আগষ্ট ঃ** বলিউডৰ মহাতাৰকা অভিনেতা অমিতাভ বচ্চন পুনৰ কৰ'নাত সংক্ৰমিত হ'ল। যোৱা নিশা টুইট কৰি নিজে অনুৰাগীসকলক এই কথা অৱগত কৰিলে বৰ্ষীয়ান অভিনেতাজনে। অৱশ্যে আকৌ এবাৰ ক'ভিড সংক্ৰমিত হোৱাৰ পাছত সম্প্ৰতি অভিনেতাজন ঘৰতে নিভৃতবাসত আছে নে চিকিৎসাধীন হ'ল, সেই কথা প্ৰকাশ কৰা নাই। এক টুইটত মঙলবাৰে নিশা অমিতাভে এইদৰে লিখে, 'মই কৰ'না পৰীক্ষা কৰাইছিলো। ফলাফল 'পজিটিভ' হ'ল। সম্প্ৰতি যিসকল লোক মোৰ সংস্পৰ্শলৈ আহিছিল অনুগ্ৰহ কৰি তেওঁলোকে ক'ভিড পৰীক্ষণ কৰাই ল'ব।' ২০২০ বৰ্ষতো অমিতাভ ক'ভিড সংক্ৰমিত হৈছিল।

### কনজাৰভেটিভ দলৰ ভিতৰচ'ৰাত থকা সংঘাতৰ কথা প্ৰথমবাৰলৈ ৰাজহুৱা কৰিলে ঋষি ছুনকে

## অনিচ্ছা সত্ত্বেও নেতাৰ কথা মানি ল'ব লাগে ঃ অভিযোগ ঋষিৰ

**নিউজ ব্যুৰ' লণ্ডন, ২৪ আগষ্ট ঃ** ব্ৰিটিছ প্ৰধানমন্ত্ৰীৰ নিৰ্বাচনত ভাৰতীয় মূলৰ ব্ৰিটিছ নাগৰিক তথা কনজাৰভেটিভ দলৰ নেতা ঋষি ছুনকৰ জয়ৰ সম্ভাৱনা তেনেই সীমিত বুলি ব্ৰিটেইনৰ একাধিক নিৰ্বাচন সমীক্ষকে দাবী কৰি আহিছে। অহা পাঁচ ছেপ্টেম্বৰত কনজাৰভেটিভ দলৰ সদস্যই ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰীক ভোটযোগে নিৰ্বাচন কৰিব। ব্ৰিটেইনৰ সংবাদ মাধ্যমৰ লগতে সৰহসংখ্যক নিৰ্বাচন সমীক্ষকে প্ৰকাশ কৰা অনুসৰি কনজাৰভেটিভ দলৰ ভোটত ঋষিৰ প্ৰতিদ্বন্দ্বী লীজ ট্ৰাছৰ জয়ৰ যথেষ্ট সম্ভাৱনা আছে। যদিহে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী পদৰ যুঁজত ঋষি ব্যৰ্থ হয়, তেন্তে তেওঁৰ ৰাজনৈতিক ভৱিষ্যৎ কি হ'ব বুলি প্ৰশ্ন উত্থাপিত হৈছে। এই সন্দৰ্ভত ৰেডিঅ'ৰ এক অনুষ্ঠানত প্ৰশ্নৰ উত্তৰ দি কনজাৰভেটিভ দলৰ প্ৰধানমন্ত্ৰীৰ পদপ্ৰাৰ্থী ঋষিয়ে কয়, 'বিগত কে'বা বছৰ ধৰি চৰকাৰত থাকি মই এটা কথা উপলব্ধি



কৰিছো। ইচ্ছা নাথাকিলেও ডাঙৰ নেতাৰ স'তে সহমত প্ৰকাশ কৰিব লগা হয়। এই বিষয়টো মোৰ বাবে বৰ কঠিন। এনে পৰিস্থিতিৰ মই আৰু সন্মুখীন হ'ব নিবিচাৰো।' এই বিস্ফোৰক মন্তব্য প্ৰকাশ কৰাৰ পাছত প্ৰধানমন্ত্ৰীৰ পদত অধিষ্ঠিত হ'ব নোৱাৰিলে ঋষিয়ে কনজাৰভেটিভ দল ত্যাগ কৰিব নেকি বুলি প্ৰশ্ন উত্থাপিত হৈছে। এনে মন্তব্যৰে ঋষিয়ে কনজাৰভেটিভ দলৰ ভিতৰচ'ৰাত থকা সংঘাতৰ কথাও প্ৰথমবাৰলৈ ৰাজহুৱা কৰিলে। ৰাজনৈতিক বিশ্লেষকৰ মতে, অৰ্থনীতি সন্দৰ্ভত কোনো জনমোহিনী নীতি গ্ৰহণ কৰিব নোৰৰাত ঋষিয়ে প্ৰধানমন্ত্ৰীৰ পদৰ যুঁজত প্ৰতিদ্বন্দ্বীতকৈ সম্প্ৰতি পিছপৰি আছে। এই সন্দৰ্ভত ঋষিয়ে কয়, 'মই সততাৰে নিৰ্বাচনত জিকিব বিচাৰো। শুনিবলৈ ভাল লাগিব, এনে প্ৰতিশ্ৰুতি মই নিদিওঁ। বৰঞ্চ যি কথা দেশৰ মানুহে শুনা প্ৰয়োজন, সেই কথাহে মই সকলোকে অৱগত কৰিব বিচাৰো।'



## দেশত কৰ'নাৰ দৈনিক সংক্ৰমণ পুনৰ ১০ হেজাৰৰ উৰ্ধ্বত, মৃত্যু ৩৬ জনৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৪ আগষ্ট ঃ** একেৰাহে দুদিন ধৰি দেশৰ দৈনিক ক'ভিড সংক্ৰমণৰ ৰেখাচিত্ৰ নিম্নমুখী হ'লেও যোৱা ২৪ ঘণ্টাত দেশত পুনৰল ১০,৬৪৯ জনলৈ বৃদ্ধি পালে। মঙলবাৰে আক্ৰান্তৰ সংখ্যা আছিল ৮৫৮৬ জন। যোৱা ২৪ ঘণ্টাত মহাৰাষ্ট্ৰত ১৯১০, কৰ্ণাটকত ১৪৬৫, দিল্লীত ৯৫৯ আৰু কেৰালাত ৯০৭ জন লোক ক'ভিড সংক্ৰমিত হ'ল। ইফালে, এই মাৰাত্মক ভাইৰাছত আক্ৰান্ত হোৱা ৩৬ জন ৰোগীৰ যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত মৃত্যু হ'ল। দিল্লীত নজন, মহাৰাষ্ট্ৰত সাতজন, কেৰালাত চাৰিজন, পঞ্জাৱত তিনিজন ক'ভিড ৰোগীৰ বিগত এদিনত মৃত্যু হ'ল।

## ছিছ'দিয়াক বিজেপিৰ প্ৰত্যাহ্বান, আপুনি সাৰি যাব নোৱাৰিব

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ আগষ্ট ঃ** দিল্লী চৰকাৰৰ আৱকাৰী নীতিক লৈ সৃষ্টি হোৱা বিতৰ্কই অধিক জটিল ৰূপ ধাৰণ কৰিলে। সুৰা কেলেংকাৰিৰ অভিযোগত দিল্লীৰ উপ-মুখ্যমন্ত্ৰী মনীষ ছিছ'দিয়াক এইবাৰ প্ৰত্যাহ্বান জনালে বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰাই। এখন সংবাদমেলত আজি বিজেপিৰ মুখপাত্ৰজনে ছিছ'দিয়াক প্ৰত্যাহ্বান জনায়। পাত্ৰাই আৱকাৰী দুৰ্নীতিত অভিযুক্ত ছিছ'দিয়াক উদ্দেশি কয়, 'আপুনি সাৰি যাব নোৱাৰিব। দিল্লীত কোটি কোটি টকাৰ কেলেংকাৰি সংঘটিত হ'ল।



দিল্লীৰ আপৰ চৰকাৰে ইয়াৰ উত্তৰ দিব লাগিব। আম আদমী পাৰ্টিয়ে যুক্তিহীন কথাৰে মূল বিষয়ৰ পৰা দৃষ্টি আঁতৰোৱাৰ অপচেষ্টা চলাই আহিছে। মূল বিষয়টো হৈছে মনীষ ছিছ'দিয়াই কোটিটকীয়া কেলেংকাৰি সংঘটিত কৰিছিল নে নাই, এই বিষয়ত আপে কোনো স্পষ্ট উত্তৰ দিয়া নাই। মনীষ ছিছ'দিয়া আপুনি সাৰি যাব নোৱাৰিব। কিয়নো ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে যুঁজ দিয়া আৰু ভ্ৰষ্টাচাৰীক শাস্তি বিহাটো দেশৰ সংবিধানৰ দায়িত্ব। ছিছ'দিয়াজী, যি ভ্ৰষ্টাচাৰ আপুনি কৰিলে, তাৰ প্ৰমাণ মজুত আছে। তদন্ত চলি আছে।'

## তেজস্বীয়ে ক'লে ঃ বিজেপিৰ আছে তিনি জোঁৱাই, ইডি-চিবিআই-আইটি



**নিউজ ব্যুৰ', পাটনা, ২৪ আগষ্ট ঃ** বিহাৰ বিধানসভাত আজি আস্থাভোটত অংশ লৈ আৰ জে ডিৰ নেতা তথা বিহাৰৰ উপ-মুখ্যমন্ত্ৰী তেজস্বী যাদৱে বিজেপিক কঠোৰভাৱে সমালোচনা কৰিলে। তেজস্বীয়ে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআই আৰু ইডিৰ লগতে আয়কৰ বিভাগক বিজেপিৰ 'জোঁৱাই' অভিহিত কৰিলে। বিধানসভাত উপ-মুখ্যমন্ত্ৰীজনে বিজেপিক কটাক্ষ কৰি কয়, 'বিজেপিৰ তিনিজন জোঁৱাই আছে, ইডি, চিবিআই আৰু আয়কৰ বিভাগ। যিসকল ব্যক্তিয়ে শিৰনত নকৰে, তেনে ব্যক্তিৰ বিৰুদ্ধে বিজেপিয়ে এই তিনিটা প্ৰতিষ্ঠানক ব্যৱহাৰ কৰে। কিন্তু আমাক ইডি, চিবিআই আৰু আইটিৰ ভয় দেখুৱাই লাভ নাই।'

## ২৯ শতাংশ ষ্টেক্ ক্ৰয়ৰ ঘোষণা আদানীৰ, এনডিটিভিৰ বিষয়াই ক'লে, 'মই অৱগত নহয়'

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ আগষ্ট ঃ** এছিয়াৰ সবাতোকৈ ধনাঢ্য ব্যৱসায়ী-উদ্যোগপতি গৌতম আদানীয়ে এনডিটিভিৰ ২৯.১৮ শতাংশ অংশ (শ্বেয়াৰ) ক্ৰয় কৰাৰ যো-জা চলাইছে। কালি বিয়লি বেলা আদানী গ্ৰুপে এনডিটিভিৰ ২৯ শতাংশ ষ্টেক্ ক্ৰয়ৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিছিল। এ এম জি মিডিয়া নেটৱৰ্ক লিমিটেডৰ সহায়ক কোম্পানী ভি চি পি এলৰ জৰিয়তে আদানী গ্ৰুপে এনডিটিভিৰ পৰোক্ষভাৱে উক্ত ষ্টেক্ ক্ৰয়ৰ বাবে সাজু হৈছে। আদানী গ্ৰুপে এনডিটিভিৰ অতিৰিক্ত ২৬ শতাংশ অংশীদাৰীৰ বাবেও ২৯৪ টকা প্ৰতি শ্বেয়াৰ মূল্যৰ হিচাপৰে ৪৯৩ কোটি টকাত ক্ৰয়ৰ প্ৰস্তাৱ আগবঢ়াইছে। আদানীয়ে দেশৰ আগশাৰীৰ টেলিভিছন নিউজ চেনেলে এনডিটিভিৰ শ্বেয়াৰ ক্ৰয় কৰাৰ বাতৰি



প্ৰচাৰ হোৱাৰ পাছত দেশৰ সংবাদ জগতত ব্যাপক চাঞ্চল্য অব্যাহত আছে। অৱশ্যে আদানী গ্ৰুপৰ এনডিটিভিৰ শ্বেয়াৰ ক্ৰয়ৰ ঘোষণাৰ দুঘণ্টাৰ পাছত টিভি চেনেলটোৰ মুখ্য কাৰ্যবাহী বিষয়াই এইদৰে সামাজিক মাধ্যমত কয়, 'এই সন্দৰ্ভত মোৰ হাতত কোনো তথ্য নাই। আদানীয়ে সংবাদ মাধ্যমৰ ষ্টেক্ ক্ৰয় কৰাৰ বাতৰি চাঞ্চল্যকৰ। কিন্তু এই সন্দৰ্ভত মোক জনোৱা হোৱা নাই আৰু মোৰ স'তে কোনো কথা পতা হোৱা নাছিল।' উল্লেখ্য যে এনডিটিভিয়ে আদানী আৰু তেওঁৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্দৰ্ভত নানা অভিযোগ উত্থাপন কৰি একাধিক বাতৰি সময়ে সময়ে প্ৰচাৰ কৰিছিল। এনে এটা টেলিভিছন চেনেলৰ ২৯ শতাংশ ষ্টেক্ আদানীয়ে ক্ৰয় কৰাটো দেশৰ সংবাদ মাধ্যমৰ বাবে তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে।



## স্বদেশী প্ৰযুক্তিৰে তৈয়াৰী ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ ভাৰতৰ

**নিউজ ব্যুৰ', বালেশ্বৰ, ২৪ আগষ্ট ঃ** সম্পূৰ্ণ দেশীয় প্ৰযুক্তিৰে তৈয়াৰ কৰা হ্ৰস্ব দূৰত্বভেদী ক্ষমতাসম্পন্ন ভূমিৰ পৰা আকাশলৈ নিক্ষেপ কৰিব পৰা ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষা সম্পন্ন কৰিলে ভাৰতীয় প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (ডি আৰ ডি অ')ই। কালি ওড়িছাৰ চান্দিপুৰত থকা ক্ষেপণাস্ত্ৰ পৰীক্ষা কেন্দ্ৰৰ পৰা নিক্ষেপ কৰা স্বদেশী ক্ষেপণাস্ত্ৰটোৱে বংগোপসাগৰৰ আকাশত নিখুঁতভাৱে লক্ষ্যস্থানত আঘাত হানে। প্ৰতিৰক্ষা মন্ত্ৰণালয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ভূমিৰ পৰা আকাশলৈ নিক্ষেপ কৰিব পৰা অত্যাধুনিক প্ৰযুক্তিৰ এই ক্ষেপণাস্ত্ৰ সম্পূৰ্ণ থলুৱাভাৱে নিৰ্মাণ কৰা হৈছে। প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে এই সাফল্যৰ বাবে ডি আৰ ডি অ' আৰু ভাৰতীয় নৌসেনাক অভিনন্দন জনাই এইদৰে কয়, 'এই ক্ষেপণাস্ত্ৰই ভাৰতৰ নৌসেনাক অধিক শক্তিশালী কৰি তুলিব।'

## দেশত নাথাকিব 'টোলপ্লাজা', কেমেৰাই কাটি ৰাখিব পথকৰ ঃ ঘোষণা গাডকাৰীৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ আগষ্ট ঃ অচিৰে ভাৰতৰ সকলোবোৰ ৰাষ্ট্ৰীয় পথৰ পৰা প্ৰত্যাহাৰ কৰা হ'ব টোলপ্লাজা। কেন্দ্ৰীয় পথ আৰু পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে নতুন দিল্লীত আয়োজিত তৃতীয় পথ আৰু ৰাজপথ সন্মিলনত অংশ লৈ এই কথা ঘোষণা কৰি কয় যে আগন্তুক সময়ত ভাৰতত স্বয়ংক্ৰিয়ভাৱে টোলকৰ সংগ্ৰহ কৰা হ'ব। বৰ্তমানে টোলপ্লাজাৰ জৰিয়তে এই কৰ সংগ্ৰহ কৰা হয়। গাডকাৰীয়ে প্ৰকাশ কৰা অনুসৰি, আগন্তুক সময়ত টোলপ্লাজা পথত নাথাকিব আৰু ইয়াৰ পৰিৱৰ্তে কেমেৰাৰ জৰিয়তে গাড়ীৰ নম্বৰপ্লেট পঢ়ি স্বয়ংক্ৰিয়ভাৱে পথকৰ সংগ্ৰহ কৰা হ'ব। এই পদ্ধতি অৱলম্বন কৰিলে টোলগেটত যানজঁটৰ সমস্যাৰ সৃষ্টি নহ'ব বুলি গাডকাৰীয়ে আশা প্ৰকাশ কৰে। এই পদ্ধতি প্ৰয়োগ কৰাৰ বাবে যানবাহনৰ বৰ্তমানৰ নম্বৰপ্লেটসমূহ সলনি কৰিব লাগিব বুলি কেন্দ্ৰীয় মন্ত্ৰীজনে জানিবলৈ দিয়ে।**

## ঘৰত দুটাকৈ এ কে-৪৭ উদ্ধাৰ হোৱা কোন এই প্ৰেম প্ৰকাশ ? ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীৰে আছে কি সম্পৰ্ক ?

**নিউজ ব্যুৰ', ৰাঁচী, ২৪ আগষ্ট ঃ** ৰাঁচীত প্ৰেম প্ৰকাশ নামৰ এজন ঠিকাদাৰৰ ঘৰৰ পৰা প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি) বিষয়াই তালাচী চলাই দুটাকৈ এ কে-৪৭ ৰাইফল জব্দ কৰিলে। ঝাৰখণ্ডত প্ৰেম প্ৰকাশ এজন প্ৰভাৱশালী ব্যক্তি হিচাপে পৰিচিত আৰু ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনৰ ঘনিষ্ঠ হিচাপে জনাজাত। প্ৰকাশিত বাতৰি অনুসৰি, ঝাৰখণ্ডত আমোলা-বিষয়াৰ নিযুক্তি-বদলিকৰণৰ ক্ষেত্ৰতো প্ৰেম প্ৰকাশে হস্তক্ষেপ কৰি আহিছে। এক সময়ত ৰাজ্যখনৰ মধ্যাহ্ন ভোজন আঁচনিৰ বাবে কণীৰ যোগান ধৰা প্ৰেম প্ৰকাশে মাত্ৰ কেইমাহমানৰ ভিতৰতে ঝাৰখণ্ডত প্ৰভাৱশালী ব্যক্তি হিচাপে পৰিচিত হৈছিল। চাচাৰামৰ স্থায়ী বাসিন্দা প্ৰেম প্ৰকাশে মধ্যাহ্ন ভোজন আঁচনিৰ ঠিকাদাৰ হিচাপে জড়িত হোৱাৰ পাছত ঝাৰখণ্ডৰ তদানীন্তন মুখ্য সচিবৰ স'তে ঘনিষ্ঠতা স্থাপন কৰিছিল আৰু পৰৱৰ্তী সময়ত তেওঁ মুখ্যমন্ত্ৰীৰ প্ৰিয়পাত্ৰত পৰিণত হৈছিল। বৰ্তমানে ৰাঁচীৰ অশোক নগৰত থকা এপাৰ্টমেণ্টৰ পৰা প্ৰেম প্ৰকাশে বহু অবৈধ কাম-



কাজ পৰিচালনা কৰি অহা বুলি অভিযোগ আছে। এই এপাৰ্টমেণ্টত প্ৰেম প্ৰকাশে প্ৰায়ে নৈশ পাৰ্টিৰ আয়োজন কৰি আহিছে আৰু এনে পাৰ্টিত ঝাৰখণ্ডৰ প্ৰভাৱশালী ৰাজনৈতিক নেতা, মন্ত্ৰী, বিষয়াৰ লগতে সুন্দৰীয়ে অংশ লৈ আহিছে। ঝাৰখণ্ডত পিপি নামৰে পৰিচিত প্ৰেম প্ৰকাশৰ বিৰুদ্ধে ই ডিয়ে শেহতীয়াভাৱে অভিযান চলাই তেওঁৰ বাসগৃহৰ পৰা দুটাকৈ এ কে-৪৭ ৰাইফল আৰু যথেষ্ট পৰিমাণৰ গুলি জব্দ কৰাত ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে।

## কৰ্ণাটকৰ নিৰ্বাচনত প্ৰাৰ্থী হ'ব বিচাৰে এইজন ব্যৱসায়ীয়ে, সমষ্টিৰ বাবে দান কৰিব ৩৫০ কোটি টকা



**নিউজ ব্যুৰ', বাংগালুৰু, ২৪ আগষ্ট ঃ** কৰ্ণাটক বিধানসভাৰ নিৰ্বাচনত প্ৰাৰ্থী হিচাপে থিয় দিব বিচাৰে ইউছুফ শ্বৰীফ ওৰফে কেজিএফ বাবু নামৰে পৰিচিত এজন ব্যৱসায়ীয়ে। নিজৰ পৰিকল্পনা ৰূপায়ণৰ বাবে ইতিমধ্যে এখন ইস্তাহাৰো প্ৰকাশ কৰিলে ইউছুফে। নিৰ্বাচনত টিকট লাভ নকৰিলেও আগন্তুক পাঁচ বছৰত চিকপেট সমষ্টিত প্ৰায় ৩৫০ কোটি টকা দান কৰাৰ পৰিকল্পনাও গ্ৰহণ কৰিছে এইজন ধনাঢ্য ব্যৱসায়ীয়ে। কেজিএফৰ দাবী অনুসৰি ২০২২-২৭ বৰ্ষৰ সময়ছোৱাত চিকপেট সমষ্টিৰ প্ৰতিটো পৰিয়ালক তেওঁ ৫,০০০ টকাকৈ দান কৰিব। তদুপৰি অঞ্চলটোৰ বস্তিবাসীক ভূমিৰ বিনিময়ত বহুমহলীয়া আৱাসগৃহ নিৰ্মাণ কৰি দিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে ইউছুফে। উল্লেখ্য যে ২০২১ত বিধান পৰিষদৰ নিৰ্বাচনত বাংগালুৰু নগৰ কেন্দ্ৰ কংগ্ৰেছৰ টিকটত প্ৰতিদ্বন্দ্বিতা কৰি ইউছুফ ৩৯৭ ভোটত পৰাজিত হৈছিল। প্ৰকাশিত বাতৰি অনুসৰি ইউছুফৰ সম্পত্তিৰ পৰিমাণ হৈছে ১৭৪৩ কোটি টকা। চিকপেট সমষ্টিত বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ ইচ্ছা প্ৰকাশ কৰা ইউছুফক অৱশ্যে বৰ্তমানলৈকে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই সেউজ সংকেত দিয়া নাই। ইউছুফে ৩১ আগষ্টৰ ভিতৰত দলৰ পৰা সঁহাৰি লাভ কৰিব বুলি আশা কৰিছে। শিক্ষাৰ্থীক পাঁচ হেজাৰ টকাকৈ সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা বুলি জানিবলৈ দি ইউছুফে কয়, 'নিৰ্বাচনৰ কথা মনত ৰাখি মই ধনদান কৰা নাই। যি চিকপেটত মই ডাঙৰ-দীঘল হ'লো, এই অঞ্চলৰ বাসিন্দাক সহায় কৰা মোৰ উদ্দেশ্য। দীৰ্ঘদিন ধৰি মই সমাজ সেৱা কৰি আহিছো। এতিয়া সমাজক মই প্ৰতিদান দিব বিচাৰো।'

## মোদীৰ শাসনত দেশত হ্ৰাস পাইছে মাওবাদী কাৰ্যকলাপ ঃ দাবী শ্বাহৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ আগষ্ট ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শাসনত দেশত মাওবাদীৰ কাৰ্যকলাপ আৰু আক্ৰমণৰ ঘটনা হ্ৰাস পাইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই তথ্য সদৰী কৰি কয় যে ২০০৯ বৰ্ষত আৰক্ষী থানাত মাওবাদীয়ে ৯৬ টা আক্ৰমণ সংঘটিত কৰিছিল। ২০২১ বৰ্ষত দেশত এনে ঘটনা ৪৬ টালৈ হ্ৰাস পায়। শ্বাহে ভূপালত এখন সভাত অংশ লৈ এইদৰে কয়, 'উন্নয়নমূলক কাম-কাজৰ জৰিয়তে মাওবাদ প্ৰতিৰোধত যথেষ্ট ভাল ফল লাভ কৰা হৈছে। ২০০৯ বৰ্ষত দেশত মাওবাদীৰ কাৰ্যকলাপে শীৰ্ষত আৰোহণ কৰিছিল। উক্ত বৰ্ষত দেশজুৰি মাওবাদীয়ে ২২৫৮টা আক্ৰমণৰ ঘটনা সংঘটিত কৰিছিল। ২০২১ বৰ্ষত এনে ঘটনাৰ সংখ্যা ৫০৯টালৈ হ্ৰাস পায়। ২০০৯ বৰ্ষত মাওবাদীৰ আক্ৰমণত ভাৰতত ১০০৫ জন লোকৰ মৃত্যু হৈছিল। মাওবাদীৰ আক্ৰমণত দেশত মৃত্যু হোৱাৰ লোকৰ সংখ্যা ২০২১ বৰ্ষত ১৪৭ জনলৈ হ্ৰাস পাইছিল। মাওবাদী প্ৰভাৱিত অঞ্চলত বিগত তিনি বছৰত নতুনকৈ ৪০টা সেনাৰ শিবিৰ নিৰ্মাণ কৰা হৈছে।'

## ভাইৰেল ভিডিঅ' সন্দৰ্ভত যাদৱৰ অভিযোগ ঃ গাডকাৰীৰ নামত নিজৰ বিধায়কলৈ ফোন কৰাইছিল কেজৰিৱালে

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ আগষ্ট ঃ** দিল্লীৰ উপ-মুখ্যমন্ত্ৰী মনীষ ছিছ'দিয়া সম্প্ৰতি আৱকাৰী কেলেংকাৰিৰ অভিযোগত চি বি আইৰ জালত পৰিছে। এনে সময়তে ছিছ'দিয়াই দাবী কৰি কৈছে যে বিজেপিৰ পৰা তেওঁ দিল্লী চৰকাৰ ভংগ কৰাৰ বাবে এক প্ৰস্তাৱ লাভ কৰিছিল। বিজেপিয়ে দিল্লী চৰকাৰ ভংগ কৰাৰ বাবে নগদ ধন প্ৰদানৰ প্ৰস্তাৱ দিছিল বুলিও ছিছ'দিয়াই দাবী কৰিছে। ছিছ'দিয়াৰ এনে অভিযোগৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে আম আদমী পাৰ্টি (আপ)ৰ প্ৰাক্তন নেতা যোগেন্দ্ৰ যাদৱে। যাদৱে পৰমজিৎ কাটয়ালৰ এক পুৰণি



ভিডিঅ'ৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এই ঘটনাৰ সকলো তথ্য তেওঁৰ জ্ঞাত আছিল। যাদৱে টুইট কৰি কয়, 'পৰমজিতে সাত বছৰ পূৰ্বে এই ঘটনাৰ কথা মোক অৱগত কৰিছিল। তেতিয়া মই অনুসন্ধান চলাই সেই কথা সত্য বুলি নিশ্চিত কৰিছিলো। অৰবিন্দ কেজৰিৱালৰ নিৰ্দেশত ডিচেম্বৰ ২০১৩ত নিজ দলৰে বিধায়কলৈ বিজেপিৰ নামত ফোন কৰোৱা হৈছিল। এনে কাম-কাজৰ ফলতে আমাৰ আপৰ নেতৃত্বৰ প্ৰতি মোহভংগ হৈছিল।' পৰমজিতে উত্থাপন কৰা অভিযোগ অনুসৰি, কেজৰিৱালে নিজ দলৰ বিধায়কলৈ অৰুণ জেটলী, নীতিন গাডকাৰীৰ দৰে বিজেপিৰ জ্যেষ্ঠ নেতাৰ নামত দলত্যাগ কৰাৰ বাবে ফোনযোগে প্ৰস্তাৱ দিছিল।

# উৎকোচ লৈ দুৰ্নীতি নিবাৰকৰ জালত বিশ্বনাথৰ উপ-পঞ্জীয়ক কাৰ্যালয়ৰ ডিলিং সহায়ক

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/বিশ্বনাথ চাৰিআলি, ২৪ আগষ্ট ঃ** ঘোচখোৰ চৰকাৰী বিষয়াৰ বিৰুদ্ধে অসম আৰক্ষীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাই অব্যাহত ৰখা অভিযানত আজি পুনৰ এজন চৰকাৰী বিষয়া জালত পৰে। ধৃত বিষয়াজন বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ৰ কমপ্লেক্সত থকা উপ-পঞ্জীয়ক কাৰ্যালয়ৰ ডিলিং সহায়ক তপন সাহা বুলি বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান জিপি সিঙে সদৰী কৰিছে। উল্লেখ্য যে ভূমি পঞ্জীয়ন প্ৰক্ৰিয়া কৰণৰ বাবদ উৎকোচ দাবী কৰি গ্ৰহণ কৰাৰ সময়তে কৰ্মচাৰীজনক হাতে-লোটে কৰায়ত্ত কৰা হয় বুলি অভিযানকাৰী আৰক্ষীয়ে সদৰী কৰি কয় যে অভিযোগকাৰীৰ পৰা ধৃত সাহাই দুটা ভূমি পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ প্ৰতিটোত ৩৫শ টকাকৈ মুঠ সাত হেজাৰ টকা দাবী কৰিছিল। আজি দুপৰীয়া প্ৰায় ১২.০৫ বজাত ধৃতই অভিযোগকাৰীৰ পৰা ছহেজাৰ টকা ধন সংগ্ৰহ কৰোতেই হাতে-লোটে কৰায়ত্ত কৰা হয় বুলি আৰক্ষীয়ে সদৰী কৰে। সম্প্ৰতি ঘটনাৰ সন্দৰ্ভত তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাই দুৰ্নীতি প্ৰতিৰোধ আইন-১৯৮৮(২০১৮ত সংশোধিত)ৰ সাত(এ) ধাৰাৰ অধীনত ৩১/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰি ধৃতক জেৰা অব্যাহত ৰাখিছে। আনহাতে, দাবীকৃত উৎকোচ দিবলৈ অমান্তি প্ৰকাশ কৰাত ধৃত কৰ্মচাৰীজনে অভব্য আচৰণ কৰিছিল বুলি অভিযোগকাৰী ভৰত কলিতাই সদৰী কৰিছে।

## 'দৈনিক অগ্ৰদূতৰ' বাতৰিৰ প্ৰভাৱ

# অৱশেষত নগাঁও উন্নয়ন আয়ুক্ত উদয়াদিত্য গগৈক বদলি

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৩ আগষ্ট ঃ** নগাঁৱৰ বহু বিতৰ্কিত উন্নয়ন আয়ুক্ত উদয়াদিত্য গগৈক অৱশেষত ৰাজ্য চৰকাৰে বদলি কৰিবলৈ বাধ্য হয়। নগাঁৱৰ উন্নয়ন আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ত বিভিন্ন বিতৰ্কৰ সূচনা কৰা গগৈক ৰাজ্যৰ পাৰ্চনেল বিভাগে শেহতীয়াকৈ কালি এক নিৰ্দেশ যোগে প্ৰাথমিক শিক্ষা বিভাগৰ যুটীয়া সচিব হিচাপে বদলিৰ নিৰ্দেশ জাৰি কৰে। পাৰ্চনেল বিভাগে নং ঃ এএএ-৮-২০১৭-১১৭এ মৰ্মে উদয়াদিত্য গগৈক নগাঁৱৰ পৰা বদলি কৰাৰ বিপৰীতে উক্ত পদত গৌৰী শংকৰ শৰ্মাক স্থলাভিসিক্ত কৰিছে। উল্লেখ্য যে নগাঁও জিলাৰ উন্নয়ন আয়ুক্ত উদয়াদিত্য গগৈৰ বিৰুদ্ধে কেতবোৰ অনিয়মৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল। এই সন্দৰ্ভত 'দৈনিক অগ্ৰদূত'কে প্ৰমুখ্য কৰি একাংশ দৈনিক বাতৰি কাকতত সবিস্তাৰে প্ৰকাশ পাইছিল। এই বাতৰিৰ পাছতে নগাঁও জিলা প্ৰশাসনত তীব্ৰ জোকাৰণিৰ সৃষ্টি হোৱাৰ লগতে ৰাজ্য চৰকাৰে এক বিভাগীয় তদন্ত আৰম্ভ কৰিছিল। আনকি জিলাখনৰ প্ৰশাসনিক দিশত বিতৰ্কৰ সূচনা কৰা অসম অসামৰিক সেৱাৰ বিষয়া উদয়াদিত্য গগৈ নগাঁৱৰ উন্নয়ন আয়ুক্ত হৈ থকাৰ সময়ত নগাঁও আৱৰ্ত ভৱনৰ কোঠা দখল কৰি আন এক বিতৰ্কৰ সৃষ্টি কৰিছিল। উন্নয়ন আয়ুক্তৰ সমান্তৰালকৈ দুৰ্যোগ প্ৰশমন বিভাগৰ মুখ্য কাৰ্যবাহী বিষয়া, ৰাজহ আৰু পুনৰ সংস্থাপনৰ দৰে জিলাখনৰ গুৰুত্বপূৰ্ণ বিভাগৰো দায়িত্বত আছিল গগৈ। উল্লেখ্য যে ডিডিএমএ, ৰাজহ আৰু পুনৰ সংস্থাপন আদি বিভাগবোৰ জিলা প্ৰশাসনত অতিৰিক্ত উপায়ুক্তৰ হাতত ন্যস্ত থাকে যদিও বিগত সময়ত লোভনীয় এই বিভাগ উন্নয়ন আয়ুক্ত গগৈয়ে পদমৰ্যাদা অৱনমিত কৰি দখল কৰি আছিল। আনহাতে, নগাঁৱতে অতিৰিক্ত উপায়ুক্ত হৈ থকাৰ সময়তে উদয়াদিত্য গগৈয়ে পদোন্নতি লাভ কৰিছিল। পদোন্নতি লাভ কৰাৰ পিচত প্ৰভাৱ খটুৱাই গগৈয়ে নগাঁৱৰ উন্নয়ন আয়ুক্তৰ চকীত বহিছিল। উন্নয়ন আয়ুক্তৰ চকীত বহি জিলা প্ৰশাসনৰ সকলো লোভনীয় বিভাগত প্ৰভুত্ব খটুৱাই নিজৰ দখললৈ আনিছিল। অতিৰিক্ত উপায়ুক্তই সম্পাদন কৰিবলগা কাম উন্নয়ন আয়ুক্ত গগৈয়ে কৰিবলৈ লোৱাত প্ৰশাসনত চৰম বিশৃংখলতাই গা কৰিছিল। কামৰ অতিৰিক্ত বোজা বহন কৰিব লগা হোৱাত চৰকাৰী ফাইলত স্থবিৰতাই দেখা দিছিল।

# হোজাইত চিআৰপিএফৰ মহাপৰিদৰ্শক অসম আৰক্ষীৰ লগত সহযোগিতাৰে কাম কৰি যাম

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৪ আগষ্ট ঃ** 'আমি অসম আৰক্ষীৰ লগত আগতেও সহযোগ কৰিছো আগলৈকো কৰি যাম'। এই মন্তব্য এফ-৩৪ চিআৰপিএফৰ মহাপৰিদৰ্শক সুবজীৎ সিঙৰ। আজি তেওঁ হোজাইত উপস্থিত হৈ হোজাইৰ কাৰ্যালয়ৰ পৰিদৰ্শন কৰি সাংবাদিকৰ আগত এইদৰে মন্তব্য কৰাৰ লগতে কয় যে হোজাইত মাজতে কিছু বিক্ষিপ্ত ঘটনা ঘটাত এতিয়া ১৪৪ ধাৰা জাৰি হৈ আছে। হোজাই আৰক্ষী সহযোগত চিআৰপিএফৰ জোৱানসকলে ভাল কাম কৰি আছে বুলি হোজাইত কৰ্মৰত জোৱানসকলক প্ৰশংসা কৰে। তেওঁলোকে বিগত বানপানীৰ সময়ত বানাক্ৰান্ত ৰাইজৰ সহায় কৰি বহু লোকৰ জীৱন ৰক্ষা কৰাৰ লগতে 'ঘৰ ঘৰ ত্ৰিৰংগা'ৰ সময়ত ৰাইজক সজাগ কৰিবলৈ সমদল উলিওৱাৰ কথা সাংবাদিকৰ আগত প্ৰকাশ কৰাৰ লগতে হোজাইক সেউজীয়া কৰাৰ বাবে ঠায়ে ঠায়ে গছপুলি ৰোপণ কৰা হৈছে আৰু হ'ব বুলি কয়।

# হাব্ৰুবিল হাইস্কুলৰ সহকাৰী শিক্ষক আকবৰ প্ৰামাণিকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ২৪ আগষ্ট ঃ** গোসাঁইগাঁও সদৰ চহৰৰ সংলগ্ন অক্সিগুৰি গাঁও নিবাসী প্ৰয়াত আজমত প্ৰামাণিকৰ পুত্ৰ তথা হাব্ৰুবিল হাইস্কুলৰ সহকাৰী শিক্ষক আকবৰ প্ৰামাণিক (৫৬)ৰ আজি দুপৰীয়া পৰলোকপ্ৰাপ্তি ঘটে। জনপ্ৰিয় শিক্ষক প্ৰামানিক বিগত কিছুদিনৰ পৰা অসুস্থ অৱস্থাত থকাৰ পাছত আজি বিয়লি এক বজাত হঠাতে হৃদৰোগত আক্ৰান্ত হৈ নিজ গৃহতে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ খবৰ পাই অসংখ্য গুনমুগ্ধই তেওঁৰ গৃহত উপস্থিত হৈ গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত প্ৰামাণিকে পত্নী, দুগৰাকী পুত্ৰ, এজনী কন্যাসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

# মাজবাটত ইউপিপিএলৰ চাহ কোষৰ উদ্যোগত কৰম উৎসৱ পালনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**টংলা, ২৪ আগষ্ট ঃ** ওদালগুৰি জিলাৰ মাজবাটত ইউপিপিএলৰ চাহ কোষৰ উদ্যোগত আৰু মাজবাটবাসী ৰাইজৰ সহযোগত কৰম উৎসৱ পালনৰ প্ৰস্তুতি তুংগত চলিছে। জানিব পৰা মতে, যোৱা ২৩ আগষ্টত দিনৰ দুই বজাত মাজবাট পশু চিকিৎসালয়ৰ অতিথিশালাত ইউপিপিএলৰ চাহ কোষৰ কেন্দ্ৰীয় সভাপতি লালা স্মিথ কৰ্মকাৰৰ সভাপতিত্বত ইউপিপিএলৰ মাজবাট ব্লক সমিতিৰ কৰ্ম-কৰ্তা আৰু ইউপিপিএলৰ চাহ কোষৰ কৰ্ম-কৰ্তাসকলৰ উপস্থিতিত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। উক্ত সভাতে বিটিচিৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীক কৰম উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি, কাৰ্যকৰী সভাপতি লালা স্মিথ কৰ্মকাৰ আৰু সম্পাদক ওম প্ৰকাশ ভোইয়ৰক লৈ মুঠ ৫১ জনীয়া কৰম উৎসৱ উদ্‌যাপন সমিতি গঠন কৰা হয়। এই সভাত উপস্থিত থাকে ইউপিপিএলৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক স্বপন দাস, ওদালগুৰি জিলা ইউপিপিএলৰ সম্পাদক ৰবীন্দ্ৰ বসুমতাৰী, ইউপিপিএলৰ মাজবাট ব্লক সমিতিৰ সভাপতি ছবিন বসুমতাৰী, সম্পাদক নন্দলাল শৰ্মা, বিত্ত সম্পাদক ছোকেৰ গয়াৰী, ইউপিপিএলৰ কেন্দ্ৰীয় চাহ কোষৰ সাংগঠনিক সম্পাদক ৰোহিত তাঁতী, ভোলা পানিকা, মাজবাট ব্লক ইউপিপিএলৰ যুৱ শাখাৰ সভাপতি অমৰ ব্ৰহ্ম, সদস্য মহেশ বসুমতাৰী, ইউপিপিএলৰ ওৰাং চাহ বাগিচাৰ চাহ কোষৰ সভানেত্ৰী মালতী তাঁতী।

# স্থায়ী মুৰব্বীবিহীন দৰঙৰ পাঁচটাকৈ শিক্ষা বিভাগৰ কাৰ্যালয়

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৪ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে শেহতীয়াকৈ ৰাজ্যৰ শিক্ষাখণ্ডৰ আমূল সংস্কাৰ সাধন কৰিব বিচৰাৰ সময়তে জিলাই জিলাই বিভাগৰ বিভিন্ন কাৰ্যালয় মুৰব্বীবিহীন হৈ থকাৰ অভিযোগ উঠিছে। কাৰ্যতঃ বিভাগটো বাহিৰে ৰং চং, ভিতৰে কোৰাভাতুৰীত পৰিণত হৈছে। পৰিয়াল এটা মুৰব্বীৰ অৱৰ্তমানত সদস্যসকলৰ যিদৰে নাজল-নাথল অৱস্থাৰ সৃষ্টি হয়, তদ্ৰূপ পৰিস্থিতিৰ সৃষ্টি হৈছে দৰং জিলাৰ শিক্ষা বিভাগত। তাকো এটা দুটা নহয়, পাঁচটাকৈ গুৰুত্বপূৰ্ণ কাৰ্যালয়ত। উল্লেখ্য যে বিগত কে'বা বছৰে হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত শীৰ্ষস্থানসহ উৎকৃষ্ট ফলাফল দেখুৱাই অহা দৰঙৰেই শিক্ষা বিভাগটো অস্থায়ী মুৰব্বীৰে চলি আছে। জিলাখনত পূৰ্বৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক মাধৱ ডেকা আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়া জৰাহীৰা তবাচ্ছুমৰ বদৰিৰে পৰা উক্ত পদৰী দুটা খালী হৈ আছে। তাৰ পাছৰে পৰা ভাৰপ্ৰাপ্তৰ দ্বাৰা চলি আছে কাৰ্যালয় দুটাৰ কাম-কাজ। শেহতীয়াকৈ উপায়ুক্ত কাৰ্যালয়ৰ দণ্ডাধীশ তথা সহকাৰী আয়ুক্ত ৰিণি হাজৰিকাৰ ওপৰত এই দুটা দায়িত্বৰ লগতে প্ৰাপ্তবয়স্ক শিক্ষা আঁচনি, বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক আৰু সৰ্বশিক্ষা অভিযান মিছনৰ সমন্বয়কৰ দৰে গুৰুদায়িত্ব

## নগুৰ-নাগতি ভাৰপ্ৰাপ্ত বিষয়াৰ লগতে শিক্ষক সমাজৰ ঃ দীৰ্ঘদিনে পতা নাই শিক্ষা বিষয়াৰ পৰীক্ষা

জাপি দিয়া হৈছে। তদুপৰি তেওঁৰ ওপৰত ন্যস্ত আছে মঙলদৈ পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ গুৰুদায়িত্ব। ফলত বিভিন্ন কামত অহা শিক্ষক-কৰ্মচাৰীসকলে ভাৰপ্ৰাপ্ত বিষয়াজনক অলৌ-তলৌকে বিচাৰি ফুৰিব লগা হৈছে। এদিনৰ কামটোৰ বাবে তিনি-চাৰিদিন আহিব লগা হৈছে। একেদৰে সংশ্লিষ্ট বিভাগৰ কৰ্মচাৰীসকলেও ফাইলত চহী সংগ্ৰহৰ বাবে হাজৰিকাৰ পাছে পাছে ফাইলকেইটা টোপোলা বান্ধি লৰাধপৰা কৰি ফুৰিবলগীয়াত পৰিছে। কাৰণ বিষয়াজনে জিলা প্ৰশাসনৰ দায়িত্বত অ'ত-ত'ত দৌৰি থকাৰ লগতে শিক্ষা বিভাগৰ বিভিন্ন স্থানত থকা কাৰ্যালয়কেইটাত ভূমুকি দিব লাগে। সামগ্ৰিকভাৱে এনে পৰিস্থিতিত দৰঙৰ শিক্ষা বিভাগটো ত্বৰান্বিত হোৱাৰ পৰিৱৰ্তে এক ভেঁকোভাওনাতহে পৰিণত হৈছে। কাৰ্যালয়বোৰ চম্ভালি থকাত বিদ্যালয়সমূহ পৰিদৰ্শন কৰিবলৈ যোৱাতো দূৰতে বিদূৰ হৈ পৰিছে। ইপিনে, বিভিন্ন কাৰণত অহা শিক্ষক-কৰ্মচাৰীসকলে ত্ৰাহি মধুসূদন দেখিছে। আনহাতে, বিভাগটোৰ এক সূত্ৰই জনোৱা মতে, এই সমস্যা দৰঙতে নহয় অসমৰ ৫০ শতাংশ জিলাত চলি আছে। কিয়নো বহু বছৰ ধৰি চৰকাৰে অনুষ্ঠিত কৰা নাই বিদ্যালয়সমূহৰ সহকাৰী পৰিদৰ্শক, উপ-পৰিদৰ্শক, পৰিদৰ্শক আদি পদৰ পৰীক্ষা। ফলত ৫০ শতাংশ জিলাত ভাৰপ্ৰাপ্ত বিষয়াৰে টুলুং ভুটুংকৈ চলি আছে শিক্ষাৰ দৰে গুৰুত্বপূৰ্ণ বিভাগটো। জিলাখনৰ শৈক্ষিক সমাজে এই সমস্যাৰ শীঘ্ৰে সমাধান বিচাৰি চৰকাৰী পক্ষৰ দৃষ্টিগোচৰ কৰিছে।



*ছয়গাঁৱত দুৰ্গা পূজাৰ লাইখুঁটা স্থাপন, বুধবাৰে।*

# তামুলপুৰত সমগ্ৰ শিক্ষাৰ প্ৰশিক্ষণৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৪ আগষ্ট ঃ** টাটা ট্ৰাষ্টৰ চেন্টাৰ ফ'ৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাভলীহুডৰ উদ্যোগত আৰু সমগ্ৰ শিক্ষা, বাগ্‌সা জিলাৰ সহযোগত তামুলপুৰ ছোৱালী হাইস্কুলত তিনিদিনীয়া এক শিক্ষক প্ৰশিক্ষণৰ আজি সফল সামৰণি পৰে। বৰ্তমানৰ পৰিস্থিতিত ইংৰাজী ভাষাত ভাব বিনিময়ৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত ইংৰাজীত কথা-বতৰা পতা কৌশলৰ বিকাশৰ বাবে কিদৰে বিভিন্ন প্ৰযুক্তি ব্যৱহাৰ কৰি পাঠদান কৰিব পাৰি তাৰ বিষয়ে প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণত বাগ্‌সা জিলাৰ ৩৫ খন হাইস্কুলৰ ৩৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ দিয়ে 'টাটা ইনষ্টিটিউট অৱ ছ'চিয়েল ছায়েন্স' মুম্বাইৰ অধ্যাপক ড° অনুশা ৰামনাথনে । টাটা ট্ৰাষ্টৰ হৈ উপস্থিত থাকে ক্ষেত্ৰীয় প্ৰৱন্ধক কন্দৰ্প কলিতা আৰু আঁচনি প্ৰৱন্ধক জনক বড়োৰে।

# গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তাৰ তদৰ্থ কমিটী গঠন ঃ স্মাৰ্ট মিটাৰ বয়কটৰ প্ৰস্তাৱ গ্ৰহণ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৪ আগষ্ট ঃ** গোৱালপাৰা জিলা কৃষি প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত বিদ্যুৎ উপভোক্তাসকলৰ আজি এখন সজাগতা সভা অনুষ্ঠিত হয়। আব্দুল খালেক মণ্ডলৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি আব্দুল হায়ে কয় যে গোৱালপাৰা চহৰত স্মাৰ্ট মিটাৰৰ নামত এপিডিচিএলে গ্ৰাহকসকলক মাৰধৰ শোধাই আছে। সভাখনত বামপন্থী নেতা ননী দাস, আমছু নেতা আমিনুল হক চৌধুৰী, গোৱালপাৰা জিলাৰ যুৱ নেতা আবু বক্কৰ ছিদ্দিক, আতাউৰ ৰহমান, জাকিৰ হুছেইন আদিকে ধৰি বহু কে'বাগৰাকী সচেতন বিদ্যুৎ গ্ৰাহক উপস্থিত থাকে। সভাত বিদ্যুৎ গ্ৰাহক হিচাপে আমিনুল হক চৌধুৰী, গাজীবৰ ৰহমানে বৰ্ধিত বিল সম্পৰ্কে বক্তব্য দাঙি ধৰে। বিশেষকৈ স্মাৰ্ট মিটাৰ লগোৱাৰ পাছত উপভোক্তা ৰাইজে অস্বাভাৱিক হাৰে বিদ্যুৎ বিল আদায় দিবলগীয়া হোৱাৰ বিষয়টো গুৰুত্ব সহকাৰে আলোচনা কৰা হয়। লগতে ননী দাসক সভাপতি, আব্দুল হাইক কাৰ্যকৰী সভাপতি, আব্দুল মালেক মণ্ডল আৰু আমিনুল হক চৌধুৰীক উপ-সভাপতি, জাকিৰ হুছেইনক সাধাৰণ সম্পাদক, গাজীবৰ ৰহমান আৰু আতাউৰ ৰহমানক যুটীয়া সম্পাদক আৰু হামিদুল ইছলামক কোষাধ্যক্ষ হিচাপে লৈ ২১ জনীয়া গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তাৰ তদৰ্থ কমিটী এখন গঠন কৰা হয়। সভাত গোৱালপাৰাত বয়কট স্মাৰ্ট মিটাৰ উঠাই দিয়াৰ লগতে বিদ্যুৎ সম্পৰ্কীয় সমস্যাৰ ওপৰত উক্ত কমিটীয়ে কাৰ্যসূচী গ্ৰহণ কৰিব বুলি গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিৰ নৱনিৰ্বাচিত সভাপতি ননী দাসে জানিবলৈ দিয়ে।

# সাহানৰ সৰ্বেশ্বৰ গোস্বামীৰ মৃত্যু

**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৫ আগষ্ট ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মাজৰবাৰী সাহান গাঁৱৰ সৰবৰহী ব্যক্তি সৰ্বেশ্বৰ গোস্বামী (৭৬)ৰ যোৱা নিশা প্ৰায় তিনি মান বজাত নিজ গৃহত মৃত্যুক আঁকোৱালি লোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰে। যোৱা কেইবছৰ মানৰ পৰা তেওঁ বহুমুত্ৰ 'ডাইবেটিচ' ৰোগত আক্ৰান্ত হৈ আছিল। অত্যন্ত সৰবৰহী গোস্বামীয়ে জাজিয়াবাৰীত এখন ক্ষুদ্ৰ দোকান দি পৰিয়াল চলাই আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, একমাত্ৰ পুত্ৰ, তিনিগৰাকী জিয়াৰী, নাতি- নাতিনীসহ অনেক গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।

# অভয়াপুৰী মহাবিদ্যালয়ত ভাৰতীয় প্ৰাণী জৰীপ সংস্থাৰ সহযোগত কৰ্মশালা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২৪ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত তথা ভাৰতীয় প্ৰাণী জৰীপ সংস্থা আৰু অভয়াপুৰী মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহযোগত 'ভাৰতীয় প্ৰাণী জৰীপ সংস্থা আৰু জীৱ-বিজ্ঞান বিষয়ৰ গৱেষণা' শীৰ্ষক এখন কৰ্মশালা আজি মহাবিদ্যালয়খনৰ পূৰ্ণচন্দ্ৰ শীল প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সদানন্দ নাথে কৰ্মশালাখন আৰম্ভ কৰাৰ পাছতে আদৰণি ভাষণ আগবঢ়ায় উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° সুব্ৰত সৰকাৰে। ইয়াৰ পাছতে মহাবিদ্যালয়খনৰ উপাধ্যক্ষ চিন্তামণি দেৱ শৰ্মাই কৰ্মশালাখনৰ মূল বিষয়বস্তু দাঙি ধৰি সকলো কাৰ্যসূচীৰ সফলতা কামনা কৰে। সমল ব্যক্তি হিচাপে ভাৰতীয় প্ৰাণী জৰীপ সংস্থাৰ উত্তৰ-পূব আঞ্চলিক কেন্দ্ৰৰ বিজ্ঞানী ড° বিক্ৰমজিৎ সিন্‌হাই ভাৰতীয় প্ৰাণী জৰীপ সংস্থাই প্ৰাণীবিষয়ক গৱেষণাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদান উল্লেখ কৰাৰ লগতে প্ৰাণীবিষয়ক গৱেষণাৰ বাবে প্ৰয়োজনীয় বিভিন্ন দিশ আলোচনা কৰে। আন এগৰাকী সমল ব্যক্তি ড° ভাস্কৰ শইকীয়াই উভয়চৰ প্ৰাণীৰ গৱেষণা সম্পৰ্কত বিশদ বিৱৰণ আগবঢ়ায়। কৰ্মশালাখনৰ সামৰণিত প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা অনুপমা স্বৰ্গীয়াৰীয়ে শলাগৰ শৰাই আগবঢ়ায়।

# ৰূপহীহাটত দুৰ্ঘটনাত এজনৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ আগষ্ট ঃ** আজি সন্ধিয়া নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত ছাইদৰীয়া সংঘটিত পথ দুৰ্ঘটনাত এজন চাইকেল আৰোহীৰ মৃত্যু হয়। এখন তীব্ৰবেগী মটৰ চাইকেল আৰু চাইকেলৰ মাজত মুখামুখি সংঘৰ্ষৰ ফলত সংগঠিত হয় পথ দুৰ্ঘটনাটো। উক্ত পথ দুৰ্ঘটনাত থিতাতে মৃত্যু হয় কোচগাঁৱৰ চাইকেল আৰোহী মোবাৰক আলী। দুৰ্ঘটনা সংগঠিত কৰা মটৰ চাইকেলখনে দুৰ্ঘটনা সংগঠিত কৰি পলায়ণ কৰে। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

# বৰপেটাৰোডত উদ্ধাৰ অচিনাক্ত মৃতদেহ

**অগ্ৰদূত বাৰ্তা**

**বৰপেটাৰোড, ২৪ আগষ্ট ঃ** বৰপেটাৰোড আৰক্ষীয়ে আজি বেঁকী নদীৰ পাৰৰ পৰা এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ কৰে। প্ৰায় ৩৫ বছৰ বয়সৰ যুৱকজনৰ এই মৃতদেহটো বেঁকী নদীৰ পাৰত স্থানীয় লোকে প্ৰত্যক্ষ কৰি বৰপেটাৰোড আৰক্ষীক খবৰ দিয়ে। উল্লেখ উদ্ধাৰ হোৱা মৃতদেহটোৰ পিন্ধনত এখন লুঙী আছিল। মৃতদেহৰ গাত কোনো আঘাতৰ চিন নাই যদিও কি পৰিস্থিতিত লোকজনৰ মৃত্যু হ'ল সেয়া ধৰিব পৰা হোৱা নাই। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি বৰপেটা চিকিৎসালয় মাৰ্গত ৰখা হৈছে।

# সৰুপেটাত পানী যোগান আঁচনি উদ্বোধন বিধায়কৰ

**বিশেষ সম্বাদদাতা**

**পাঠশালা, ২৪ আগষ্ট ঃ** সৰুপেটাত নৱনিৰ্মিত সৰুপেটা টাউন পানী যোগান আঁচনিৰ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে। উল্লেখ্য যে জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ বজালী সংমণ্ডলৰ দ্বাৰা জলজীৱন মিছনৰ অধীনত ৫১ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে সৰুপেটা টাউন পানী যোগান আঁচনিখন। পানী যোগান আঁচনিৰ উদ্বোধনী অনুষ্ঠানত উদ্বোধক বিধায়ক তালুকদাৰৰ লগতে জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ বজালী সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা সঞ্জীৱ কুমাৰ বৰদলৈ, সহকাৰী কাৰ্যবাহী অভিযন্তা নিতুল তালুকদাৰ, সৰুপেটা বিদ্যা মন্দিৰ হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক অশ্বিনী ঠাকুৰীয়াৰ লগতে কে'বাগৰাকীও বিশিষ্ট ব্যক্তিয়ে উপস্থিত থাকে।

# মানাহ নৈত অবৈধ খনন কৰা বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিকক গুৰুলা-গুৰুলকৈ প্ৰহাৰ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৪ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ আৰক্ষী থানাৰ অন্তৰ্গত শিলঘাগিৰিত মানাহ নৈত অবৈধ খনন কৰা বালি মাফিয়াৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা তিনি সাংবাদিকক আক্ৰমণ কৰা ঘটনাই বঙাইগাঁও জিলাত ভিন্ন মহলত প্ৰতিক্ৰিয়াই বিৰাজ কৰিছে। অভিযোগ মতে, বালি মাফিয়া মজমুল হক আৰু মণিৰউদ্দিনৰ নেতৃত্বত ২০ জনীয়া দলে আক্ৰমণ কৰে সাংবাদিকক। সাংবাদিক ছোবাহান আলী, আজিজুল হক আৰু ৰফিকুল ইছলামে চৰকাৰীভাৱে নিৰ্মাণ কৰা মানাহ নৈৰ প্ৰতিৰোধী বান্ধৰ পৰা ট্ৰেক্টৰৰ দ্বাৰা বালি কঢ়িয়াই নি বিভিন্ন ঠাইত বিক্ৰী কৰি আহিছে। ৰাইজৰ অভিযোগৰ ভিত্তিত আজি বাতৰি সংগ্ৰহ কৰিবলৈ যোৱাত অবৈধ উপায়ে বালি কঢ়িয়াই নিয়া অসাধু চক্ৰটোৱে সাংবাদিকৰ মোবাইল কাঢ়ি নিয়ে। বালি মাফিয়াৰ আক্ৰমণত আহত সাংবাদিকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। দীৰ্ঘদিন ধৰি অবৈধভাৱে বালি খনন কৰি আহিছে বালিমাফিয়াই। ঘটনা সংক্ৰান্তত সাংবাদিকসকলে মাণিকপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ইফালে এই ঘটনাটোক তীব্ৰ গৰিহণা দিছে আমছুৰ সভাপতি ৰেজাউল কৰিম সৰকাৰ আৰু কোকিলা প্ৰেছ ক্লাবৰ সভাপতি মকিবুল ইছলামে। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভক আক্ৰমণ কৰা ঘটনাৰ লগত জড়িত সকলোকে কৰায়ত্ত কৰি দৃষ্টান্ত মূলক শাস্তিৰ দাবী জনাইছে। বঙাইগাঁও জিলা বন বিভাগৰ ভূমিকাত ক্ষুব্ধ হৈ পৰিছে আমছুৰ সভাপতি জনে। বন বিভাগৰ লগত বালি মাফিয়াই মিতিৰালি কৰি অবৈধ খনন কাৰ্য অব্যাহত ৰখা বুলি অভিযোগ আমছুৰ সভাপতিৰ। এই কাৰ্যক বাঘবৰ প্ৰেছ ক্লাব, মাণিকপুৰ প্ৰেছ ক্লাব, দক্ষিণ শালমাৰা সাংবাদিক সুৰক্ষা মঞ্চ, অসম প্ৰদেশ সাংবাদিক সন্থা বঙাইগাঁও জিলা সমিতি, জাফাৰ বঙাইগাঁও জিলা সমিতি, অসম বাৰ্তা জীৱী সংঘ, বীৰ লাচিত সেনাৰ লগতে স্থানীয় বহুতো দল-সংগঠনে গৰিহণা দিয়াৰ লগতে দোষীক কৰায়ত্ত কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে।

## মাণিকপুৰত বালি মাফিয়াৰ আক্ৰমণত আহত তিনি সাংবাদিক ঃ ভিন্ন সংগঠনৰ গৰিহণা

# জখলাবন্ধাত হোটেলৰ কৰ্মচাৰীক ঘপিয়াই হত্যা বাৰাণ্ডাত

## এজন কৰ্মচাৰী পলাতক ঃ হত্যাত জড়িতৰ সন্দেহ



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২৪ আগষ্ট ঃ** যোৱা নিশা কলিয়াবৰৰ জখলাবন্ধা চাৰিআলিস্থিত তথা জখলাবন্ধা চিকিৎসালয়ৰ সন্মুখতে থকা এখন হোটেলৰ কৰ্মচাৰীক বাৰাণ্ডাতে দুৰ্বৃত্তই ঘপিয়াই হত্যা কৰে। বিজুস্মিতা নামৰ হোটেলখনৰ বাৰাণ্ডাত সংঘটিত এই ঘটনাত নিহত লোকজন হ'ল হোটেলখনৰে কৰ্মচাৰী পিটু দাস। হোটেলখনত কাৰিকৰ হিচাপে কৰ্মৰত থকা পিটুৰ ঘৰ লাওখোৱা বজাৰত। এই হত্যাত একেখন হোটেলৰ কৰ্মচাৰী শংকৰ সৰকাৰ জড়িত থকাৰ সন্দেহ কৰা হৈছে। আৰক্ষীয়ে সন্দেহ কৰে যে পিটুই নিশা বাৰাণ্ডাতে শুই থকা অৱস্থাতে শংকৰে চোকা অস্ত্ৰৰে ঘপিয়াই হত্যা কৰে। কাৰণ শংকৰে নিশাই হোটেলৰ পৰা পলায়ন কৰে। হোটেলৰ আন আন কৰ্মচাৰীয়ে জনায় যে সন্ধিয়া শংকৰৰ স'তে পিটুৰ কাজিয়া হৈছিল। নিশা প্ৰায় ১২ মান বজাত এজন কৰ্মচাৰীয়ে চিনেমা চাই ঘূৰি অহাৰ সময়ত পিটুৰ তেজেৰে লুটুৰি-পুতুৰি হৈ থকা দেহ বাৰাণ্ডাত প্ৰত্যক্ষ কৰে। এই ঘটনাৰ খবৰ লাভ কৰি নিশা জখলাবন্ধ আৰক্ষী ঘটনাস্থলী উপস্থিত হয় যদিও পুৱাহে মহকুমা দণ্ডাধীশ তথা অতিৰিক্ত উপায়ুক্তৰ উপস্থিতিত মৃতদেহ চমজি লৈ মৰণোত্তৰ পৰীক্ষালৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে হত্যাকাৰীয়ে ব্যৱহাৰ কৰা বুলি সন্দেহ কৰা এখন দা উদ্ধাৰ কৰিছে। ইফালে, কলিয়াবৰত শ্ৰম বিভাগৰ এটা পৰিদৰ্শন কাৰ্যালয় থকা সত্বেও স্থানীয় অধিকাংশ হোটেলৰ শ্ৰমিক কৰ্মচাৰীৰ তথ্য মজুত নাই।

# কলীয়াপানী আদৰ্শ গাঁৱত অজগৰ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ২৪ আগষ্ট ঃ** যোৰহাট জিলাৰ টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত কলীয়াপানী আদৰ্শ গাঁৱৰ এজন লোকৰ ঘৰত আজি এটা প্ৰকাণ্ড অজগৰ উদ্ধাৰ হয়। স্থানীয় ৰাইজে প্ৰকাশ কৰা অনুসৰি, পলাশ দাস নামৰ লোকজনৰ ঘৰত হাঁহ খাই থকা অৱস্থাত বৃহৎ আকাৰৰ অজগৰটো প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজক অৱগত কৰাৰ লগতে বন বিভাগক খবৰ দিয়ে। যোৰহাট বন বিভাগৰ লোক আহি অজগৰটো উদ্ধাৰ কৰে। এই বৃহৎ আকাৰৰ অজগৰটো ওজন প্ৰায় ২০ কিলোগ্ৰাম বুলি অনুমান কৰে।

# সাংসদ আব্দুল খালেকৰ পৌৰসভাৰ পদেন সদস্য হিচাপে শপত গ্ৰহণ

## বঙাইগাঁৱত জিলা উন্নয়ন সমন্বয়-নিৰীক্ষণ সমিতিৰ সভা সম্পন্ন

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৪ আগষ্ট ঃ** বঙাইগাঁও জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতিৰ সভা আজি অনুষ্ঠিত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নৱ কুমাৰ শৰণীয়াই। বৰপেটা লোকসভা সমষ্টিৰ সাংসদ আব্দুল খালেক, অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিৰ বিধায়ক আব্দুল বাতেন খণ্ডকাৰ আৰু অভয়াপুৰী দক্ষিণ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰদীপ সৰকাৰ আৰু উপায়ুক্ত নৱদীপ পাঠকৰ উপস্থিতিত অনুষ্ঠিত সভাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, সমাজ কল্যাণ, জনস্বাস্থ্য কাৰিকৰী, স্বাস্থ্য, শিক্ষা, লোক নিৰ্মাণ পথ বিভাগ, কৃষি, জলসিঞ্চন, উদ্যোগ আৰু বাণিজ্য, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা, মীন, শ্ৰম, বিভাগ, এপিডিচিএল, ভাৰত সঞ্চাৰ নিগম লিমিটেড আদিকৰি সকলো বিভাগৰ উন্নয়নমূলক কামৰ পৰ্যালোচনা কৰা হয়। বিভাগীয় কামবিলাক সময়মতে আৰু সুচাৰুৰূপে কৰিবলৈ উপস্থিত থকা সাংসদ-বিধায়কসকলে বিষয়াসকলক পৰামৰ্শ দিয়ে। যিবিলাক কামত সাংসদ বা বিধায়কৰ সহায় লাগে তেনে ক্ষেত্ৰত সময়মতে তেওঁলোকক জনালে চৰকাৰক অৱগত কৰাত সহায় কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে সাংসদ আৰু বিধায়কসকলে। তদুপৰি জিলাখনত কৃষিয়েই হওক বা জনস্বাস্থ্য কাৰিকৰীয়েই হওক বা স্বাস্থ্য বিভাগৰ কামৰ ক্ষেত্ৰত হওক সংশ্লিষ্ট সাংসদ আৰু বিধায়কৰ লগত আলোচনা কৰিবলৈ পৰামৰ্শ দিয়ে সাংসদ তথা বিধায়কসকলে। বিষয়াসকলে ৰাইজৰ কাষ চাপি গৈ কাম কৰিলে দুখীয়া ৰাইজ উপকৃত হ'ব বুলি জনপ্ৰতিনিধিসকলে মত পোষণ কৰে। জলজীৱন মিছনৰ অধীনত জিলাখনত ৰাইজে বিশুদ্ধ খোৱাপানী পাইছে নে নাই সেয়া চোৱাৰ বাবে সাংসদ, বিধায়ক আৰু উপায়ুক্ত একেলগে যোৱাৰ সিদ্ধান্ত লোৱা হয় সভাত। আনহাতে, অভয়াপুৰীত অসামৰিক চিকিৎসালয় স্থাপন কৰা, ৰাঙাপানী ৰাজ্যিক চিকিৎসালয়খন নবীকৰণ কৰা, কীৰ্তনপাৰাত বৈদ্যুতিক উপ-কেন্দ্ৰ স্থাপন কৰা আদি কে'বাটাও প্ৰস্তাৱ দিয়ে জনপ্ৰতিনিধিসকলে। আনহাতে, জিলাখনত ক'ভিড কালত শৈক্ষিক ক্ষেত্ৰত হাতত লোৱা 'ডাক-পখিলি' নামৰ প্ৰকল্পটোৰ বাবে জনপ্ৰতিনিধিসকলে জিলাখনৰ শিক্ষা বিষয়াসকলক প্ৰশংসা পত্ৰ দিয়াৰ প্ৰস্তাৱ লয়। তদুপৰি জিলাখনত কিমান শিশু শ্ৰমিক আছে তাৰ বাবে জিলা শ্ৰম বিষয়াৰ দ্বাৰা এটা অভিযান চলাব লাগে বুলি সাংসদ খালেকে উপায়ুক্তক পৰামৰ্শ দিয়ে। সাংসদ তথা সভাৰ সভাপতি নৱ কুমাৰ শৰণীয়াই শিক্ষা বিষয়াক ছাত্ৰ আৰু শিক্ষকৰ অনুপাত চাবলৈ কয় যাতে ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিযুক্ত থাকে। তেওঁ ৰাইজৰ উন্নয়নৰ হকে ঐক্যবদ্ধভাৱে কাম কৰিব লাগিব বুলি মত প্ৰকাশ কৰে। সভাত কে'বাগৰাকীও পঞ্চায়ত প্ৰতিনিধি উপস্থিত থাকি মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ জব কাৰ্ডৰ শ্ৰমিকক দৈনিক মজুৰি বঢ়াই দিয়াৰ বাবে প্ৰস্তাৱ দিয়ে। সভাত জিলা উন্নয়ন আয়ুক্ত ভাস্কৰ দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া নাদীৰা জেচমিনকে ধৰি বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

**SHORT NOTICE INVITING TENDER**

Sealed tender are invited by the undersigned from registered firms/ Suppliers regarding implementation of SAMAHAR (JSSK Diet Programme)

The tender details, terms and conditions may be collected from the Office of Joint Director of Health Services/ DPMU from 11.00 am-3.00 pm on working days.

Quotations in sealed envelope clearly mentioning on top, name of tenders must reach the Office before 10.00 am on 2 nd September 2022 and will be opened on the same day in the presence of the bidders at 2.00 pm.

Sd/-
Joint Director of Health Services
Cum Member Secretary, District
Health Society, Jorhat

Janasanyog/C/8789/22

**FRESH SHORT E-TENDER NOTICE FOR SALE OF TIMBER LOTS OF 2022-23.**

This is for the general information of all concern that under the provision laid down in the "Assam Sale of Forest Produce, Coupes and Mahals Rules' 1977" and Amendment Rule' 2000, bids are invited through online by the undersigned from Registered Companies/Firms/ Individuals etc. for the Sale of Timber lots of respectively kept in different location within Lakhimpur Division, North Lakhimpur.

The details of E-Tender will be available on https// www.assamforestonline.in

Sd/-
Divisional Forest Officer,
Lakhimpur Division,
North Lakhimpur.

Janasanyog/C/8759/22

# কৃত্ৰিম বানত বন্ধ বিশ্বনাথঘাটৰ নতুন গাঁৱৰ অংগনৱাড়ী কেন্দ্ৰ


হাজোত পথৰ আধাৰশিলা বিধায়িকা সুমন হৰিপ্ৰিয়াৰ।

## ■ কেন্দ্ৰত থকা বহু চাউল নষ্ট কৃত্ৰিম বানত

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ২৪ আগষ্ট ঃ** বিশ্বনাথত কালি পুৱা ধাৰাসাৰ বৰষুণৰ ফলত বিশ্বনাথ নগৰৰ বিভিন্ন স্থানৰ লগতে বিশ্বনাথ ঘাটতো ভয়ৱহ কৃত্ৰিম বানৰ সৃষ্টি হৈছে। বিগত কেইদিনমান ধৰি ধাৰাবাহিকভাৱে তীব্ৰ গৰমৰ বাবে জনসাধাৰণ অতিষ্ঠ হৈ পৰিছিল। কিন্তু কালি পুৱা হঠাৎ অহা এজাক বৰষুণ বাবে ৰাইজে গৰমৰ পৰা কিছু সকাহ পাব বুলি আশা কৰিছিল। কিন্তু এই বৰষুণৰ ফলত ৰাইজে দুৰ্ভোগহে ভুগিবলগীয়া হয়। কাৰণ এই বৰষুণৰ ফলত বিশ্বনাথ নগৰৰ বিভিন্ন স্থানত কৃত্ৰিম বানৰ সৃষ্টি কৰিলে। বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয় চৌহদৰ চাৰিওদিশ কৃত্ৰিম বানৰ বাবে হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ লগতে বিশ্বনাথৰ নতুনকৈ নিৰ্মাণ কৰা ৰকিংজন, বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখ ভাগতো তীব্ৰ কৃত্ৰিম বানৰ সৃষ্টি হৈছে। ইয়াৰ লগতে বিশ্বনাথ ঘাটৰ বিভিন্ন স্থানতো কৃত্ৰিম বান হোৱাৰ লগতে বিশ্বনাথ ঘাটৰ নতুন গাঁৱত থকা সংহত শিশু উন্নয়ন আঁচনিৰ অন্তৰ্গত এটা অংগনৱাড়ী কেন্দ্ৰটো সম্পূৰ্ণভাৱে পানী সোমায় যায়। যাৰ ফলত অংগনৱাড়ী কেন্দ্ৰৰ সা-সামগ্ৰী বিনষ্ট হোৱাৰ লগতে শিশুসকলৰ বাবে কেন্দ্ৰটোত জমা কৰি ৰখা বৃহৎ পৰিমাণৰ চাউলো বৰষুণত নষ্ট হৈ যায়। ইফালে, কেন্দ্ৰটোত পানী জমা হৈ যোৱাৰ ফলত কেন্দ্ৰটো আজি বন্ধ ৰাখিবলগীয়া হয়।

# গৌৰীসাগৰত মটৰ চাইকেল চোৰৰ সন্ত্ৰাস

## ■ আৰক্ষীৰ পহৰাৰ মাজতে পুনৰ মটৰ চাইকেল চুৰি

অগ্ৰদূত বাৰ্তা
**গৌৰীসাগৰ, ২৪ আগষ্ট ঃ** মটৰ চাইকেল চোৰৰ অতপালিয়ে যেন চৰম সীমা অতিক্ৰম কৰিছে মিনি নগৰী গৌৰীসাগৰত। ইয়াৰ সাপ্তাহিক মঙলবৰীয়া বজাৰৰ পৰা সঘনাই মটৰ চাইকেল চুৰি হৈ থকাৰ সময়তে কালি পুনৰ ভটিয়াপাৰাৰ বুবুল চেতিয়া নামৰ এজন যুৱকৰ এএছ-০৪ ভি-৩৩৬৭ নম্বৰৰ ছুপাৰ স্প্লেণ্ডাৰ চোৰে চুৰি কৰি নিয়ে। উল্লেখ্য যে পথে-পদুলিয়ে নিৰাপত্তাৰক্ষী আৰক্ষীয়ে নিশ্ছিদ্ৰ তালাচী চলাই থকাৰ সময়তে মটৰ চাইকেল চোৰে এনেদৰে চুৰিকাণ্ড সংঘটিত কৰা ঘটনাই নিৰাপত্তাৰ ফোঁপোলা স্বৰূপ উদঙাই দিয়া বুলি ৰাইজে মন্তব্য কৰিছে। উল্লেখ্য যে গৌৰীসাগৰ তিনিআলিৰ নৱনিৰ্মিত অ'ভাৰ ব্ৰীজৰ তলৰ পৰাও যোৱা ১১ আগষ্টত এখন মটৰ চাইকেল চুৰি কৰি নিছিল। গৌৰীসাগৰ তিনিআলিত আৰক্ষীয়ে পহৰা দি থকাৰ মাজতে একাংশ হেলমেটবিহীন চালকে আৰক্ষীৰ নিৰাপত্তাক বুঢ়া আঙুলি দেখুৱাই পাৰাপাৰ হৈ থাকে যদিও আৰক্ষীয়ে সদায়েই লৈ আহিছে নিধিৰাম চৰ্দাৰৰ ভূমিকা। মাজে সময়তে দুই এজন আৰক্ষীয়ে তিনিআলিত পহৰাৰ নামত ভেঁকোভাওনা চলাই থকাৰ অচিলাতে মটৰ চাইকেল চোৰৰ সন্ত্ৰাস দিনকদিনে বৃদ্ধি হ'ব ধৰিছে মিনি নগৰী গৌৰীসাগৰত।

# বিশ্বনাথত ১৪৪ ধাৰা বলৱতৰ সময়তে উপায়ুক্ত কাৰ্যালয়ৰ সমীপত অৱস্থান ধৰ্মঘট আমছুৰ

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ২৪ আগষ্ট ঃ** বিশ্বনাথত ১৪৪ ধাৰা বলৱৎ থকাৰ মাজতে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত আমছুৰ দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী হয়। সমগ্ৰ ৰাজ্যৰ লগতে বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত আমছুৱে মূল্য বৃদ্ধি ৰোধ কৰা, বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিযুক্তি দিয়া, বিদ্যালয়ত শিক্ষক বদলিকৰণৰ আগতে শিক্ষক নিযুক্তি দিয়াৰ পাছত শিক্ষক বদলিকৰণ কৰা, ভূমিহীন লোকক ভূমি প্ৰদান কৰা, জনসংখ্যা অনুপাতে চৰকাৰী চাকৰি নিযুক্তি দিয়া, বহিঃৰাজ্যত কাম কৰা শ্ৰমিকক সুৰক্ষা প্ৰদান কৰা আৰু অৰুণাচলত মৃত্যু হোৱা শ্ৰমিকৰ পৰিয়ালক পাঁচলাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰাৰ লগতে নিখোঁজ হৈ থকা শ্ৰমিকসকলৰ সন্ধান উলিয়াবলৈ চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ দাবীত এই ধৰ্ণা কাৰ্যসূচী গ্ৰহণ কৰে সংগঠনটোৱে। ইফালে, বিশ্বনাথ জিলাত ১৪৪ ধাৰা অব্যাহত থকাৰ বাবে জিলা প্ৰশাসনে এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে সংগঠনটোক অনুমতি প্ৰদান কৰা নাছিল। তাৰ মাজতে সংগঠনটোৱে শান্তিপূৰ্ণ এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি জিলা উপায়ুক্তক জিলা দণ্ডাধীশৰ জৰিয়তে সাতদফীয়া দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰে সংগঠনটোৱে।

# নগাঁও জিলাত প্ৰথমবাৰৰ বাবে শাক-পাচলিৰ গ্ৰাফটিং প্ৰযুক্তিৰ প্ৰশিক্ষণ



বিশেষ সংবাদদাতা
**নগাঁও, ২৪ আগষ্ট ঃ** নগাঁৱত প্ৰথমবাৰৰ বাবে আয়োজিত হয় শাক-পাচলিৰ গ্ৰাফটিং প্ৰযুক্তিৰ প্ৰদৰ্শন। উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসম, জিলা কৃষি বিভাগ, নগাঁও আৰু অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্প ২০২২-২৩ৰ উদ্যোগত খাগৰিজান কৃষি উন্নয়ন খণ্ডৰ 'শেনচোৱা নাৰ্ছাৰী'ত কালি গ্ৰাফিটিং প্ৰযুক্তিৰ এটি কাৰিকৰী প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰা হয়। প্ৰশিক্ষণ শিবিৰত নগাঁও জিলাৰ কৃষি খণ্ডৰ অতিৰিক্ত জিলা উপায়ুক্ত বিজিতা ডেকাৰ লগতে জিলা কৃষি বিভাগৰ কৃষি বিষয়া তৰুণ হাজৰিকা আৰু এপাৰ্ট প্ৰকল্পৰ নডেল বিষয়া ভদ্ৰ বৰা উপস্থিত থাকে। ইয়াৰ উপৰি এপাৰ্ট প্ৰকল্পৰ জিলা উদ্যানশস্য সমন্বয়ক শান্তনু কলিতা, পংকজ হাজৰিকা, জিলা পৰিপাৰ্শ্বিক সমন্বয়ক অৰ্পিতা বৰা আৰু বিশ্ব পাচলি সংস্থাৰ কাৰিকৰী বিষয়া সুদীপ্ত দাসো উপস্থিত থাকে। বিশ্ব পাচলি সংস্থাৰ দক্ষিণ পূব এছিয়াৰ হায়দৰাবাদস্থিত কেন্দ্ৰৰ নাৰ্ছাৰী বিশেষজ্ঞ ড° ৰবি শংকৰ মনিকামে উক্ত প্ৰশিক্ষণ প্ৰদান কৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰে ইটিচি কনচালটেন্ট ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ বিশেষজ্ঞ সঞ্জীৱ ৰাথুৰৰ লগতে ভাৰ্ছটাইল এগ্ৰ' ফাষ্ট এফপিচিৰ মুখ্য কাৰ্যবাহী বিষয়া সাগৰ পেমূদ, এমডি বিলাস বিদগাৰ আৰু হৰিচন্দ্ৰ পেমূদে। নৈপাম এগ্ৰ' প্ৰডিউচাৰ কোম্পানী প্ৰমুখ্যে জিলাখনৰ প্ৰায় ২০ খন নাৰ্ছাৰীৰ ব্যৱসায়ী আৰু কৃষকে সক্ৰিয়ভাৱে শিবিৰটোত অংশগ্ৰহণ কৰে। উল্লেখ্য যে নাৰ্ছাৰী ব্যৱসায়ীসকলে শাক-পাচলিৰ গ্ৰাফ্‌টিং কৌশলটো আয়ত্ত কৰিলে ভৰিষ্যতে বৰ্ষাকালীন বিলাহী জাতীয় পাচলি উৎপাদনৰ সময়ত সন্মুখীন হোৱা সমস্যাৰ পৰা উপশম পাব পাৰিব আৰু লগতে প্ৰতিকুল পৰিৱেশত শস্য উৎপাদন কৰিব পাৰিব। আশা কৰা গৈছে যে, এই প্ৰশিক্ষণে জিলাখনৰ কৃষকসকলক উৎসাহিত কৰাৰ লগতে উৎপাদনৰ নতুন মাত্ৰা প্ৰদান কৰিব।

## শৈক্ষিক বঁটা প্ৰদান অনুষ্ঠান

# সাৰদা কলিতা-মামনি হাজৰিকা সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান

**দেৰগাঁও, ২৪ আগষ্ট ঃ** দেৰগাঁও কমাৰগাঁও অমৰ শৰ্মা উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক চলিত বৰ্ষৰ শৈক্ষিক বঁটাসমূহ প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজন কৰা সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষা বিমলা গোস্বামীয়ে। বিজ্ঞান শিক্ষক ৰিপুণ কন্দলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়খনৰ ভিতৰত ইংৰাজী বিষয়ত লেটাৰ নম্বৰসহ সৰ্বোচ্চ নম্বৰ লাভ কৰা মেধাবী ছাত্ৰ প্লাৱনজ্যোতি হাজৰিকাক সাৰদা কলিতা শৈক্ষিক বঁটা প্ৰদান কৰা হয়। সোঁৱৰণী বঁটাৰ দাতা, কমাৰগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ৰ সহকাৰী শিক্ষক বিচিত্ৰ ভূষণ কলিতাই তেওঁৰ বিদ্যানুৰাগী মাতৃৰ পবিত্ৰ স্মৃতিত প্ৰৱৰ্তন কৰা বঁটা অনুষ্ঠানত প্ৰদান কৰে। ডিষ্টিংছন নম্বৰে বিদ্যালয়ৰ ভিতৰত শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা প্লাৱনজ্যোতি হাজৰিকাক এই অনুষ্ঠানতে মামণি হাজৰিকা সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান কৰে শিক্ষয়িত্ৰী মৌচুমী দত্ত হাজৰিকাই। অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰী উদেষ্ণা হাজৰিকাকো মামণি হাজৰিকা সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান কৰা হয়। এই অনুষ্ঠানতে মেধাবী ছাত্ৰী বিকশিতা হাজৰিকা আৰু নীহাৰিকা বৰাকো বঁটা প্ৰদানেৰে অভিনন্দন জনোৱা হয়। মেধাবী ছাত্ৰ-ছাত্ৰীসকলক প্ৰথমে বিদ্যালয়ৰ তৰফৰ পৰা গ্ৰন্থৰ টোপোলা, অভিনন্দন পত্ৰ প্ৰদান কৰে প্ৰধান শিক্ষক আব্দুছ ছাদ্দেকে। ৰিপুণ কন্দলী আৰু ছাত্ৰী ৰীডম কন্দলীয়ে গীত পৰিবেশন কৰা অনুষ্ঠানত পৰিচালনা সমিতিৰ উপ-সভাপতি সুৰেন্দ্ৰ নাথ বৰা, বিচিত্ৰ ভূষণ কলিতা, প্ৰধান শিক্ষক আব্দুছ ছাদ্দেকে শিক্ষা মূলক ভাষণেৰে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। বঁটা প্ৰদান অনুষ্ঠানৰ আঁত ধৰে পৰাগ হাজৰিকাই।

# মেৰাপানীত 'বন্ধন বেংক'ৰ বৰ্ষপূৰ্তি পালন

**মেৰাপানী, ২৪ আগষ্ট ঃ** দেশৰ বিভিন্ন ৰাজ্যৰ লগতে গোলাঘাট জিলাৰ মেৰাপানীতো কালি 'বন্ধন বেংক'ৰ সপ্তম বৰ্ষৰ বৰ্ষপূৰ্তি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। মেৰাপানীৰ মিকিৰপট্ৰিস্থিত বন্ধন বেংক আৰু বন্ধন কাৰ্যালয়ত আজি বিয়লি স্থানীয় ব্যক্তিৰ উপস্থিত বন্ধনৰ কৰ্মচাৰীসকলে কেক কাটি বৰ্ষপূৰ্তি অনুষ্ঠান পালন কৰে। মেৰাপানীৰ মিকিৰপট্ৰিস্থিত বন্ধনৰ পৰিচালকে এই সন্দৰ্ভত কয় যে ২০১৫ত বন্ধন বেংকে প্ৰতিষ্ঠা লাভ কৰে। দেশৰ ৩৬ খন ৰাজ্যত বন্ধন বেংক স্থাপন হৈছে। লগতে তেওঁ কয় যে বন্ধনে দেশৰ মহিলাসকলক অৰ্থনৈতিক ক্ষেত্ৰত বিশেষভাৱে সহায় কৰি আহিছে। জনসাধাৰণৰ মাজত বন্ধন এতিয়া অৰ্থৰ বন্ধু হিচাপে পৰিচিত হ'বলৈ ধৰিছে।

# সোণতলীৰ ৩৩ হজযাত্ৰী উমৰাহলৈ যাত্ৰা

অগ্ৰদূত বাৰ্তা
**সোণতলী, ২৪ আগষ্ট ঃ** কামৰূপ জিলাৰ সোণতলী, টোপামাৰী, ৰাংগাপানী, কালাতলী, গৰৈমাৰী অঞ্চলৰ পৰা ৩৩ গৰাকী লোকে উমৰাত হজলৈ ৰাওনা হোৱাৰ উদ্দেশ্য যাৱতীয় যো-জা পূৰ্ণগতিত চলাইছে। কালি সোণতলীস্থিত দাৰুল উলুম ইছলামীয়া হাফিজীয়া মাদ্ৰাছা প্ৰাংগণত এই সন্দৰ্ভত এখন সভাৰ আয়োজন কৰে। সোণতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ চুলতান আহমেদৰ পৌৰোহিত্যত আৰু হাফিজ ৰফিকুল ইছলামে আঁতধৰা সভাত হজ যাত্ৰীসকল উপস্থিত থাকে। অহা ২৯ আগষ্টত বৰঝাৰস্থিত বিনামকোঠৰ পৰা যাত্ৰা আৰম্ভ কৰিব। ৩০ আগষ্টত দিল্লীলৈ যাব আৰু তাৰ পৰা উক্ত দিনাই জেদ্দাত অৱতৰণ কৰিব। এজেন্সী, দি লাইট উমৰাহ এণ্ড হজ ছুপাৰ ডিলাক্স গ্ৰুপৰ তৎপৰাত এই যাত্ৰীসকলে উমৰাহ হজলৈ ৰাওনা হ'ব। সম্প্ৰতি দেশত চলি থকা বিভিন্ন অশুভ কামৰ পৰা দেশবাৰীৰ মংগল কামনাৰ্থে বিশ্ব শান্তিৰ উদ্দেশ্যে হজযাত্ৰীসকলে সমূহীয়া দোৱা প্ৰাৰ্থনা কৰে।

# দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ অধিৱেশন

## ■ পূৰ্ণগতিত চলিছে প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা
**দুলীয়াজান, ২৪ আগষ্ট ঃ** অহা ২৪ আৰু ২৫ আগষ্টত অনুষ্ঠিত হ'ব দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ ঊনবিংশতম সাধাৰণ অধিৱেশন। নাওহলীয়া শাখা ছাত্ৰ সন্থাৰ আতিথ্যত নাওহলীয়াবাসী ৰাইজৰ সহযোগত গোপীনাথ বৰদলৈ স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনৰ অভ্যৰ্থনা সমিতিয়ে ইতিমধ্যে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে । উল্লেখ্য যে তৈলনগৰী দুলীয়াজানৰ শৈক্ষিক-সামাজিক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ এই অধিৱেশনত সমগ্ৰ দুলীয়াজানবাসী ৰাইজে দৃষ্টি নিক্ষেপ কৰিছে। কাৰ্যসূচী অনুসৰি, যোৱা দেওবাৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। ২৪ আগষ্টৰ পুৱা ন বজাত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰিব আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বুবুল তালুকদাৰে। অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন কৰিব অনুপ বেজবৰুৱাই। ইয়াৰ পাছতে বিদ্যালয় প্ৰাংগণত নাওহলীয়া শাখা ছাত্ৰ সন্থাই নিৰ্মাণ কৰি উলিওৱা নৱনিৰ্মিত ছহিদ বেদী উদ্বোধন কৰিব অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। দিনটোৰ পৰৱৰ্তী কাৰ্যসূচীৰূপে বৃক্ষৰোপণ, সমন্বয়ৰ সাংস্কৃতিক শোভাযাত্ৰা, শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ ভূমিকা, দায়িত্ব আৰু কৰ্তব্য শীৰ্ষক আলোচনাচক্ৰ, বিয়লি ভূপেন্দ্ৰ সংগীত, বৰগীত আৰু দলীয় বিয়ানাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা, অমৰেন্দ্ৰ শৰ্মা সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠানেৰে প্ৰথম দিনৰ কাৰ্যসূচী সামৰণি পৰিব। দ্বিতীয় দিনা ২৫ আগষ্টৰ পুৱা ৯.৩০ বজাত প্ৰতিনিধিৰ নাম পঞ্জীয়ন আৰু ১০.৩০ বজাত প্ৰতিনিধি সভা আৰম্ভ হ'ব। দিনৰ দুই বজাত বিষয় বাছনি সভাৰ জৰিয়তে আঞ্চলিক ছাত্ৰ সন্থাৰ পৰৱৰ্তী কাৰ্যকালৰ বাবে নতুন সমিতি গঠন হ'ব। সন্ধিয়া ৬ বজাত মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত মুখ্য অতিথিৰূপে ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা, বিশিষ্ট অতিথি জিলা উপায়ুক্ত বিশ্বজিৎ পেগু, শিক্ষাবিদ আৰু ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ নেতৃত্বই অংশগ্ৰহণ কৰিব। অধিৱেশনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ উন্মোচন কৰিব বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে। অনুষ্ঠানটো সুন্দৰ কৰিবলৈ স্থানীয় মহিলাসকলৰ দ্বাৰা ১০০০ জনীয়া এটা দলে দিহানাম পৰিৱেশন কৰিবলৈ অনুশীলন অব্যাহত ৰাখিছে। মুকলি সভাৰ পাছতেই দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যাপক ড° দীপক গগৈ সোঁৱৰণী সাংস্কৃতিক সন্ধিয়াত আমন্ত্ৰিত শিল্পী আচুৰ্য বৰপাত্ৰ, মাধৱ ৰঞ্জন, ৰিদীপ ৰংকিট, ৰমেন দানহ আৰু নীলাভ নীতাই গীত পৰিৱেশন কৰিব। অধিৱেশনৰ প্ৰতিটো কাৰ্যসূচীতে দুলীয়াজানবাসী ৰাইজৰ সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ব্ৰজেন গগৈ, সম্পাদক কনক গগৈ আৰু আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰদীপ ছেত্ৰীয়ে।

# বাল্য বিৱাহৰ বিৰুদ্ধে চাহ বাগিচাত সজাগতা সভা

অগ্ৰদূত বাৰ্তা
**আমগুৰি, ২৪ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ হালোৱাটিং আৰক্ষী থানাৰ অন্তৰ্গত বৰছিলা চাহ বাগিচাত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। বাল্য বিৱাহ, মানৱ সৰবৰাহকাৰী আৰু শিশু শ্ৰমিকৰ বিৰুদ্ধে অনুষ্ঠিত সজাগতা সভাত পৌৰোহিত্য কৰে সদৌ অসম মহিলা সমিতি হালোৱাটিং আঞ্চলিকৰ সভানেত্ৰী ৰুণুমী গায়নে। হালোৱাটিং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মণ্টু বৰাই আঁত ধৰা সজাগতা সভাত আমগুৰি আৰক্ষী থানাৰ বিষয়া নাৰায়ণ বড়ো, হালোৱাটিং নৰ্থ ইষ্ট ইংলিছ স্কুলৰ অধ্যক্ষ সুৰেন বৰা, আটছাৰ ৰমেশ বাচকে, সদৌ অসম মহিলা সমিতিৰ কেন্দ্ৰীয় সম্পাদক ইন্দ্ৰাণী ৰাজকুমাৰী, বৰছিলা বাগিচাৰ পৰিচালক উদয়ন দত্ত, ৱেলফেয়াৰ অফিচাৰ ৰাজু গঞ্জু উপস্থিত থাকে। বৰছিলা বাগিচাৰ শতাধিক লোক উপস্থিত থকা সভাত বাল্য বিৱাহ, মানৱ সৰবৰাহকাৰী আৰু শিশু শ্ৰমিকৰ ওপৰত বক্তব্য আগবঢ়ায়।

# বৰজান বিশুদ্ধ খোৱাপানী যোগান আঁচনিৰ পৰিচালনা সমিতি গঠন

অগ্ৰদূত বাৰ্তা
**ফৰকাটিং, ২৪ আগষ্ট ঃ** গোলাঘাট জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনস্থ মাটিখোলা পঞ্চায়তৰ বৰজান বিশুদ্ধ খোৱাপানী যোগান আঁচনিৰ পৰিচালনা সমিতিখন কালি গঠন কৰা হয়। পঞ্চায়ত সভাপতি ভাৰতী নাগবংশীৰ সভাপতিত্বত অনুষ্ঠিত সভাত সঞ্জীৱ ফুকনক সভাপতি, প্ৰাঞ্জল শইকীয়াক উপ-সভাপতি, দিগন্ত শইকীয়াক সম্পাদক, সদস্য-সদস্যা ক্ৰমে ৱাৰ্ড সদস্য নাৰায়ণ ফুকন, ভাৰতী নাগবংশী, ৰঞ্জিত শইকীয়া, শিবু গড়, পাপু বৰা, ভানু কলিতা, পুনেশ্বৰ কলিতা অংগনৱাড়ী কৰ্মী টুটুমণি দত্ত, টুটুমণি বৰাক লৈ এখন সমিতি গঠন কৰে। উল্লেখ্য যে সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী অভিযন্তা ৰাহিদুৰ ৰহমানৰ লগতে ভালে সংখ্যক ৰাইজ উপস্থিত থাকে। সভাৰ কাৰ্যসূচীৰ আঁত ধৰে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সমন্বয়ক যদুমণি শইকীয়াই।

# গোলাঘাটত ভাঙৰ নিচাত মতলীয়া পুত্ৰৰ দ্বাৰা মাতৃ হত্যাৰ চেষ্টা

**গোলাঘাট, ২৪ আগষ্ট ঃ** ভাঙৰ নিচাত মতলীয়া পুত্ৰই নিজ মাতৃক হত্যাৰ চেষ্টা চলোৱাৰ এক ঘটনাই গোলাঘাটত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। তথ্য মতে, কালি পুৱা গোলাঘাটৰ ধনশিৰি পাৰঘাটৰ মুন্না তুৰি নামৰ এজন যুৱক ভাঙৰ নিচাত মতলীয়া হৈ উদ্ভণ্ডালি কৰাত মাতৃ মীনা তুৰিয়ে বাধা দিয়ে। ইয়াতে ক্ষুন্ন হৈ মুন্নাই চোকা অস্ত্ৰৰে আক্ৰমণ কৰাত মাতৃ মীনা তুৰি গুৰুতৰভাৱে আহত হোৱাত তেওঁক ততাতৈয়াকৈ গোলাঘাটৰ ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। পুত্ৰৰ এনে কাৰ্যত হতভম্ব হোৱা পিতৃয়ে মুন্নাক এটা খুঁটাত বান্ধি থৈ আৰক্ষীক খবৰ দিয়ে আৰু আৰক্ষীয়ে মুন্নাক আটক কৰি সোধা-পোচা অব্যাহত ৰাখিছে। উল্লেখ্য যে পূৰ্বেও মুন্নাই এনেদৰে পিতৃমাতৃৰ ওপৰত অত্যাচাৰ চলাইছিল।

# উত্তৰ লখিমপুৰ পৌৰসভাৰ বিৰুদ্ধে আছুৰ মানৱ শৃংখলেৰে উত্তাল প্ৰতিবাদ

## ■ নগৰখনৰ নলা-নৰ্দমা নিষ্কাসনৰ দাবী

অগ্ৰদূত বাৰ্তা
**লখিমপুৰ, ২৪ আগষ্ট ঃ** লখিমপুৰ নগৰখনৰ কৃত্ৰিম বান প্ৰতিৰোধ, নলা-নৰ্দমা নিৰ্মাণত হোৱ দুৰ্নীতি, নগৰৰ বিভিন্ন স্থানত হোৱা পুতিগন্ধময় পৰিৱেশ আদিৰ বিৰুদ্ধে কালি উত্তৰ লখিমপুৰ পৌৰসভাৰ বিৰুদ্ধে মানৱ শৃংখলেৰে আছুৱে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। এক বিবৃতিৰ জৰিয়তে উত্তৰ লখিমপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি পিংকু বৰদলৈ, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক লিতু গগৈয়ে উত্তৰ লখিমপুৰ পৌৰসভাৰ দায়িত্বহীনতাক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। ছাত্ৰ সন্থাই নগৰখনৰ নলা-নৰ্দমা নিষ্কাসন, ষ্ট্ৰীট লাইটৰ সু-ব্যৱস্থা, যথাস্থানত ডাষ্টবিন ৰখা আদি কামসমূহ শীঘ্ৰে কাৰ্যকৰী কৰিবলৈ দাবী জনায়। তদুপৰি আছুৱে সোমদিৰি গৰিয়াজান অবৈধ বেদখলৰ লগতে বিজ্ঞানসন্মতভাৱে পৰিকল্পনা কৰি কাৰ্যকৰী কৰিবলৈ পৌৰসভাৰ বিৰুদ্ধে মানৱ শৃংখল কাৰ্যসূচীৰে শীঘ্ৰে সমাধান কৰিবলৈ পৌৰসভাৰ কৰ্তৃপক্ষক আহ্বান জনায় অন্যথা তীব্ৰ আন্দোলন কাৰ্যসূচী চলাই যোৱাৰ হুংকাৰ দিয়ে। অনুষ্ঠানত উত্তৰ লখিমপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি পিংকু বৰদলৈ প্ৰমুখ্যে অন্যান্য ছাত্ৰনেতাসকল উপস্থিত থাকে।

# গোলাঘাটৰ পুলিবৰ আদৰ্শ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**আঠখেলীয়া, ২৪ আগষ্ট ঃ** যোৱা ১৮ আগষ্টত গোলাঘাটৰ সমীপস্থ পুলিবৰ আদৰ্শ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ লগতে প্ৰাক্তন ছাত্ৰ কবি-গীতিকাৰ নলীন কোঁৱৰক আদৰণি আৰু সম্বৰ্ধনা জনোৱাৰ এক বৰ্ণাঢ্য অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সভাপতিত্ব কৰে বিদ্যালয়খনৰ প্ৰাক্তন পৰিচালনা সমিতিৰ সভাপতি ৰূপ কোঁৱৰে। উল্লেখ্য যে উক্ত বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট উদ্ভিদ বিজ্ঞানী ড° পদ্মেশ্বৰ গগৈয়ে পিতৃ প্ৰয়াত ডিম্বেশ্বৰ গগৈৰ স্মৃতিত দুই লাখ টকাৰ এটা নগদ পুঁজি বিদ্যালয়খনলৈ আগবঢ়ায় আৰু উক্ত পুঁজিৰ সুদৰ ধনেৰে প্ৰতি বছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত আৰু উঃ মাঃ চূড়ান্ত পৰীক্ষাৰ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক নগদ ধন হিচাপে আগবঢ়োৱাৰ ব্যৱস্থা ল'বলৈ পৰামৰ্শ দিয়ে। সেয়েহে চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষ্টাৰ মাৰ্কসহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা বগৰিজেং বিকাশ গোহাঁইৰ পুত্ৰ ঋতুপৰ্ণ কোঁৱৰক নগদ ধন আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। লগতে হৈ বৰ্ষৰ উঃ মাঃ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা নিহাৰিকা গগৈ আৰু বুলবুল বৰাকো অভিনন্দনপত্ৰ, কিতাপৰ টোপোলা আৰু নগদ ধনেৰে সম্বৰ্ধনা জনোৱা হয়। তদুপৰি উক্তঅনুষ্ঠানতে শিক্ষা গ্ৰহণ কৰি যোৱা গোলাঘাট পুলিবৰ চেলেঙী গাঁৱৰ তথা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ কে'বাটাও ৰাজ্যিক বঁটা আৰু ৰাষ্ট্ৰীয় বঁটাপ্ৰাপক নলীন কোঁৱৰক আদৰণিৰ লগতে ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়।

# অবৈধ সুৰাৰ ব্যৱসায়ীৰ বিৰুদ্ধে উপায়ুক্ত কাৰ্যালয়ত অভিযোগ দিলে পাভৈৰ মহিলাই

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ২৪ আগষ্ট ঃ** কালি বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ত উপস্থিত হ'ল একাংশ মহিলা। এই মহিলাসকলৰ এটা গুৰুত্বৰ অভিযোগ উত্থাপন কৰিবলৈ আহিছে বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ত। হয়, এই মহিলাসকল ওলাই আহিছে বিশ্বনাথৰ পাভৈ অঞ্চলৰ ৰঙামুৰি গাঁৱৰ পৰা। কাৰণ দীৰ্ঘদিন ধৰি বিশ্বনাথ উল্লিখিত অঞ্চলত চলি আহিছে মদৰ অবৈধ বেহা। একাংশ দুষ্ট চক্ৰই দীৰ্ঘদিন ধৰি বিশ্বনাথৰ পাভৈ অঞ্চলৰ বিভিন্ন স্থানত অবৈধভাৱে চলাই আহিছে অবৈধ মদৰ বেহা। যাৰ ফলত উক্ত অঞ্চলত যুৱ প্ৰজন্ম এতিয়া এই মদ খাই পিতৃ-মাতৃক অত্যাচাৰ চলোৱাৰ লগতে বহু যুৱক দুৰ্ঘটনাতো মৃত্যু বৰণ কৰিবলগীয়া হৈছে। ইফালে, কালিও পাভৈ অঞ্চলত এই মদ্যপান কৰিয়ে চোকা অস্ত্ৰৰে এজন লোকক ঘপিয়াই দিয়া ঘটনা সংঘটিত হৈছে। মুঠতে উক্ত অঞ্চলত এই অবৈধ মদৰ বাবে বহু দিনৰ পৰা বহু সৰু-বৰ ঘটনা সংঘটিত হৈ আহিছে। যাৰ বাবে উক্ত অঞ্চলৰ মহিলাসকল কালি অতিষ্ঠ হৈ জিলা উপায়ুক্তক মুনিন্দ্ৰ ঙাটেক এই সন্দৰ্ভত অভিযোগ দাখিল কৰিবলৈ আহিছে। এই মহিলাসকলৰ এটাই দাবী যে উক্ত অঞ্চলত অবৈধ মদৰ বেপাৰ বন্ধ কৰাৰ বাবে জিলা আবকাৰী বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যাৰ বাবে জিলা উপায়ুক্তৰ জৰিয়তে আবকাৰী বিভাগক উক্ত অঞ্চলৰ অবৈধ মদৰ বেপাৰ বন্ধ কৰাৰ দাবীত এইসকল মহিলা উপস্থিত হৈছে বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ত।

# শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক সমব্যৱহাৰৰ লগতে সহনশীলতা মানি চলা উচিত

## ■ ডিব্ৰুগড়ৰ শিক্ষা ভেলী বিদ্যালয়ত দিগন্ত বিশ্ব শৰ্মাৰ মনোজ্ঞ আলোচনাচক্ৰ

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ২৪ আগষ্ট ঃ** 'সকলো বিদ্যালয়ৰ শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক সমব্যৱহাৰ কৰাৰ লগতে সহনশীলতা মানি চলা উচিত। শিক্ষকে প্ৰকৃতাৰ্থত ছাত্ৰ-ছাত্ৰীৰ স্বয়ংক্ৰিয়ভাৱে বিকশিত হোৱা একো একোটা আত্মাকহে শিক্ষা প্ৰদান কৰে। শিক্ষা দান নহয়, একোজন মানুহৰ মাজত অন্তৰ্নিহিত থকাখিনি বাহিৰলৈ উলিয়াই অনাটোৱেই শিক্ষাৰ মূল চাবি-কাঠি।' এইদৰে ৰামকৃষ্ণ পৰমসংহ, স্বামী বিবেকানন্দ আৰু অৰবিন্দৰ অনুগামী তথা সুবক্তা দিগন্ত বিশ্ব শৰ্মাই মঙলবাৰে ডিব্ৰুগড়ৰ শিক্ষা ভেলী স্কুলত শিক্ষকসকলৰ মাজত হোৱা এক মনোজ্ঞ আলোচনাচক্ৰত ব্যক্ত কৰে। তেওঁ আৰু কয় যে প্ৰতিজন লোকৰ মাজত অন্তৰ্নিহিত হৈ থাকে অসাধাৰণ ব্যক্তিত্ব, ক্ষমতা আৰু উদ্যম। এই সমস্ত গুণৰাজিক নিজৰ ভিতৰৰ পৰা উলিয়াই বহিঃপ্ৰকাশ ঘটোৱাৰ বাবে চেষ্টা কৰা উচিত। সঞ্চালক এছ পি সুৰেশ, সুমন শৰ্মাৰ লগতে ভালেসংখ্যক শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী উপস্থিত থকা অনুষ্ঠানত বিশিষ্ট বক্তা শৰ্মাই উপস্থিত সকলোকে বিনয়ীভাৱে অভিবাদন জনাই সকলোকে কয়, 'মই কোনো পণ্ডিত প্ৰৱৰ নহয়, তেনেহ'লে কিয় মই এনে ধৃষ্টতা কৰিছো বা মই কোনো বক্তাও নহয়। আমাৰ জীৱনৰ অভিযাত্ৰা মৃত্যু নহয়, আমাৰ লক্ষ্য হোৱা উচিত যদিও সম্ভৱ নহয়। নচিকেতাৰ দৰে দৰ্শন আমাৰ সকলোৰে মাজত আছে। মাথোঁ তাক বিচাৰি ল'বলৈ জানিব লাগিব। নচিকেতাৰ দৰে উচ্চ আকাংক্ষা থকাতো জীৱনত খুবেই প্ৰয়োজনীয়।' শিক্ষা ভেলী স্কুলৰ লাউঞ্জত আয়োজিত মনোজ্ঞ আলোচনাচক্ৰত শৰ্মাই শিক্ষা ব্যৱস্থাৰ ওপৰতো আলোকপাত কৰি কয় যে শিক্ষা ব্যৱস্থাত তিনি প্ৰকাৰৰ আহিলা থাকে। সেয়া বিষয় ব্যুৎপত্তি, বস্তু পৰিচয় আৰু বৃত্তিৰ উৎকৰ্ষ বুলি মন্তব্য কৰি এইবিলাকো শিক্ষাৰ অংগ হ'লেও সমগ্ৰ নহয় বুলি মতপোষণ কৰে। তেওঁ পুনৰাই কয় যে বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ লগত আমাৰ আত্মাৰ কোনো সম্পৰ্ক নাই। যিয়ে নেকি এজনক মহান কৰি তুলিব পাৰে। আজিৰ শিক্ষা ব্যৱস্থা বিদ্যাৰ্থীকেন্দ্ৰিক শিক্ষা ব্যৱস্থা নহয়। আমাৰ শিক্ষা ব্যৱস্থা বিষয়কেন্দ্ৰিক। ভাল নম্বৰো লাভ কৰে, ভাল চাকৰি-দৰমহা পায়। অৱশেষত কেতিয়াবা আত্মহত্যাও কৰিব লগা হয়। কাৰণ তেওঁৰ আত্মাৰ স'তে বিদ্যাৰ কোনো সম্পৰ্ক নাই। তেওঁ কয়, 'মই এজন একাউণ্টেচিৰ ছাত্ৰ, কিন্তু এতিয়া মোৰ সিবিলাকৰ স'তে কোনো সম্বন্ধ নাই।' আজিৰ শিক্ষা ব্যৱস্থাই সকলোকে চাকৰিমুখী কৰি তুলিছে, কিন্তু চাকৰি সৃষ্টি কৰিব পৰা শিক্ষা ব্যৱস্থা আমাৰ ৰাজ্যত আজিকোপতি হোৱা নাই বুলি সদৰী কৰি মহাযোগী অৰবিন্দৰ উদ্ধৃতি দি কয়, 'যদি কোনো এজন লোকৰ প্ৰকৃত জ্ঞান থাকে, তেন্তে তেওঁৰ বাবে এটা কৰ্ম নিশ্চিত। আধুনিক মানুহে বিজ্ঞানৰ প্ৰশ্ৰয় দিয়ে, বিজ্ঞান জনাৰ বাবে নহয়। আধুনিক মানুহে দৰ্শন, শাস্ত্ৰ, সংস্কৃতিক কিয় গুৰুত্ব নিদিয়ে। কিয়নো সংস্কৃতিয়ে মানুহৰ জীৱন স্বাচ্ছন্দ্য কৰি নোতোলে। উপস্থিত থকা শিক্ষক-শিক্ষয়িত্ৰীসকলক স্বামী বিবেকানন্দই কৰা মন্তব্যৰ আধাৰত কয় যে যদিহে শিক্ষকসকলে নিজকেই নিয়ন্ত্ৰণ কৰিব নোৱাৰে, তেন্তে ছাত্ৰ-ছাত্ৰীক নিয়ন্ত্ৰণ কৰাৰ ক্ষমতাও হেৰুৱাই পেলায়। ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাত লাভ কৰা নম্বৰৰ আধাৰত ব্যৱহাৰ নকৰি সমভাৱে দৃষ্টি নিক্ষেপ কৰাতো অত্যন্ত জৰুৰী। লগতে খং দমন কৰা, মিছা কথাৰ প্ৰশ্ৰয় নিদিয়া আৰু সহনশীলতা খুবেই প্ৰয়োজনীয়। স্বামী বিবেকানন্দৰ বহু মূল্যৱান বাণী উল্লেখ কৰি উপস্থিত শিক্ষক সমাজক সেই বাণী সৰোগত কৰি শিক্ষা প্ৰদানৰ বাবেও আহ্বান জনায় শৰ্মাই। সাৰগৰ্ভ ভাষণৰ সামৰণিৰ পাছতে শিক্ষকসকলৰ লগত অন্তৰংগ আলাপ সমাপন কৰি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ স'তেও এক বৌদ্ধিক আলোচনা কৰে।

# শালকোচা-টিপকাই নৈত চলিছে শিল-বালিৰ চোৰাং বেহা

## সংৰক্ষিত বনাঞ্চলত অবাধ ধ্বংস যজ্ঞ-বেদখল

অগ্ৰদূত বাৰ্তা
**বগৰীবাৰী, ২৪ আগষ্ট ঃ** ধুবুৰী জিলাৰ শালকোচা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত সাপটগ্ৰাম বন বিটৰ অধীনস্থ নৈপৰীয়া বিভিন্ন অঞ্চলত এচাম চোৰাং শিল-বালিৰ ব্যৱসায়ীয়ে নদীত খনন চলাই ট্ৰেক্টৰ আৰু ডাম্পাৰত শিল-বালিভৰ্তি কৰি চৰকাৰী ৰাজহ ফাকি দি দিনে-নিশাই চলাইছে অবৈধ বেহা। ইমানদিনে শৈলমাৰী শিল-বালি মহলৰ চৰকাৰী লীজ নোহোৱা সত্ত্বেও অবৈধ শিল-বালিৰ মাফিয়াই এনেদৰে টিপকাই নৈত চলাই গৈছে অবৈধ খনন কাৰ্য। শালকোচা বনাঞ্চলিক বিষয়াই বৰ্তমান দেখিও নেদেখাকৈ কুলিৰ ভাও ধৰি আছে। এনে ৰমৰমীয়া ব্যৱসায়ৰ আঁৰত বন বিষয়া জড়িত থকাৰ কথাও ৰাইজে সন্দেহ কৰিছে। ইপিনে, নয়াহাট বজাৰৰ সমীপৱৰ্তী তথা বিটিআৰৰ সীমান্তৰ টিপকাই নৈৰ জিৰো পয়েণ্টৰ ওচৰৰ পাম কুৱেৰীৰ পৰাও একেদৰে দিনে-নিশাই চলিছে শিল-বালিৰ খনন কাৰ্য। চৰকাৰী বনজ সম্পদৰ ওপৰত চলোৱা এনে লুণ্ঠন কাৰ্য বন্ধ কৰিবলৈ ৰাইজে দাবী জনাইছে। আনহাতে, বিশ্ববিখ্যাত সোণালী বান্দৰৰ ৰম্যভূমি চক্ৰশীলা অভয়াৰণ্য, সৰ্পমাৰী, দুধনাথ, চান্দৰডিঙা, শ্ৰীগ্ৰাম, টোকৰাবান্দা, কালজানী আদি সংৰক্ষিত বনাঞ্চলত চলিছে চোৰাং বেপাৰীৰ অবাধ ধ্বংসযজ্ঞ। একেদৰে চলিছে বেদখল কাৰ্যও। জৈৱ বৈচিত্ৰ্যৰ প্ৰতি চৰম ভাবুকি অহা সত্ত্বেও শালকোচা বন বিষয়া ঘোৰ নিদ্ৰাত।

## ডবকাত চোৰাং ইউৰিয়া সাৰ জব্দ, ব্যৱসায়ী পলাতক



অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৪ আগষ্ট ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে হোজাই জিলাতো কৃষকে ইউৰিয়া সাৰৰ বাবে হাহাকাৰ কৰিব লগা হৈছে। এনে সময়তে অসাধু চক্ৰই ক'লা বজাৰত উচ্চ দৰদ সাৰ বিক্ৰী কৰি ৰমৰমীয়া ব্যৱসায় কৰি আহিছে। আজি ডবকাত এক গোপন সূত্ৰৰ পম খেদি আৰক্ষীয়ে ডবকাৰ পশ্চিম জাৰুণীৰ গাঁৱত অভিযান চলায়। এই অভিযান কালত মাচুম আহমেদ নামৰ লোকজনৰ ঘৰৰ পৰা চল্লিশ বস্তা ইউৰিয়া আৰু অন্য ৰাসায়নিক সাৰ জব্দ কৰে। সাৰখিনি অবৈধভাবে লোকজনৰ ৰান্ধনি ঘৰত মজুত কৰি ৰাখিছিল। আৰক্ষীৰ অভিযানৰ উমান পাই মাছুম আহমেদ পলায় যাবলৈ সক্ষম হয়। আৰক্ষীয়ে সাৰখিনি জব্দ কৰি কৃষি বিভাগৰ স'তে যোগাযোগ কৰে যদিও বহু পলমকৈ কৃষি বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হোৱাৰ অভিযোগ উঠিছে। পাছত কৃষি বিভাগৰ লোকে অবৈধভাৱে মজুত কৰা সাৰ বুলি আৰক্ষীক জনায়। কৃষি বিভাগৰ অমনযোগিতাৰ বাবে দুষ্ট চক্ৰই অনায়াসে কলা বজাৰত চৰা দামত সাৰ বিক্ৰী কৰি আহিছে। যোৱা কিছুদিন ধৰি হোজাই জিলাৰ বিভিন্ন স্থানত ইউৰিয়া সাৰ নাটনি হোৱাত কৃষক সকলে হাহাকাৰ কৰিব লগা হৈছে।

## দুজন ড্ৰাগছ সৰবৰাহকাৰীক আটক ধূলাত



অগ্ৰদূত বাৰ্তা

**দলগাঁও, ২৪ আগষ্ট ঃ** দৰঙৰ ধূলা থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত তীৰ, জুৱা, মদ, ভাং আৰু ড্ৰাগছকে আদি কৰি বিভিন্ন অপৰাধমূলক কাৰ্যই ছানি ধৰাৰ অভিযোগ উঠিছে। সমান্তৰালকৈ আৰক্ষীয়েও বিভিন্ন সময়ত অভিযান চলাই অপৰাধজনিত কাৰ্যত জড়িত থকা লোকক কৰায়ত্ত কৰিবলৈও সক্ষম হৈছে। কিন্তু কমাব পৰা নাই এই অপৰাধ। পুনৰাই ধূলা আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই দুজন লোকক আটক কৰিবলৈ সক্ষম হৈছে। ধূলা থানাৰ অন্তৰ্গত আম্বাছ চ'কৰ পৰা যোৱা নিশা ড্ৰাগছ সৰবৰাহকাৰী দুজনক আটক কৰিবলৈ সক্ষম হয় আৰক্ষী। আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই আটক কৰে মোৱাৰক আলী আৰু হাৰেজ আলী নামৰ যুৱক দুজনক। অভিযোগ মতে, আৰক্ষীৰ চকুত ধূলি দি দৰঙৰ বিভিন্ন অঞ্চলত দীৰ্ঘদিন ধৰি নিষিদ্ধ ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল যুৱক দুজনে। যুৱক দুজনৰ পৰা ১৯.৪ গ্ৰাম ড্ৰাগছ উদ্ধাৰ কৰে আৰক্ষীয়ে। যুৱক দুজনৰ বিৰুদ্ধে আৰক্ষীয়ে ১৮৬/২২ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি জেললৈ প্ৰেৰণ কৰে।

## নগাঁৱৰ নৈনৈত চুৰি কাণ্ড

বিশেষ সংবাদদাতা

**নগাঁও, ২৪ আগষ্ট ঃ** নগাঁও সদৰ আৰক্ষী থানাৰ অধীনস্থ নৈনৈ আৰক্ষী চকীৰ অন্তৰ্গত নৈনৈ চাৰিআলিৰ দুখন ব্যৱসায়িক প্ৰতিষ্ঠানত আজি পুৱতি নিশা চুৰি কাৰ্য সংঘটিত হোৱাত অঞ্চলজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য মতে, নৈনৈ চাৰিআলিৰ মুদৈ ভাণ্ডাৰ আৰু অসম ছিল্ক নামৰ ব্যৱসায়িক প্ৰতিষ্ঠান দুখনৰ ছাটাৰ ভাঙি চোৰৰ দলে লুটপাট চলায়। দলটোৱে প্ৰতিষ্ঠান দুখনৰ পৰা বিভিন্ন সামগ্ৰী চুৰি কৰি নিয়াৰ লগতে লক্ষাধিক টকা লুট কৰি নিয়ে। নৈনৈ আৰক্ষী চকীৰ নিচেই কাষতে থকা ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰি হোৱাৰ ঘটনাই আৰক্ষীৰ নিৰাপত্তাৰ দিশটো কিমান শক্তিশালী সেয়া স্পষ্ট কৰিছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে যদিও বাতৰি লিখা সময়লৈকে কাকো গ্ৰেপ্তাৰ কৰিব পৰা নাই।

## মাত্ৰ চাৰিদিনত দ্বিতীয়টো অৰ্ধগলিত মৃতদেহ উদ্ধাৰ খাৰুপেটীয়াত

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ২৪ আগষ্ট ঃ** দৰঙৰ খাৰুপেটীয়াত সঘনাই অৰ্ধগলিত মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা চাৰিদিনত খাৰুপেটীয়াত উদ্ধাৰ হৈছে দুটাকৈ মৃতদেহ। কালি খাৰুপেটীয়া নগৰৰ সাত নম্বৰ ৱাৰ্ডৰ এটা গেৰেজৰ পিছফালে নলাত উদ্ধাৰ হয় অৰ্ধগলিত অচিনাক্ত যুৱক এজন মৃতদেহ। এই খবৰ পোৱাৰ মাত্ৰকে ঘটনাস্থলীত খাৰুপেটীয়া থানাৰ পৰা আৰক্ষীৰ দল উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। তথ্য মতে, যোৱা ১৪ আগষ্টৰ দণ্ডীবমৰ নিশাৰে পৰা খাৰুপেটীয়াৰ ঠাকুৰপট্টিৰ সন্ধানহীন হৈ থকা ৰাকেশ চৌধুৰী নামৰ যুৱকজনৰ মৃতদেহ হ'ব পাৰে বুলি ৰাইজে সন্দেহ প্ৰকাশ কৰে। উল্লেখ্য যে ১৯ আগষ্টত খাৰুপেটীয়া থানাৰ ঘনশিমুলীত এটি পুখুৰীত এজন বৃদ্ধৰ মৃতদেহ উদ্ধাৰ হৈছিল।

## বৰপেটা ছোৱালী মহাবিদ্যালয়ত 'ইকুল-সিকুল' গীতৰ বাণীবদ্ধ ৰূপ উন্মোচন



বিশেষ সংবাদদাতা

**বৰপেটা, ২৪ আগষ্ট ঃ** বৰপেটা ছোৱালী মহাবিদ্যালয়ত আজি নবীন গীতিকাৰ তথা মহাবিদ্যালয়খনৰ দৰ্শন বিভাগৰ সহকাৰী অধ্যাপক ৰীতামণি বায়নে ৰচনা কৰা আৰু অসমৰ বিশিষ্ট সুৰকাৰ তথা কণ্ঠশিল্পী জেপি দাসৰ সুৰ আৰু কণ্ঠেৰে সমৃদ্ধ 'ইকুল-সিকুল' শীৰ্ষক এটি গীতৰ বাণীবদ্ধ ৰূপৰ উন্মোচন কৰা হয়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° বনজিৎ তহবিলদাৰে আঁত ধৰা আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বাৰীন্দ্ৰ ভূঞাই পৰিচালনা কৰা অনুষ্ঠানৰ আৰম্ভণিতে বৰপেটা ছোৱালী মহাবিদ্যোলয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসে আদৰণি ভাষণ আগবঢ়ায়। গীতটোৰ সুৰকাৰ তথা কণ্ঠশিল্পী জে পি দাসৰ উপৰি বৰপেটা অঞ্চলৰ কে'বাগৰাকী বিশিষ্ট সংগীত শিল্পী তথা গীতিকাৰ উপস্থিত থকা এই অনুষ্ঠানত গীতটো বাণীবদ্ধ ৰূপ বজাই গীতটো উন্মোনচন কৰে বিশিষ্ট সুৰকাৰ তথা কণ্ঠশিল্পী কবীন্দ্ৰ দাস তথা বিশিষ্ট গীতিকাৰ সুশীল দাসে। দুয়োগৰাকীয়ে উন্মোচিত গীতটোৰ অন্তৰ্নিহিত ভাবৰ গভীৰতাৰ বিষয়ে মন্তব্য কৰাৰ লগতে নবীন গীতিকাৰগৰাকীৰ সৃষ্টিশীলতাৰ অধিক বিকাশ কামনা কৰি চমুকৈ বক্তব্য দাঙি ধৰে। অনুষ্ঠানত গীতিকাৰ ৰীতামণি বায়নে তেওঁৰ এই সাংগীতিক যাত্ৰাৰ সূচনাৰ পটভূমি সম্পৰ্কে চমুকৈ কয়। অনুষ্ঠানৰ সামৰণিত বিশিষ্ট শিল্পী জে পি দাসে তেওঁ সুৰাৰোপ কৰা দুটি গীত পৰিৱেশন কৰি উপস্থিত সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে।

## সৰবৰহী মহিলা ইলা বৰুৱাৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৪ আগষ্ট ঃ** মঙলদৈ চহৰৰ শংকৰনগৰ নিবাসী, সৰবৰহী মহিলা ইলা বৰুৱা (৭৫)ৰ আজি বাৰ্ধক্যজনিত ৰোগত নিজা বাসগৃহত মৃত্যু হয়। মহিলাগৰাকী শেহতীয়াভাৱে বিভিন্ন ৰোগত আক্ৰান্ত হৈ আছিল। উল্লেখ্য যে একালৰ মঙলদৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ, কলেজখনৰ ল'ৰাৰ হোষ্টেলৰ অধীক্ষক, বিশিষ্ট সাহিত্যিক, সাংবাদিক প্ৰয়াত ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱাৰ সাহিত্যিক-সামাজিক জীৱনত তেওঁৰ পত্নী ইলা বৰুৱাৰ অৱদান আছিল চিৰস্মৰণীয়। তদুপৰি অঞ্চলটোৰ এজনী আগশাৰীৰ সৰবৰহী মহিলা আছিল তেওঁ। তেওঁৰ বিয়োগত মঙলদৈৰ বিধায়ক বসন্ত দাস, সাংবাদিক সংগঠন মঙলদৈ মিডিয়া চাৰ্কোল, কলেজ হোষ্টেলৰ প্ৰাক্তন আৱাসী তথা সাংবাদিক ভাৰ্গৱ কুমাৰ দাস, হিতেশ হাজৰিকা, দৰং অগপৰ নেতা নৱ কুমাৰ ডেকা, বিশিষ্ট ব্যৱসায়ী দ্বিজেন শৰ্মা আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ মণিকাঞ্চন বৰুৱা আৰু মণিকংকন বৰুৱাসহ দুই বোৱাৰীসহ বহু আত্মীয়ক এৰি যায়।

## মদনপুৰ টোলগেটৰ সমীপত দুৰ্ঘটনাত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বাইহাটা চাৰিআলি, ২৪ আগষ্ট ঃ** কামৰূপ জিলাৰ চাংসাৰি থানাৰ অন্তৰ্গত চাৰিলেনযুক্ত ঘাইপথৰ মদনপুৰ টোলগেটৰ সমীপত আজি বিয়লি প্ৰায় পাঁচ বজাত এক পথ দুৰ্ঘটনা সংঘটিত হয়। আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি, এএছ-০১ বিভি-৩২০৬ ৱেগন'ৰখনে ঘাইপথৰ সমীপৰ ৰাণী মটৰ ৱৰ্কছপৰ পৰা ওলাই বাইহাটা চাৰিআলি অভিমুখে যাবলৈ ধৰোতেই একে দিশে আহি থকা এএছ-০১ ইপি-৯২৯৩ নম্বৰৰ ছুইফট ডিজায়াৰখনে প্ৰচণ্ড জোৰে খুন্দা মাৰে। ফলত ওৱেগন'ৰখনৰ চালকজনৰ থিতাতে মৃত্যু হয়। মৃত লোকজন চাংসাৰি থানাৰ অন্তৰ্গত পিয়লিখাটাৰ পৰেশ ধিঙৰ একমাত্ৰ পুত্ৰ কিশোৰ ধিং (৩৫)। দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়ত কিশোৰৰ পিতৃ পৰেশ ধিং লগতে আছিল যদিও সৌভাগ্যক্ৰমে তেওঁ আঘাত হোৱাৰ পৰা ৰক্ষা পৰে। ঘটনা সংঘটিত হোৱাৰ কিছু সময় পাছতেই চাংসাৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ কিশোৰক তোলাৰাম বাফনা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে মৃত্যু হোৱা বুলি নিশ্চিত কৰে। আৰক্ষীয়ে পাছলৈ কিশোৰৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে জিএমচি হাস্পতাললৈ প্ৰেৰণ কৰে। ২৭ বছৰীয়া সদ্য বিৱাহিত অমায়িক যুৱকজনৰ আকস্মিক মৃত্যুত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰিছে।

# নুমলীগড়ৰ ধ'লাগুৰি চাহ বাগিচাত উত্তপ্ত পৰিস্থিতি

### ন্যায্য প্ৰাপ্যৰ দাবীত শ্ৰমিক ৰাইজৰ ধৰ্ণা প্ৰদৰ্শন

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ২৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ নুমলীগড়ৰ সমীপৰ মৰাঙিৰ ধ'লাগুৰি চাহ বাগিচাৰ শ্ৰমিক ৰাইজে ঐক্যবদ্ধভাৱে ওলাই আহি আজিৰে পৰা ন্যায্য প্ৰাপ্যৰ দাবীত তিনিদিনীয়া ধৰ্ণা কাৰ্যসূচী গ্ৰহণ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছে। শ্ৰমিকসকলে হাতে হাতে প্লে-কাৰ্ড লৈ দিয়া বিভিন্ন



শ্ল'গানে ধ'লাগুৰি চাহ বাগিচাৰ আকাশ-বতাহ কঁপাই তোলে। উল্লেখ্য যে অসম চাহ মজদুৰ সংঘৰ ধ'লাগুৰি বাগিচা শাখাৰ উদ্যোগত হোৱা এই প্ৰতিবাদী কাৰ্যসূচীযোগে ২০১৯ চনৰ পৰা শ্ৰমিকৰ পাব লগা প্ৰাপ্য আদায় দিয়া, অস্থায়ী শ্ৰমিকৰ মজুৰি বৃদ্ধি কৰা, অস্থায়ী শ্ৰমিকৰ ভৱিষ্যনিধিৰ ব্যৱস্থা কৰা, খোৱাপানী আৰু বিদ্যুতৰ সুব্যৱস্থা কৰা, উন্নতমানৰ এম্বুলেন্স সেৱাৰ ব্যৱস্থা কৰাকে আদি কৰি সমস্যা সমূহ সমাধানৰ দাবী জনাইছে। বাগিচা কৰ্তৃপক্ষই দাবীসমূহ অতি শীঘ্ৰে পূৰণ নকৰিলে ধাৰাবাহিক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও সকীয়াই দিয়ে। আজিৰে পৰা তিনিদিনীয়া আন্দোলনৰ কাৰ্যসূচী চলিব বুলি প্ৰকাশ কৰে চাহ মজদুৰ সংঘই। উল্লেখ্য যে ধলাগুৰী চাহ বাগিচাখন গুৱাহাটীস্থ নৃপেন কুমাৰ তালুকদাৰ মালিকানাধীন বুলি জানিব পৰা গৈছে।

## লক্ষীপুৰত অবৈধ কাঠফলা মিলসহ বৃহৎ পৰিমাণৰ মূল্যবান শাল, চেগুনৰ কুণ্ডা জব্দ

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ২৪ আগষ্ট ঃ** গোৱালপাৰাৰ লক্ষীপুৰ বন বিভাগে বনজ সম্পদৰ চোৰাং কাৰবাৰৰ বিৰুদ্ধে বিভিন্ন প্ৰান্তত এপযেক ধৰি অব্যাহত ৰাখিছে নিয়মীয়া অভিযান। সেই উদ্দেশ্যে আজি দুপৰীয়াৰ ভাগতো লক্ষীপুৰ বন বিভাগ আৰু ৰংছাই আৰক্ষীয়ে মিলি দ'দান গাঁও পঞ্চায়তৰ দেপালচুং গাঁৱত অভিযান চলায়। উল্লেখ্য যে চৌদিশে জংঘলেৰে আৱৰা দেপালচুং গাঁৱৰ গোপন স্থানত এচাম বন ধ্বংসকাৰীয়ে বহুৱাই লৈছিল এটা অবৈধ কাঠফলা মিল। আনহাতে, কাঠফলা যন্ত্ৰাংশৰ শব্দ যথাসম্ভৱ কম কৰাৰ বাবে যন্ত্ৰাংশটোৰ এটা অংশত কৌশলগতভাবে লগাই লৈছিল উন্নত মানৰ ছাইলেন্সাৰ পাইপ। এনে পদ্ধতিৰে দুষ্কৃতিকাৰীয়ে সংগোপনে ফালিবলৈ লৈছিল মূল্যবান শাল আৰু চেগুনৰ কাঠ। দুষ্কৃতিকাৰীৰ এই কাৰ্যৰ বিষয়ে বন বিভাগে পোৱা এক বিশেষ খবৰৰ ভিত্তিত উক্ত অবৈধ কাঠফলা মিলত অতৰ্কিতে অভিযান চলায়। বন বিষয়া ধ্ৰুৱ দত্তৰ নেতৃত্বত যোৱা অভিযানকাৰীৰ বৃহৎ দলটোক দেখি দুষ্কৃতিকাৰীয়ে জংঘলৰ আঁৰ লৈ পলায়ণ কৰে। পাছত অভিযানকাৰীয়ে অবৈধ কাঠফলা মিলসহ বৃহৎ পৰিমানৰ পৈণত শাল আৰু চেগুনৰ কুণ্ডাবোৰ জব্দ কৰাৰ লগতে মিলগৃহটো সম্পূৰ্ণভাৱে ভাঙি পেলায়। শেষত জব্দকৃত মূল্যবান কুণ্ডাবোৰ দুখন ট্ৰেক্টৰ আৰু এটা ডিআই বাহনেৰে লক্ষীপুৰ বন কাৰ্যালয়লৈ নিয়ে। জব্দকৃত কুণ্ডাখিনিৰ বজাৰ মূল্য তিনি লক্ষাধিক হ'ববুলি বন বিষয়াজনে সদৰী কৰে।

### অতিশীঘ্ৰেই প্ৰকল্পৰ কাম আৰম্ভ হ'ব-মন্ত্ৰী পাটোৱাৰী

## তীৰ্থনগৰী হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত অত্যাধুনিক এস্কেলেটৰ'

অগ্ৰদূত বাৰ্তা

**হাজো, ২৪ আগষ্ট ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত তীৰ্থনগৰী হাজোৰ ঐতিহ্যমণ্ডিত হয়গ্ৰীৱ মাধৱ মন্দিৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে উন্নয়নৰ নৱসংযোজনৰ সিদ্ধান্তৰে এটি বিজুলীচালিত অত্যাধুনিক 'এস্কেলেটৰ' প্ৰকল্পৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যাৰ বাবে আজি মন্দিৰৰ উক্ত ঠাই পৰিদৰ্শন কৰে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। আৰু অতি শীঘ্ৰেই 'এস্কেলেটৰ'ৰ কাম আৰম্ভ হ'ব বুলি উল্লেখ কৰে। বিশেষকৈ শাৰীৰিকভাৱে সক্ষম, ৰুগীয়া, বয়োজ্যেষ্ঠ লোকসকলৰ সুবিধাৰ্থে 'এস্কেলেটৰ'ৰ ব্যৱস্থাৰে উন্নয়নৰ নৱ সংযোজনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰে কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী পাটোৱাৰীয়ে। আজিৰ পৰিদৰ্শন কালত মন্ত্ৰী পাটোৱাৰীক সংগ দিয়ে গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, কামৰূপ জিলা উপায়ুক্ত কীৰ্তি জল্লী, হাজো ৰাজহ চক্ৰ বিষয়া জাহ্নৱী সোণোৱাল, অসম যুৱ আয়োগৰ সদস্য সচিব ৰাতুল শৰ্মা প্ৰমুখ্যে প্ৰায়সংখ্যক দলীয় কৰ্মী-বিষয়ববীয়াই। সমান্তৰালভাৱে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ উন্নয়নমুখী প্ৰকল্পক শলাগ লৈ তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনাৰে ভগৱানৰ শ্ৰীচৰণত আশিস লয় বিধায়িকা সুমন হৰিপ্ৰিয়াই। তদুপৰি হয়গ্ৰীৱ মাধৱ মন্দিৰৰ বিষ্ণুপুষ্কৰ পুখুৰীৰ কাছসমূহ প্ৰত্যক্ষ কৰি কাছ বিশেষজ্ঞৰ পৰামৰ্শমতে কাছসমূহৰ সংৰক্ষণৰ বাবে জিৰণি ল'ব পৰা ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰতো বাৰ্তালাপ কৰে বুলি উল্লেখ কৰে মন্ত্ৰী পাটোৱাৰীয়ে।

### দোষীক শাস্তিৰ দাবীত ধৰ্ণাত বহিল আশাকৰ্মী সন্থা

## নীলিবাৰীত আশাকৰ্মীৰ ওপৰত আক্ৰমণ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৪ আগষ্ট ঃ** চিৰাং জিলাৰ ঢালিগাঁও থানাৰ অন্তৰ্গত নীলিবাৰীত কৰ্তব্যৰত আশাকৰ্মীক শাৰীৰিকভাৱে আক্ৰমণ কৰা ঘটনা সংঘটিত হৈছে এইবাৰ। আক্ৰমণত আহত আশাকৰ্মীৰ নাম আমিৰণ নেছা (৫০)। এইবাৰ দুৰ্বৃত্তৰ আক্ৰমণত গুৰুতৰভাৱে আহত আশাকৰ্মীগৰাকীক কাজলগাঁৱৰ জেএমচি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। দুৰ্বৃত্তৰ দ্বাৰা কৰ্তব্যৰত আশাকৰ্মীক আক্ৰমণ কৰা ঘটনাক কেন্দ্ৰ কৰি আশাকৰ্মীসকলৰ মাজত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। প্ৰাপ্ত তথ্য অনুসৰি, কালি দুপৰীয়াৰ ভাগত নীলিবাৰীৰ জনৈক আকবৰ আলীৰ ঘৰৰ গৰ্ভৱতী মহিলাৰ খবৰ ল'বলৈ যোৱাৰ সময়তে আশাকৰ্মী আমিৰণ নেছাৰ স'তে আকবৰে



প্ৰথমে বাক-বিতণ্ডাত লিপ্ত হয়। তাৰ পাছত শাৰীৰিকভাৱে আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰে। ঘটনাৰ পাছত কালিৰ দিনটোতে জিলা উপায়ুক্তক জনোৱা হৈছিল যদিও ঘটনাৰ ২৪ ঘণ্টা উকলি যোৱাৰ পাছতো জিলা আৰক্ষীয়ে দোষী আকবৰক আটক নকৰাত আশাকৰ্মীসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজি আশাকৰ্মীসকলৰ নিৰাপত্ত সুনিশ্চিত, আশাকৰ্মীক আক্ৰমণ কৰা দোষীক আটক কৰাৰ দাবীত কাজলগাঁৱৰ জেএমচি অসামৰিক চিকিৎসালয়ৰ সন্মুখত চিৰাং জিলা আশাকৰ্মী সন্থাই বিক্ষোভ প্ৰদৰ্শন কৰে। আজিৰ ভিতৰতে যদি আশাকৰ্মীক আক্ৰমণ কৰা দোষী ব্যক্তিক আটক নকৰে তেনেহ'লে চিৰাং জিলাৰ আশাকৰ্মীসকলে অনিৰ্দিষ্ট কালৰ বাবে কৰ্মবিৰতি পালন কৰাৰ হুংকাৰ প্ৰদান কৰে।

## সৰুপেটাত ৰেলযাত্ৰী সংস্থাৰ দুঘণ্টীয়া যৌথ অৱস্থান ধৰ্মঘটৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ২৪ আগষ্ট ঃ** অহা ২৭ আগষ্টত সৰুপেটা ৰেল ষ্টেছনত দুঘণ্টীয়া যৌথ অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সৰুপেটা ৰেল যাত্ৰী সংস্থাৰ সভাপতি প্ৰাণেশ্বৰ বৈশ্যই আজি এই কথা সদৰী কৰিছে। অসম ৰেল যাত্ৰী সংস্থাৰ আহ্বানত আৰু সৰুপেটা ৰেল যাত্ৰী সংস্থাৰ উদ্যোগত সেইদিনা দিনৰ ১০ বজাৰ পৰা ১২ বজালৈ উক্ত ধৰ্মঘট কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি সভাপতিজনে জানিবলৈ দিছে। কাৰ্যসূচীত ক'ভিডকালীন সময়ৰে পৰা বন্ধ হৈ থকা ৫৫৮১৮ নম্বৰৰ গুৱাহাটী-ৰঙিয়া-নিউ বঙাইগাঁও পেছেঞ্জাৰ ট্ৰেইনখনৰ চলাচল নিয়মীয়াকৈ আৰম্ভ কৰোৱাৰ ব্যৱস্থা কৰা, গুৱাহাটী সংযোগী অত্যন্ত জুৰুৰী সেৱা হিচাপে বিবেচিত ১৫৭৭১ নম্বৰৰ আলিপুৰদুৱাৰ-ৰঙিয়া-গুৱাহাটী ইণ্টাৰচিটী এক্সপ্ৰেছ আৰু ৫৫৭১৩/৭১৪ নম্বৰৰ নিউ জলপাইগুৰি আৰু ৰঙিয়া চহৰ সংযোগী পেছেঞ্জাৰ দুয়োখন ট্ৰেইনৰে চলাচল পুনৰ আৰম্ভ কৰাৰ লগতে দুয়োখন ট্ৰেইন সৰুপেটা ষ্টেছনত নিয়মীয়াকৈ ৰখোৱাৰ ব্যৱস্থা কৰা, ৫৫৮১০ নম্বৰ গুৱাহাটী নিউ বঙাইগাঁও পেছেঞ্জাৰ ট্ৰেইনখনৰ যাত্ৰাপথ কোকৰাঝাৰলৈকে সম্প্ৰসাৰিত কৰাৰ ব্যৱস্থা কৰা আদি বিষয়সমূহৰ লগতে পৰাধীন ভাৰতত ১৯২৮ তে স্থাপিত সৰুপেটা ৰেল ষ্টেছনৰ উন্নয়ন আৰু সৰুপেটা ৰেল ষ্টেছনেৰে জড়িত বিভিন্ন স্থানীয় বিষয় ধৰ্মঘটস্থলীত আলোচনা কৰা হ'ব।

## মাধৱদেৱ বিশ্ববিদ্যালয়ৰ ষষ্ঠ ষাণ্মাসিকৰ ফলাফল ঘোষণা

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২৪ আগষ্ট ঃ** মাধৱদেৱ বিশ্ববিদ্যালয়ৰ স্নাতক ষষ্ঠ যাণ্মাসিকৰ ফলাফল ঘোষণা কৰা হয়। ঘোষিত ফলাফল অনুসৰি, বিজ্ঞান শাখাত ৯৪.২০ শতাংশ আৰু কলা শাখাত ৮৮.২১ শতাংশ শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। বিজ্ঞান শাখাত অৱতীৰ্ণ হোৱা মুঠ ১৩৮ গৰাকী শিক্ষাৰ্থীৰ ১৩০ গৰাকী উত্তীৰ্ণ হোৱাৰ বিপৰীতে কলা শাখাত অৱতীৰ্ণ মুঠ ২৮০ গৰাকী শিক্ষাৰ্থীৰ ২৪৭ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। মাধৱদেৱ মহাবিদ্যালয় বিশ্ববিদ্যালয়লৈ উন্নিত হোৱাৰ পাছত পোন প্ৰথমবাৰৰ বাবে এই ফলাফল ঘোষণা কৰা হয়।

এই উদ্দেশ্যে বিশ্ববিদ্যালয়ৰ সভাকক্ষত উপাচাৰ্য ড° দিবাকৰ চন্দ্ৰ ডেকাই সংবাদমেল সম্বোধন কৰি এই ফলাফল ঘোষণা কৰে। উপাচাৰ্যজনে চলিত বৰ্ষৰ ছেপ্টেম্বৰৰ পৰা ১৪ টা বিষয়ত স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ্যক্ৰম আৰম্ভ হ'ব বুলিও সদৰী কৰে। সংবাদমেলত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° শৰৎ হাজৰিকা আৰু উপ-পঞ্জীয়ক ড° ক্ষীৰপদ দত্তৰ লগতে আন কে'বাজনো অধ্যাপক উপস্থিত থাকে।

## জুৰীয়াত আৰক্ষীৰ জালত পৰিল কুখ্যাত দুৰ্ধৰ্ষ ডকাইত ইজাজুল ওৰফে ইজু

### পিষ্টল-মেগজিনসহ গুলি উদ্ধাৰ

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**নগাঁও/জুৰীয়া, ২৪ আগষ্ট ঃ** জুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অদিথ বড়োৰ নেতৃত্বত যোৱা নিশা আৰক্ষীৰ এটা অভিযানকাৰী দলে থানাখনৰ অধীনৰ ধিংবৰী চাপৰি গাঁৱত চলোৱা অভিযানত এজন দুৰ্ধৰ্ষ ডকাইতক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱা ডকাইতজন ইজাজুল ওৰফে ইজু। হত্যা, ডকাইতি, লুণ্ঠন, অপহৰণ আদি বিভিন্ন অপৰাধত অভিযুক্ত আছিল ধৃত ইজু। তেওঁৰ জিম্মাৰ পৰা এটা ৭.৬৫ এমএম পিষ্টল আৰু এটা মেগজিনসহ পাঁচজাই সজীৱ গুলি উদ্ধাৰ কৰে। ইফালে, নগাঁও জিলাৰ বিভিন্ন থানাত ইজুৰ বিৰুদ্ধে ৰুজু হৈ আছে বহু গোচৰ। দীৰ্ঘদিন ধৰি আৰক্ষীৰ চকুত ধূলি দি আত্মগোপন কৰি আছিল ডকাইত ইজুৱে। একপ্ৰকাৰে নগাঁও আৰক্ষীৰ বাবে মূৰৰ কামোৰণি আছিল ইজু। সম্প্ৰতি জুৰীয়া আৰক্ষীয়ে ডকাইতজনক জেৰা অব্যাহত ৰাখিছে।

### অত্যধিক গৰম-পুষ্টিহীনতাৰ বাবে ৰোগত আক্ৰান্ত ছাত্ৰ-ছাত্ৰী ঃ চিকিৎসাকৰ্মী ঃ ৰঙাগড়া চাহ বাগিচাত নাই চিকিৎসক ৰোগীৰ মাজত হাহাকাৰ

## ৰঙাগড়া বাগিচা প্ৰাথমিক বিদ্যালয়ত পাঠদানৰ মাজতে অসুস্থ ১২ ছাত্ৰ-ছাত্ৰী

**খুমটাই, ২৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ ৰঙাগড়া বাগিচা প্ৰাথমিক বিদ্যালয়ত কালি বিদ্যালয়খনৰ পাঠদান চলি থকাৰ মাজতে হঠাৎ কে'বাগৰাকী ছাত্ৰ-ছাত্ৰী অসুস্থ হৈ পৰাত চিন্তিত হৈ পৰে বিদ্যালয় কৰ্তৃপক্ষ। উল্লেখ্য যে প্ৰথমে বিদ্যালয়খনৰ পঞ্চম শ্ৰেণীৰ জানটু মিৰ্ধা নামৰ ছাত্ৰজন জ্বৰ-কাঁহ আৰু কঁপনিৰ লগতে উশাহ-নিশাহত কষ্ট পোৱাত বিদ্যালয়খনৰ প্ৰধান শিক্ষকে বিদ্যালয়খনৰ সমীপতে থকা ৰঙাগড়া বাগিচা চিকিৎসালয়ত ভৰ্তি কৰায় প্ৰাথমিক চিকিৎসাৰ সুবিধা কৰি অভিভাৱক অৱগত কৰে। ইয়াৰ পাছতেই বিদ্যালয়খনৰ অধ্যয়নৰত আদিত্য কুমাৰ, শিৰ্বানী গোৱালা, অৰ্পিতা মাল, ববী কায়স্থ আদিকৰি ১০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ হঠাৎ মুৰঘূৰণি, জ্বৰ, অত্যধিক কাঁহ, শ্বাস-প্ৰশ্বাসত অসুবিধা হোৱাত বিদ্যালয় কৰ্তৃপক্ষই ততাতৈয়াকৈ বাগিচাখনৰ চিকিৎসালয়ত প্ৰাথমিক চিকিৎসা প্ৰদান কৰায়। ইফালে, বাগিচাখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ অসুস্থ হোৱাৰ বাতৰি বিয়পি পৰাৰ লগে লগে সমগ্ৰ বাগিচাখনত এক আতংকময় পৰিৱেশৰ সৃষ্টি হয়। আনহাতে, বাগিচাখনৰ ফাৰ্মাচিষ্ট আৰু নাৰ্ছগৰাকীয়ে অসুস্থ হৈ পৰা ছাত্ৰ-ছাত্ৰীসকল



চিকিৎসা প্ৰদান কৰি বৰ্তমান অতিপাত গৰম আৰু পুষ্টিহীনতাত ভুগি ছাত্ৰ-ছাত্ৰীসকল ৰোগত আক্ৰান্ত হোৱাৰ সন্দেহ কৰা হৈছে বুলি সদৰী কৰে। ইফালে, ৰঙাগড়া চাহ বাগিচাৰ চিকিৎসালয়খনত চিকিৎসক নথকাত বিমোৰত পৰিছে অভিভাৱকসকল। কাৰণ বাগিচাখনত এজন চিকিৎসক আছিল যদিও বিশেষ কাৰণত কেইদিনমান আগতেই চিকিৎসকগৰাকীয়ে বাগিচা চিকিৎসালয়খনৰ পৰা অব্যাহতি লয় বুলি স্থানীয় ৰাইজে মন্তব্য প্ৰদান কৰিছে। যাৰফলত বাগিচাখনত বিভিন্ন ৰোগত আক্ৰান্ত ৰোগীসকলৰ মাজত হাহাকাৰ পৰিস্থিতি সৃষ্টি হৈছে। চিন্তনীয় বিষয় যে বৰ্তমান সময়তো ৰঙাগড়া বাগিচা প্ৰাথমিক বিদ্যালয়ত অধ্যয়নৰত কে'বাগৰাকীও ছাত্ৰ-ছাত্ৰী জ্বৰ-কাঁহত আক্ৰান্ত হৈ আছে।

## ৰঙিয়াত পুনৰ আৰক্ষীৰ জালত কুখ্যাত ড্ৰাগছ মাফিয়া ঃ বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ



অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২৪ আগষ্ট ঃ** ৰঙিয়াত পুনৰ আৰক্ষীৰ জালত পৰিল কুখ্যাত ড্ৰাগছ মাফিয়া ইউনিচৰ ৰহমান। ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ মল্ল পাটোৱাৰী আৰু উপ-পৰিদৰ্শক এলেক্স সোনোৱালে ড্ৰাগছৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান অব্যাহত ৰখাৰ সময়তে আটক কৰিবলৈ সক্ষম হয় কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী ইউনিচৰ ৰহমানক। ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ মল্ল পাটোৱাৰীয়ে জনোৱা মতে, এক গোপন সূত্ৰৰ পম খেদি ৰঙিয়া ছেপ্টিত ড্ৰাগছ সৰবৰাহ কৰি থকা অৱস্থাত অতৰ্কিতে অভিযান চলাই আৰক্ষীয়ে হাতে লোটে ড্ৰাগছ মাফিয়া ইউনিচৰক আটক কৰে। ধৃত সৰবৰাহকাৰীজনৰ পৰা ৬.৫০ গ্ৰাম হেৰ'ইন ভৰ্তি ২০ টা কন্টেইনাৰ জব্দ কৰে আৰক্ষীয়ে। বৰ্তমান যুৱকজনক আৰক্ষীয়ে মাৰাথন জেৰা অব্যাহত ৰাখিছে ।

## প্ৰাথমিক শিক্ষা মাতৃভাষাত কৰাৰ দাবীত স্বাক্ষৰ অভিযান অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২৪ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰভাগৰ আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান বৰভাগ মহাবিদ্যালয়ত আজি প্ৰাথমিক শিক্ষা মাতৃভাষাত কৰাৰ দাবীত স্বাক্ষৰ অভিযান কাৰ্যসূচী ৰূপায়ণ কৰে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ জৰিয়তে অসমৰ শিক্ষা ব্যৱস্থাত মাতৃভাষাৰ দ্বাৰা শিক্ষা প্ৰদানৰ ক্ষেত্ৰত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ উদ্যোগত ৰূপায়ণ কৰা স্বাক্ষৰ অভিযান কাৰ্যসূচী বৰভাগ মহাবিদ্যালয়ত বিদ্যাৰ্থী পৰিষদৰ বৰভাগ শাখাৰ উদ্যোগত ৰূপায়ণ কৰা হয়। প্ৰায় তিনিশৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা উক্ত স্বাক্ষৰ অভিযানত কাৰ্যসূচীৰ জৰিয়তে পৰিষদে নিজৰ স্বতন্ত্ৰ ধাৰণা সুস্পষ্ট কৰাৰ লগতে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ক্ষেত্ৰত কোনো কাৰণতে কোনোধৰণৰ আপোচ কৰা নহ'ব বুলি উল্লেখ কৰি বিষয় সন্দৰ্ভত ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনায়।



# ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত মাতৃ-কন্যাৰ পদক অৰ্জনৰ সাফল্য

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৪ আগষ্ট ঃ** মঙলদৈৰ এহাল মাতৃ আৰু কন্যাই পৃথকে পৃথকে ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত দুটাকৈ পদক আজুৰি মঙলদৈৰ লগতে ৰাজ্যখনলৈ এক বিৰল আনন্দ কঢ়িয়াই আনিছে । যোৱা ১৮-২০ আগষ্টত জম্মু- কাশ্মীৰৰ সোনমাৰ্গত অনুষ্ঠিত হৈ যোৱা ৪৪ সংখ্যক ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত মঙলদৈ চহৰৰ উপহুপাৰাৰ প্ৰাক্তন সৈনিক ৰঞ্জন কুমাৰ বৰুৱাৰ কন্যা কুমাৰী ৰঞ্জিতা বৰুৱাই অসমক প্ৰতিনিধিত্ব কৰি ৫৫ কেজি শাখাত সোণৰ পদক আৰু ৰঞ্জিতাৰ মাতৃ তথা ৰঙামাটি স্বাস্থ্য কেন্দ্ৰৰ এ এন এম ৰঞ্জু বৰুৱাই ৬০ কিলো শাখাত ব্ৰঞ্জৰ পদক লাভ কৰি অসম তথা মঙলদৈলৈ গৌৰৱ কঢ়িয়াই আনিছে । কৃতিমান খেলুৱৈ মাতৃ-কন্যা ক্ৰমে ৰঞ্জিতা আৰু ৰঞ্জুক ইতিমধ্যে ফোনযোগে মঙলদৈৰ বিধায়ক বসন্ত দাস , আন্তঃ মঙলদৈ ছাত্ৰ সন্থা, মঙলদৈ মিডিয়া চাৰ্কোল আদিয়ে ফোনযোগে শুভেচ্ছা জনাইছে । পদকসহ খেলুৱৈ দুগৰাকী মঙলদৈত আহি উপস্থিত হোৱাৰ লগে লগে বিভিন্ন মহলে আদৰণি জনাইছে লগতে অনাগত সময়তো সফলতা লাভ কৰি অসমৰ সুনাম বৃদ্ধিৰ শুভেচ্ছা দিছে।



# সৰ্বভাৰতীয় স্বাধীনতা কাপ কাৰাটে প্ৰতিযোগিতাত চাৰি খেলুৱৈৰ পদক

**বিশেষ সংবাদদাতা, নগাবাট, ২৪ আগষ্ট ঃ** তিতাবৰ মহকুমাৰ অন্তৰ্গত বৰহোলাৰ বালিজান কাৰাটে একাডেমীৰ চাৰিগৰাকী খেলুৱৈয়ে আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক লাভ কৰি বৃহত্তৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে নতুন দিল্লীত অনুষ্ঠিত সৰ্বভাৰতীয় স্বাধীনতা কাপ কাৰাটেত বালিজান কাৰাটে একাডেমীৰ সাত গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। ইয়াৰে আশীষ গগৈয়ে ৩০ কেজি শাখাত সোণৰ পদক, বন্তি দলে ৪৫ কেজিত সোণ, কপিল মিলিয়ে ৫০ কেজি উৰ্ধত ৰূপ আৰু তৃষণা পায়েঙে ৫০ কেজিত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। প্ৰশিক্ষক ক্ৰমে দেৱজিৎ মিছিং আৰু মুন্না ৰেগনৰ তত্বাৱধানত খেলুৱৈসকলে প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। প্ৰতিগৰাকী খেলুৱৈক উৎসাহ যোগোৱাৰ উদ্দেশ্যে বালিজান মুৰং ঘৰত স্থানীয় বহু সংখ্যক ৰাইজৰ উপস্থিতিত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। বালিজান কাৰাটে একাডেমীৰ সম্পাদক ৰংমন পায়েঙে আঁত ধৰা সভাত সভাপতিত্ব কৰে শিক্ষক গৌৰৱ পায়েঙে। সভাত বালিজান কাৰাটে একাডেমীৰ সভাপতি দীপজ্যোতি দলে, সাংবাদিক অজয় শইকীয়া আদিয়ে অংশগ্ৰহণ কৰে। ইফালে ডিবৈগত অনুষ্ঠিত এখন আন্তঃৰাজ্যিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বালিজান কাৰাটে একাডেমীৰ পৰা দুজনে সোণ, তিনিজনে ৰূপ আৰু তিনিজনে ব্ৰঞ্জৰ পদক লাভ কৰিছিল। তেওঁলোককো উক্ত সভাতে সম্বৰ্ধনা জ্ঞাপন কৰে।

## ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল ঃ ড্ৰ খেলি দৃঢ় স্থিতিত মুম্বাই চিটী

# দ্বিতীয় মেচতো আশাহত মোহন বাগান

**কলকাতা, ২৪ আগষ্ট ঃ** এ টি কে মোহন বাগানে চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ নিজৰ দ্বিতীয়খন গ্ৰুপ মেচতো জয়ৰ মুখ নেদেখিলে। আজি কলকতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত হোৱা গ্ৰুপ 'বি' মেচত ক্লাবে প্ৰথমে গ'ল কৰাৰ পাছতো ১-১ ত ড্ৰ খেলি পইণ্ট ভগাই লয় মুম্বাই চিটী এফ চিৰ বিৰুদ্ধে। উল্লেখ্য যে ইয়াৰপূৰ্বে নিজৰ প্ৰথমখন গ্ৰুপ মেচত ৰাজস্থান ইউনাইটেডৰ হাতত অপ্ৰত্যাশিত পৰাজয়ৰ সন্মুখীন হোৱা এ টি কে মোহন বাগান ক্লাবৰ বাবে আজিৰ মেচখন অতি গুৰুত্বপূৰ্ণ আছিল। দলে খেলৰ ৪০ মিনিটত প্ৰথমে গ'ল কৰি আশাৰ আৰম্ভণিও কৰে। লিছটনৰ গ'লৰ সহায়ত বিৰতিলৈ আগুৱাই থাকে মোহন বাগান। কিন্তু খেলৰ ৪০ মিনিটত মুম্বাই দলৰ হৈ পেৰেইৰাই গ'ল কৰি মেচত সমতা স্থাপন কৰে লগতে মোহন বাগানৰ আশাত চেচাপানী ঢালি দিয়ে। উল্লেখ্য যে মুম্বাই চিটীয়ে ইয়াৰপূৰ্বে প্ৰথম মেচত নৌ সেনাৰ দলক পৰাস্ত কৰিছিল। সেয়ে দলৰ স্থিতি দৃঢ় হৈ থাকিল। কিন্তু দুখন মেচ খেলিবলৈ বাকী থকা মোহন বাগানৰ বাবে কোৱাৰ্টাৰ ফাইনেলৰ পথ কঠিন হ'ব। মুম্বাই চিটী এফ চিয়ে তৃতীয় মেচখন খেলিব ৰাজস্থান ইউনাইটেডৰ বিৰুদ্ধে। অহা ২৯ আগষ্টত এই মেচখন অনুষ্ঠিত হ'ব কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত। ইফালে, এ টি কে মোহন বাগান ক্লাবে অহা ২৮ আগষ্টত মুখামুখি হ'ব ইষ্ট বেংগল ক্লাবৰ বিৰুদ্ধে। কলকাতা ডাৰ্বিৰ এই মেচখন অনুষ্ঠিত হ'ব বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত। ইতিমধ্যে এই মেচৰ সকলো টিকট শেষ হৈছে।



# গ'লশূন্য ড্ৰ খেলিলে আৰ্মি ৰেড-নেৰ'কাই

**ইম্ফল, ২৪ আগষ্ট ঃ** এ টি কে মোহন বাগানে চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবলৰ আজি দিনটোৰ প্ৰথমখন মেচত গ'লশূণ্য ড্ৰ খেলি পইণ্ট ভগাই লয় আৰ্মি ৰেড আৰু নেৰ'কা এফ চিয়ে। ইম্ফলৰ খুমান লাম্পাক ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'চি'ৰ এই মেচখন উভয় দলৰ বাবে গুৰুত্বপূৰ্ণ আছিল কোৱাৰ্টাৰ ফাইনেললৈ অগ্ৰসৰ হোৱাৰ দৃষ্টিকোনেৰে। উল্লেখ্য যে নেৰ'কাই ইয়াৰপূৰ্বে ইম্ফল ডাৰ্বিত ট্ৰাউক পৰাস্ত কৰিছিল। আজিৰ মেচত জয় হ'লে দলৰ স্থিতি দৃঢ় হ'লহেতেন। বিপৰীতে প্ৰথম মেচত আই এছ এলৰ চেম্পিয়ন চেন্নাইয়ান এফ চিৰ লগত চমক দি ড্ৰ খেলা আৰ্মি ৰেড দলে আজি জয়ৰ আশা কৰিছিল। এতিয়া বাকী থকা দুয়োখন মেচ দলৰ বাবে মৰণপণ হ'ল। নেৰ'কা এফ চিয়ে গ্ৰুপৰ তৃতীয় মেচখনত মুখামুখি হ'ব আই এছ এলৰ চেম্পিয়ন হায়দৰাবাদ এফ চিৰ। অহা ৩০ আগষ্টত হ'ব এই মেচখন। ইফালে, আৰ্মি ৰেড দলে পৰবৰ্তী মেচখন খেলিব টিডিম ৰ'ড এথলেটিক ইউনিয়ন এফ চি বিৰুদ্ধে। অহা ২৮ আগষ্টত এই মেচখন অনুষ্ঠিত হ'ব। গ্ৰুপ 'চি'ৰ উভয় খেলৰে স্থান ইম্ফলৰ খুমান লাম্পাক ষ্টেডিয়াম।

## ইষ্ট বেংগলৰ মুখামুখি হ'ব ৰাজস্থান ইউনাইটেড

# আজি গুৱাহাটীত আৰ্মি গ্ৰীণৰ বিৰুদ্ধে সুদেৱা দিল্লী এফ চি

**গুৱাহাটী, ২৪ আগষ্ট ঃ** চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ হ'ব লগা প্ৰথমখন মেচত আৰ্মি গ্ৰীণ দল মুখামুখি হ'ব সুদেৱা দিল্লী এফ চিৰ। দিনৰ তিনি বজাত গ্ৰুপ 'ডি'ৰ এই মেচখন অনুষ্ঠিত হ'ব গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত। উল্লেখ্য যে আৰ্মি গ্ৰীণ দলে প্ৰথম মেচত জয়ী হৈছিল নৰ্থ ইষ্ট ইউনাইটেডৰ বিৰুদ্ধে। বিপৰীতে দিল্লী এফ চিয়ে কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে ড্ৰ খেলিছিল। ইফালে, নিশা ছয় বজাত কিশোৰ ভাৰতী ক্ৰীড়াংগনত হ'ব লগা কাইলৈৰ দ্বিতীয় মেচত গ্ৰুপ 'বি'ৰ দুই দল ইষ্ট বেংগল ক্লাব আৰু ৰাজস্থান ইউনাইটেড এফ চি মুখামুখি হ'ব। ইয়াৰপূৰ্বে এ টি কে মোহন বাগানক প্ৰথম মেচতে হৰুৱাই চমক দিছে ৰাজস্থানে। বিপৰীতে নৌ সেনাৰ লগত ড্ৰ খেলি নিৰাশ অভিযান আৰম্ভ কৰিছে ইষ্ট বেংগলে।

# ৰাজ্যিক টেবুল টেনিছলৈ শোণিতপুৰৰ তিনি খেলুৱৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ,২৪ আগষ্ট ঃ** অহা ২৫-২৭ আগষ্টলৈ গোলাঘাটত অনুষ্ঠিত হ'বলগীয়া সদৌ অসম ৰেংকিং টেবুল টেনিচ প্ৰতিযোগিতাত শোণিতপুৰৰ তিনিজন খেলুৱৈয়ে অংশ গ্ৰহণ কৰিব। উল্লেখ্য যে, তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ অধীনত জিলাখনক প্ৰতিনিধিত্ব কৰিব লগীয়া টেবুল টেনিচ খেলুৱৈ তিনিগৰাকী ইতিমধ্যে নিৰ্বাচিত কৰা হৈছে। সেই অনুসৰি স্থান লাভ কৰা তিনিগৰাকী খেলুৱৈ হৈছে অনুজ নেৱাৰ,যুৱৰাজ জৈন আৰু ধ্ৰুৱ টায়েল।





**অসম অলিম্পিক সন্থাৰ প্ৰাক্তন সহকাৰী সম্পাদকৰ লগতে অসম টাং চু ডু সন্থাৰ প্ৰাক্তন উপ-সভাপতি, বৰ্তমান শিৱসাগৰ জিলাৰ টাং চু ডু সন্থাৰ সভাপতি দেৱজোতি দত্ত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ বি বৰুৱা চিকিৎসালয়ত ভৰ্তি হৈ আছে। ক্ৰীড়া সংগঠকগৰাকীৰ আৰোগ্যৰ কামনাৰ লগতে চিকিৎসাৰ বাবে অসম টাং চু ডু সন্থাৰ পৰা আজি ১৫৫০০ টকা আৰ্থিক অনুদান আগবঢ়োৱা হয়।**

# কমনৱেলথ কাৰাটেৰ ভাৰতীয় দলত সুৰজ কোঁৱৰ

**ডিগবৈ, ২৪ আগষ্ট ঃ** অহা সাত ছেপ্টেম্বৰৰ পৰা ইংলেণ্ডৰ বাৰ্মিংহামত অনুষ্ঠিত হ'বলগীয়া দশম সংখ্যক কমনৱেলথ কাৰাটে প্ৰতিযোগিতাত ভাৰতীয় দলত স্থান লাভ কৰিছে তিনিচুকীয়া জিলা ডিগবৈৰ প্ৰতিভাৱান যুৱ কাৰাটে খেলুৱৈ সুৰজ কোঁৱৰে । সুৰজ ডিগবৈ পাণবাৰী গাওঁৰ নিবাসী সুৰজ বিশ্ব কোঁৱৰ আৰু পদুমী কোঁৱৰৰ পুত্ৰ তথা ডিগবৈৰ বিবেকানন্দ একাডেমি দশম শ্ৰেণীৰ ছাত্ৰ। উল্লেখ্য যে এই প্ৰতিযোগিতাখনত অংশ ল'বলগা ভাৰতীয় দলটো তথা ৰাষ্ট্ৰীয় ফেডাৰেছন অলিম্পিক সন্থা আৰু ক্ৰীড়া বিভাগৰ স্বীকৃত নোহোৱাত খেলুৱৈসকলে নিজৰ ধনৰে কমনৱেলথ কাৰাটে প্ৰতিযোগিতাত অংশ ল'ব লাগিব। কিন্তু সুৰজ ধনৰ অভাৱত পৰিছে। ৰাজ্যিক সন্থাৰ সম্পাদক নগেন বংজাঙে কেৱল নিজৰ সন্তান হেম্ফু বংজাঙৰ খৰছহে বহন কৰিব। হেম্ফুও আছে ভাৰতীয় দলত। তেনেক্ষেত্ৰত আৰ্থিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে সুৰজ। ইফালে, নিজৰ সন্তানৰ বাবে অন্য খেলুৱৈৰ কথা চিন্তা কৰিবলৈ আঁহৰি নাই বিদেশত থকা ৰাজ্যিক সন্থাৰ সম্পাদক নগেন বংজাঙৰ। বিষয়টো ক্ৰীড়ামহলত চৰ্চিত হৈছে।

# ৰাষ্ট্ৰীয় কিক্ বক্সিঙত অসমৰ খেলুৱৈৰ সাতটা পদক অৰ্জন

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ২৪ আগষ্ট ঃ** তামিলনাডু এমেচাৰ কিক্ বক্সিং এচচিয়েচনৰ উদ্যোগত চেন্নাইৰ নেহৰু ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ৱাক' ইণ্ডিয়া ছিনিয়ৰ আৰু মাষ্টাৰছ কিক বক্সিং চেম্পিয়নশ্বিপত অসম দলক প্ৰতিনিধিত্ব কৰি নগাঁৰৰ জ্যোতিকা হাজৰিকাই ছিনিয়ৰ মহিলাৰ ৬০ কিলোগ্ৰাম শাখাত স্বৰ্ণ আৰু নীলাক্ষী শইকীয়াই ৫৬ কিলোগ্ৰাম শাখাত ৰূপৰ পদক অৰ্জন কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। অসমৰ ১৫ জনীয়া এটি দলে অংশগ্ৰহণ কৰা উক্ত চেম্পিয়নশ্বিপত অসম দলে চাৰিটা স্বৰ্ণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাখনত নগাঁও জিলা এমেচাৰ কিক বক্সিং সন্থাৰ সভাপতি জ্যেতিৰ্ময় বড়োৱে ছিনিয়ৰ ৰাষ্ট্ৰীয় ৰেফাৰীৰূপে অসম দলক প্ৰতিনিধিত্ব কৰিছিল।



# বোকাখাতত ৰাগবী খেলৰ প্ৰশিক্ষণ শিবিৰৰ সফল সামৰণি

**অগ্ৰদূত বাৰ্তা, বোকাখাত,২৪ আগষ্ট ঃ** নৱগঠিত গোলাঘাট জিলা ৰাগবী সন্থাৰ উদ্যোগত এক পাঁচদিনীয়া প্ৰশিক্ষণ শিৱিৰ অনুষ্ঠিত কৰা হয় । অঞ্চলটোত প্ৰথমবাৰৰ বাবে প্ৰচলন কৰা ৰাগবী খেলৰ লগত খেলুৱৈসকলক পৰিচয় কৰোৱাৰ মানসেৰে অনুষ্ঠিত কৰা শিৱিৰটোত ভিন্ন বয়সৰ প্ৰায় ৭০ গৰাকী খেলুৱৈয়ে অংশ গ্ৰহণ কৰে। বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত সম্পন্ন হোৱা শিবিৰটোত মুখ্য প্ৰশিক্ষকৰ দায়িত্ব বহন কৰে অসম ৰাগবী সন্থাৰ সাংগঠনিক সম্পাদক কল্যাণ বৰ্মনে। আনহাতে, সহায় কৰে জ্যৈষ্ঠ খেলুৱৈদ্বয় হিতৰাজ বৰ্মন আৰু পাৰ্থপ্ৰতিম চৌধুৰীয়ে। শিৱিৰৰ সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে অসম ক্ৰীড়া বৰ্ডৰ উপাধ্যক্ষ আকাশ ফুকন, বোকাখাত প্ৰেছ ক্লাবৰ সভাপতি ভবানন্দ কলিতা, কাজিৰঙা নিউজ নেটৱৰ্কৰ সম্পাদক দিব্যজ্যোতি হাজৰিকা, টি. এম. পি. কেৰ গোলাঘাট জিলা সমিতিৰ সভাপতি জিতু বড়ি, মিচিং মিমাগ কেবাঙৰ সভাপতি মনেশ্বৰ কুটুম আদি উপস্থিত থাকি উদ্যোক্তাসকলৰ প্ৰচেষ্টাৰ শলাগ লয়। আকাশ ফুকনে খেলুৱৈসকলৰ বাবে দুটা ৰাগবী বল আগবঢ়ায়। অনুষ্ঠানৰ আঁত ধৰে গোলাঘাট জিলা ৰাগবী সন্থাৰ সাধাৰণ সম্পাদক অসীম দলেই। প্ৰশিক্ষণ শিৱিৰটো সফলভাৱে অনুষ্ঠিত কৰাত বিভিন্ন প্ৰকাৰে সহযোগিতা আগবঢ়োৱা সকলো ব্যক্তি আৰু সংগঠনক গোলাঘাট জিলা ৰাগবী সন্থাই ধন্যবাদ জনাইছে।

# ঔতল-হিটলাৰ দলৰ জয়

**ছয়গাঁও, ২৪ আগষ্ট ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও মিনি ষ্টেডিয়ামত চলি থকা প্ৰয়াত কালিচৰণ কলিতা আৰু ৰজন বালা দাস সোঁৱৰণী চেমনীয়া ফুটবল প্ৰতিযোগিতাত ঔ-তল ফুটবল দলে ছয়গাঁও প্ৰশিক্ষণ কেন্দ্ৰক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে । ইফালে, ভাৰত চন্দ্ৰ দাস আৰু কুমুদ দাস সোঁৱৰণী আন্তঃক্লাৱ ফুটবল প্ৰতিযোগিতাত হিটলাৰ ক্লাৱে ৫-১ গ'লৰ ব্যৱধানত আন্ধেৰীক পৰাস্ত কৰে । প্ৰতিযোগিতাৰ কাইলৈৰ খেল ঃ বাগান ফুটবল ক্লাৱ বনাম জীয়াকুৰ ফুটবল দল।

# আন্তঃক্লাব ফুটবল

**ধুবুৰী, ২৪ আগষ্ট ঃ** ধুবুৰী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ধুবুৰী ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত চলি থকা আন্তঃক্লাব ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত শংকৰদেব সংঘই কেৰাটে ক্লাবক ৪-২ গ'লত পৰাস্ত কৰে। আজিৰ খেলত উপস্থিত থাকে ধুবুৰী জিলা ক্ৰীড়া সন্থাৰ ফুটবল সম্পাদক ৰতন কুমাৰ সাহা, সহকাৰী সাধাৰণ সম্পাদক পুলক কুমাৰ দেব আৰু উপ-সভাপতি অলোক কুমাৰ সৰকাৰ।



# ৰাষ্ট্ৰীয় গ্ৰেপলিঙত পদক জয়ী খেলুৱৈক সম্বৰ্ধনা



**গুৱাহাটী, ২৪ আগষ্ট ঃ** উত্তৰাখণ্ডৰ হালদোৱানিত অনুষ্ঠিত ল'ৰা আৰু ছোৱালীৰ ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ গ্ৰেপলিং চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰি দুটাকৈ পদক জয় কৰা অসম দলৰ খেলুৱৈ আৰু অংশগ্ৰহণকাৰীসকলক আজি অসম গ্ৰেপলিং সমিতিয়ে সম্বৰ্ধনা জনায় । গুৱাহাটী ভলীবল কোচিং চেন্টাৰত অনুষ্ঠিত সভাত সমিতিৰ সভাপতি প্ৰাঞ্জল ফুকন, সাধাৰণ সম্পাদক হিলদুল গগৈ, কোষাধ্যক্ষ শ্ৰেয়া বড়ো, প্ৰাক্তন মহিলা ৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ অম্বা শইকীয়া পাটগিৰীয়ে অংশ গ্ৰহণ কৰা অনুষ্ঠানত অনুৰ্ধ ১৫ বছৰ শাখাত ব্ৰঞ্জ পদক জয়ী অমৃত ছুন্দী আৰু অনুৰ্ধ ১৩ বছৰ শাখাত ব্ৰঞ্জ পদকজয়ী ইলুৱাৰ আলীক নগদ ধন, মানপত্ৰ, ফুলাম গামোচা আৰু উপহাৰৰ টোপোলা প্ৰদান কৰা হয় । দলৰ সদস্য ক্ৰমে ইউচুফ আবৰাৰ, আশ্ৰফ আলী, য়াৰিছ আলী, ৱাহিদ আলী, ৰমেন মণ্ডল, মনোজ বড়ো, কিৰণ ছুন্দী আৰু চাহিল ভৰদ্বাজ , চয়ন শৰ্মা, প্ৰশিক্ষক সুৰজ সঞ্জীল, টীম মেনেজাৰ জীতেন তাঁতী , ৰেফাৰী মুছফিক এ হাজৰিকাকো সম্বৰ্ধনা জনোৱা হয় । সভাপতি ফুকন আৰু সাধাৰণ সম্পাদক গগৈয়ে কয় যে খেলবিধৰ প্ৰণালীবদ্ধ প্ৰশিক্ষণ আৰু প্ৰসাৰৰ বাবে প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰা হ'ব ৰাজ্যৰ বিভিন্ন জিলাত। আজিৰ অনুষ্ঠানত জ্যেষ্ঠ ক্ৰীড়া সাংবাদিক জয়ন্ত দাস, উদয়জিৎ বুঢ়াগোহাঁই আৰু সত্যজিৎ শইকীয়াইও অংশ গ্ৰহন কৰি খেলুৱৈসকলক উৎসাহ যোগায়।

# প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত মৌচুমী সংঘৰ চেম্পিয়ন খিতাপ

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ২৪ আগষ্ট ঃ** নকছাৰীৰ মৰঙীয়াল মৌচুমী সংঘৰ উদ্যোগত মৰঙীয়াল গাঁও খেলপথাৰত অনুষ্ঠিত হোৱা প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাত ঘৰুৱা দল মৰঙীয়াল মৌচুমী সংঘই চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে । আজি অনুষ্ঠিত ফাইনেল খেলত মৌচুমী সংঘই নকছাৰীৰ সদৌ তাই আহোম ছাত্ৰ সন্থাৰ ফুটবল দলক একমাত্ৰ গ'লৰ ব্যৱধানত পৰাজিত কৰি শ্ৰেষ্ঠ দলৰ খিতাপ লাভ কৰে । বিজয়ী দলৰ হৈ লানু টুছীয়ে খেলৰ ১৬ মিনিটত গ'লটো দিয়ে । খেল পৰিচালনা কৰে - দিজু বৰা, মাধুৰ্য দৰ্শন, শৈলেন শইকীয়া, মঙ্গল কালান্দি আৰু ৰন্টু মুণ্ডাই । বিজয়ী দলৰ সঞ্জীৱ গগৈয়ে শ্ৰেষ্ঠ খেলুৱৈ আৰু চন্দন নেওগে শ্ৰেষ্ঠ গলৰক্ষকৰ সন্মান অৰ্জন কৰে । মৰিয়নি ক্ৰীড়া সন্থাৰ সভাপতি তথা মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে চূড়ান্ত খেলখন উদ্বোধন কৰে । আনহাতে, বঁটা বিতৰনী অনুষ্ঠানত দেবেৰাপাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অৰবিন্দ ঘোষ, প্ৰাক্তন খেলুৱৈ ক্ষীৰোদ বৰা, মৌচুমী সংঘৰ উপদেষ্টা আনন্দ দুৱৰা, প্ৰাঞ্জল বৰা, যাদৱ দুৱৰা, অৰবিন্দ গগৈ, ৰূপম গগৈ, পঞ্চানন দুৱৰা, জগত গগৈ আদি উপস্থিত থাকে । বিজয়ী দললৈ নগদ ধনৰ লগতে চুক্যাফা ট্ৰফী আগবঢ়াই চুক্যাফা আত্মসহায়ক গোটে । আনহাতে, বিজিত দললৈ হেমনাথ গগৈ সোঁৱৰণী বঁটা আৰু নগদ ধন আগবঢ়াই হেমনাথ গগৈৰ পৰিয়ালবৰ্গই।

# আশাহত হৈ শিক্ষকে বন্ধ কৰিলে অসম পুলিচ বেটেলিয়ন হাইস্কুল

## ৩০ বছৰেও নহ'ল প্ৰাদেশিকীকৰণ ঃ বিনা বেতনে আগবঢ়ালে সেৱা



**দেৰগাঁও, ২৪ আগষ্ট ঃ** ১৯৯২তে প্ৰতিষ্ঠিত এখন বিদ্যালয়ত সুদীৰ্ঘ ৩০ বছৰ বিনাবেতনে শিক্ষকতা কৰি বৰ্তমান প্ৰাদেশিকীকৰণৰ আশা বাদ দি বিদ্যালয় বন্ধ কৰি দিয়াৰ দৰে কঠোৰ সিদ্ধান্তত উপনীত হৈছে শিক্ষকসকল। বিদ্যালয়খন দেৰগাঁৱৰ। দেৰগাঁওস্থিত একাদশ আৰক্ষী বাহিনীৰ চৌহদত তদানীন্তন অধিনায়ক ভৰদত্ত শৰ্মাৰ তৎপৰতাত অসম পুলিচ মধ্য ইংৰাজী বিদ্যালয়খন উন্নীতকৰণ কৰি প্ৰতিষ্ঠা কৰা হৈছিল অসম পুলিচ বেটেলিয়ন হাইস্কুল। শিক্ষাবিদ নবীন চন্দ্ৰ শৰ্মাক প্ৰধান শিক্ষক আৰু মেধাৰ ভিত্তিত বাছনি কৰি শিক্ষক নিযুক্তি দি আৰম্ভ কৰা বিদ্যালয়খনে চৰকাৰৰ গৃহ বিভাগৰ পৰা আবন্টন পাই ১৯৯৬ত চৰকাৰী অনুমতি লাভ কৰিছিল। আৰক্ষী বাহিনীৰ পৃষ্ঠপোষকতাত ভ্ৰাম্যমাণ থিয়েটাৰ, সংগীতানুষ্ঠান আদিৰ জৰিয়তে অশেষ কষ্টৰে সংগৃহীত অৰ্থৰে আটোম টোকাৰিকৈ বিদ্যালয় গৃহ নিৰ্মাণ কৰাৰ লগতে শিক্ষকসকলক ন্যূনতম পাৰিতোষিক দি চলাই থকা বিদ্যালয়খনে সফলতাৰ মুখ দেখিবলৈয়ো সক্ষম হৈছিল। ২০০৬তে চৰকাৰী স্বীকৃতি লাভ কৰি প্ৰাদেশিকীৰণৰ উপযুক্ত হৈ উঠা বিদ্যালয়খনে দুটা বছৰৰ বাবে চৰকাৰৰ আৰ্থিক সাহায্যয়ো লাভ কৰে। ২০১৩ত চৰকাৰে গৃহীত কৰা আইন অনুযায়ী স্বীকৃতিৰ পৰা ১০ বছৰ হ'ব লগা চৰ্ত পূৰণ নোহোৱাত অন্য চৰ্ত সকলো সম্পূৰ্ণ কৰিও বিদ্যালয়খন চৰকাৰীকৰণৰ পৰা বাদ পৰে। পৰৱৰ্তী সময়ত চৰকাৰী আইন সংশোধন হোৱাত ২০১৫ত প্ৰদেশিকীকৰণৰ যোগ্য বিদ্যালয়ৰ তালিকাত চৰকাৰী ৱেবছাইটত এই বিদ্যালয়ৰ নাম থকাত বিদ্যালয় কৰ্তৃপক্ষ, শিক্ষকসকলো আনন্দিত হৈ পৰিছিল যদিও দুৰ্ভাগ্যজনকভাৱে চৰকাৰে মহাবিদ্যালয়সমূহৰ বাদে বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ নকৰিলে। ইতিমধ্যে দুই এজন শিক্ষকে অৱসৰেই ল'লে। কে'বাজনো শিক্ষক, কৰ্মচাৰীয়ে উপাৰ্জনৰ অন্য পথ ল'বলৈ বাধ্য হ'ল। ২০১৯-২০লৈ প্ৰধান শিক্ষকসহ তিনিজন শিক্ষকে পাঠদান চলাই থাকে যদিও সমস্যাই জটিল ৰূপ পালে। তিনিগৰাকী অতিথি শিক্ষক আনিও বিদ্যালয়খন চলাই থকাৰ প্ৰচেষ্টা চলোৱাৰ সময়তে কৰ'না মহামাৰীৰ ভয়াবহতাই বিদ্যালয়খন অচল কৰি তোলে। যাৰ বাবে আলোচনাৰ মাধ্যমেৰে ২০২০লৈ পাঠদান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক ২০২১ৰ শিক্ষান্ত পৰীক্ষাত বহাৰ ব্যৱস্থা কৰি দশমলৈ উত্তীৰ্ণ ছজনৰ ব্যৱস্থা সম্পৰ্কত বিদ্যালয়ৰ অধ্যক্ষক মৌখিক নিৰ্দেশ দিয়ে যদিও অধ্যক্ষজনে পাছত নামভৰ্তিত অপাৰগতা প্ৰকাশ কৰে। এনে পৰিপেক্ষিত অসম পুলিচ বেটেলিয়ন হাইস্কুলৰ প্ৰধান শিক্ষকৰ দ্বাৰাই পঞ্জীয়ন সলনি কৰাৰ দায়িত্ব লোৱাৰ চুক্তিত ছগৰাকী ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি দেৰগ্ৰাম বালিকা বিদ্যালয়ত হৈ যায়। ইয়াৰে পাঁচজনেই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। কিন্তু পৰিতাপৰ বিষয় যে ২০২২ৰ মেট্ৰিক পৰীক্ষাত এই বিদ্যালয়ৰ পাঁচজন শিক্ষাৰ্থীয়ে দেৰগ্ৰাম বিদ্যালয়ৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈ উত্তীৰ্ণ হোৱাৰ নিশ্চিম তথ্যৰ পাছতো দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষজনে নিজৰ বিদ্যালয় শিক্ষান্ত পৰীক্ষাৰ ফলাফল আশানুৰূপ নোহোৱাত সমালোচিত হৈ আত্মপক্ষ সমৰ্থনৰ বাবে একাংশ ৱেব প'ৰ্টেলত মিথ্যাচাৰৰ আশ্ৰয় লৈ বন্ধ হৈ যোৱা বিদ্যালয়খনলৈ দোষ জাপি দিয়ে। বন্ধ হৈ পৰা বিদ্যালয়খনৰ ২০ জনকৈ ছাত্ৰ-ছাত্ৰীক তেওঁৰ বিদ্যালয়ত নামভৰ্তি কৰিবলৈ দিয়া আৰু সেই ২০ জনেই অনুত্তীৰ্ণ হোৱাতহে দেৰগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ ফলাফল আশানুৰূপ নোহোৱা বুলি অধ্যজনে প'ৰ্টেল নিউজত মিথ্যাচাৰৰ আশ্ৰয় লোৱাত পুলিচ বেটেলিয়ন হাইস্কুলৰ পৰিয়ালটোৱে গভীৰ উদ্বগ প্ৰকাশ কৰিছে। অতি নিষ্ঠাৰে সুদীৰ্ঘ কাল বিনাবেতনে সেৱা আগবঢ়াই শেষত বিদ্যালয় বন্ধ কৰিবলৈ বাধ্য হৈ হতাশগ্ৰস্ত হৈ পৰা শিক্ষকসকল তথা প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত বিদ্যালয়খনক এগৰাকী অধ্যক্ষই মিছা অপবাদ দিয়া কাৰ্যই দেৰগাঁৱত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে চৰকাৰীকৰণৰ পৰা বঞ্চিত বিদ্যালয়খন বৰ্তমান সমৰ কলা, কম্পিউটাৰ শিক্ষা আদিৰ প্ৰশিক্ষণ কেন্দ্ৰৰূপে ব্যৱহৃত হৈ আছে। সম্প্ৰতি বিদ্যালয় কৰ্তৃপক্ষই বিদ্যালয় ভৱনটি এটি উচ্চমানৰ পুথিভঁৰালৰূপে গঢ়ি তুলিবলৈ সিদ্ধান্ত লৈছে। এনে পৰিপেক্ষিতত ইয়াৰ শিক্ষকসকল বৰ্তমান কৰ্মহীন হৈ পৰিছে।



# ৰঞ্জু হাজৰিকাই অধ্যয়ন কৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক বিতৰণ কৰিলে স্ব-ৰচিত সাধু

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ২৪ আগষ্ট ঃ** কলিয়াবৰৰ সোণাৰি কামাখ্যা মজলীয়া বিদ্যালয়ত আজি এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয়। হাতত বৃহৎ আকাৰৰ কিতাপৰ টোপোলা লৈ বিদ্যালয়খনত উপস্থিত হয় বৰ্তমানৰ জনপ্ৰিয় ৰহস্য সাহিত্যিক ৰঞ্জু হাজৰিকা। জনপ্ৰিয় সাহিত্যিকজনে এইখন বিদ্যালয়তে গ্ৰহণ কৰিছিল প্ৰাথমিক শিক্ষা। শিশু সাহিত্য আৰু ৰহস্যধৰ্মী মুঠ ৭৫০ খন গ্ৰন্থ ৰচনাৰে অভিলেখ সৃষ্টি কৰা সাহিত্যিকজনে আজি নিজে পঢ়া বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাধু কিতাপ বিতৰণ কৰিবলৈ আহি উপস্থিত হয় বিদ্যালয়খনত। ৰহস্য সাহিত্যিকজনে ছাত্ৰ-ছাত্ৰীসকলক উপহাৰ দিবলৈ কঢ়িয়াই অনা সাধুকথাৰ পুথিসমূহৰ ভিতৰত আছে ক্ৰমে ঈছপৰ সাধু, বীৰবলৰ কাহিনী, যাদুকৰী বাঁহী আৰু দুকুৰি সাধু, ৰজা ছলোমনৰ ৰত্ন গুহা আৰু দুষ্ট টমৰ কাহিনী, বটলৰ ভূত আৰু অনেক সাধু, ছিনডেৰেলাৰ সাধু, উপনিষদৰ কাহিনী,বৰফৰ দেশৰ সাধু ইত্যাদি। এই উদ্দেশ্যে কলিয়াবৰ শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি সংগীতা পূজাৰীয়ে সভাপতিত্ব কৰা সভাখনত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিজে লিখা আৰু আন আন লেখকৰ ভালেকেইখন শিশু সাহিত্যৰে পুষ্ট গ্ৰন্থ আৰু সাধু কিতাপ বিতৰণ কৰি আনন্দিত হোৱাৰ কথা উল্লেখ কৰে ৰহস্য সাহিত্যিক ৰঞ্জু হাজৰিকাই। সোণাৰি গাঁৱৰ বাসিন্দা তথা সোণাৰি কামাখ্যা মজলীয়া বিদ্যালয়ত পঢ়ি-শুনি কেনেকৈ সাহিত্যিক হ'ল তাকো তেওঁ বিৱৰি কয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক গিৰিকান্ত হাজৰিকাই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ সভাখনত ৰহস্য সাহিত্যিক ৰঞ্জু হাজৰিকাৰ মহানুভৱতাৰ শলাগ লৈ বক্তব্য আগবঢ়ায় ক্ৰমে শিক্ষক ইজাজ আহমেদ, আজগৰ আলী, শিক্ষয়িত্ৰী নিৰুপমা বৰাই। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি গেঠু গঞ্জু আৰু অন্যান্য সদস্য-সদস্যাৰ লগতে স্থানীয় ৰাইজে অংশগ্ৰহণ কৰা সভাখনত ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহজনক মনোভাৱে সকলোকে আকৰ্ষণ কৰা পৰিলক্ষিত হয়। আৰম্ভণিতে ছাত্ৰী সকলে পৰিৱেশন কৰা এটি ঝুমুৰ নৃত্যই সকলোকে মুগ্ধ কৰে।

# ক্ষেত্ৰীত ট্ৰাকসহ ২১টা গো-ধন জব্দ



**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ২৪ আগষ্ট ঃ** ক্ষেত্ৰী আৰক্ষীয়ে আজি পুৱতি নিশা চখুৱাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এক অভিযান চলায়। নগাঁৱৰ পৰা মেঘালয়ৰ বৰ্ণিহাটলৈ গৈ থকা এ এছ-০১ ই চি-৬০০৭ নম্বৰৰ ট্ৰাকখনৰ পৰা অবৈধভাৱে সৰবৰাহ কৰা ২১ টা গো-ধন জব্দ কৰে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে খাইৰুল ইছলাম (২৭), শ্বৰিফুল ইছলাম (৩৮) আৰু কাছেম (৩৫), গাড়ীচালক নিপন বৰা (২৪) আৰু জাকিৰ হুছেইন (২২) নামৰ পাঁচ অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। আটাইৰে ঘৰ নগাঁৱৰ চামগুৰিত। আনহাতে, আৰক্ষীয়ে ট্ৰাকখনৰ লগতে সৰবৰাহকাৰীয়ে ব্যৱহাৰ কৰা এ এছ-০১ এফ এ-৬০৪৫ নম্বৰৰ আন এখন ছুইফট ডিজায়াৰ বাহনো জব্দ কৰে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। উল্লেখ্য যে চলিত মাহটোতে ক্ষেত্ৰী আৰক্ষীয়ে এনেদৰে চোৰাংকৈ সৰবৰাহ কৰা ডেৰ শতাধিক গো-ধন জব্দ কৰিবলৈ সক্ষম হৈছে।



# বঙাইগাঁৱত মহিলাসকলৰ দ্বাৰা উৎপাদিত থলুৱা খাদ্য-বস্ত্ৰৰ তিনিটা বিক্ৰী কেন্দ্ৰ মুকলি

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২৪ আগষ্ট ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত আজি আত্মসহায়ক গোটৰ মহিলাসকলৰ দ্বাৰা প্ৰস্তুত আৰু উৎপাদিত বিভিন্ন থলুৱা খাদ্য সামগ্ৰী, কাপোৰৰ লগতে বিভিন্ন সা-সামগ্ৰীৰ তিনিটা বিক্ৰী কেন্দ্ৰ মুকলি কৰে বঙাইগাঁও সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰী আৰু বঙাইগাঁও জিলাৰ উপায়ুক্ত নৱদ্বীপ পাঠকে। উল্লেখ্য যে ডাংতল খণ্ড উন্নয়ন কাৰ্যালয়ৰ অন্তৰ্গত তিনিটা মণ্ডল কেন্দ্ৰ ক্ৰমে বীৰঝৰা, টুনীয়া আৰু আই নামৰ কেন্দ্ৰৰ মুঠ ১১ খন পঞ্চায়তৰ মহিলাসকলৰ বিভিন্ন আত্মসহায়ক গোটসমূহে প্ৰস্তুত কৰা খাদ্য সম্ভাৰ সা-সামগ্ৰী আদি এই কেন্দ্ৰ তিনিটাত বিক্ৰীৰ বাবে মুকলি কৰা হয়। অসম ৰাজ্যিক গ্ৰামীণ অভিযানৰ তৰফৰ পৰা গাঁৱৰ আত্মসহায়ক গোটসমূহৰ উৎপাদিত বিভিন্ন সামগ্ৰীসমূহ যাতে ভাল এখন বজাৰ পায় আৰু সামগ্ৰীসমূহ বিক্ৰী কৰি মহিলাৰ দলসমূহ উন্নয়ন কৰিব পাৰে, তাৰ বাবে বিক্ৰীৰ বজাৰ কৰি দিয়াৰ বাবে এই প্ৰচেষ্টা গ্ৰহণ কৰে।

# বৰপথাৰত সোণৰ নাওসহ এজনক আটক কৰি ৰাইজে গতালে আৰক্ষীক



**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২৪ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ বৰপথাৰত সোণৰ নাওসহ এজনক ৰাইজে আটক কৰি আৰক্ষীক গতাই দিয়ে। আটক কৰা লোকজন পশ্চিমবংগৰ মালদাৰ গৌতম বিশ্বাস বুলি জানিব পৰা গৈছে। লোকজনে সোণৰ নাওসহ বাহৰ পাতিছিল বৰপথাৰ গাঁৱৰ হবিবৰ ৰহমান নামৰ লোকজনৰ ঘৰত। আৰক্ষীয়ে আটক কৰা লোকজনক লৈ তেওঁৰ আন সাতজন সহযোগীক বিচাৰি অভিযান অব্যাহত ৰাখিছে বঙাইগাঁও চহৰত। চিৰাং জিলাৰ নেপালপাৰা গাঁৱৰ দৰিদ্ৰ শ্ৰমিক হবিবৰ ৰহমানে আই নৈৰ গৰাখহনীয়াৰ কবলত পৰি কোনোমতে বৰপথাৰ গাঁৱত ২০ লেচা মাটি ক্ৰয় কৰি এটা একচালিয়া ঘৰ বনাই থয়। তাত হবিবৰ ৰহমানৰ সম্পৰ্কীয় ভাগিন আহমেদ আলীক ঘৰখন চোৱাচিতাৰ দায়িত্ব দিয়ে যদিও ভাগিনে সুবিধা বুজি লখিমপুৰ জিলাৰ নাওবৈচাৰ ৰাজিবুল ইছলামক এমাহ পূৰ্বে ঘৰ ভাড়ালৈ দিয়ে থাকিবলৈ। যিহেতু অতিকে দৰিদ্ৰ লোক ৰহমান খেতিপথাৰত শ্ৰমিক হিচাবে কাম কৰে আৰু বৰপথাৰত তেনে ব্যৱস্থা নথকাত তেওঁ নেপালপাৰা গাঁৱত থাকি শ্ৰম কৰে আৰু ঘৰ ভাড়াৰ মাহেকীয়া দুহেজাৰ টকাৰে ল'ৰা-ছোৱালীৰ পঢ়াৰ খৰচ যোগান ধৰে। এনে অৱস্থাত ভাৰাতীয়া ৰাজিবুল ইছলামে পশ্চিমবংগৰ কিছুলোকক লগত লৈ ঘৰখনত থকাৰ সুবিধা দিয়ে যিসকল লোক আচলতে নকল সোণৰ ব্যৱসায়ৰ স'তে জড়িত। আজি স্থানীয় লোকে এজনক ধৰি আৰক্ষীক গতাই যদিও বাকীসকল লোকে পলায়ন কৰে। ইপিনে, বৰপথাৰ গাঁৱৰ কিছু লোকে ঘৰখন ভাঙি দিয়াৰ লগতে মাটিখিনি দখল কৰাৰ চেষ্টা চলায়। দৰিদ্ৰ লোকজনকো মাৰপিটৰ ভাবুকি প্ৰদান কৰে। একাংশ দুষ্টলোকে টকাও দাবী কৰা বুলি জনায় শ্ৰমিক ঘৰৰ গৰাকী হবিবৰ ৰহমানে।



# তামুলপুৰৰ গান্ধীবাৰীত বানসাহায্য প্ৰদানৰ নামত বৃহৎ কেলেংকাৰিৰ অভিযোগ



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৪ আগষ্ট ঃ** তামুলপুৰ জিলাৰ গান্ধীবাৰীত বানসাহায্য প্ৰদানৰ নামত বৃহৎ কেলেংকাৰি সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। শেহতীয়া বানত তামুলপুৰ জিলাৰ গান্ধীবাৰী অঞ্চলত ক্ষতিগ্ৰস্ত হোৱা লোকৰ পৰিৱৰ্তে বানত কোনো ধৰণৰ ক্ষতি নোহোৱা লোকে অসম চৰকাৰ পৰা ৯৫,১০০ টকাকৈ বান সাহায্য লাভ কৰাত বান সাহায্যৰ পৰা বঞ্চিত লোকসকল জাঙুৰ খায় উঠিছে। বানসাহায্য প্ৰদানৰ ক্ষেত্ৰত গান্ধীবাৰীৰ গাঁওবুঢ়া, জিআৰএছ তথা লাট মণ্ডলে স্বজন-তোষণ কৰাৰ অভিযোগ তুলি আজি দক্ষিণ দেফেলী আছু, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ আৰু গান্ধীবাৰী প্ৰাথমিক এবছুৰ উদ্যোগত গান্ধীবাৰী বজাৰ চ'কত বানসাহায্যৰ পৰা বঞ্চিত লোকসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে 'বানত ক্ষতিগ্ৰস্ত প্ৰকৃত লোকক বানসাহায্য প্ৰদান কৰক, আমাৰ প্ৰাপ্য আমাক লাগিবই , বানাক্ৰান্তৰ ধন আত্মসাৎ কৰা বিষয়াক গ্ৰেপ্তাৰ কৰক, লাট গাঁওবুঢ়া, মণ্ডল, জিআৰএছক নিলম্বন কৰক, বানাক্ৰান্তৰ ধন আত্মসাৎ কৰা সকল মুৰ্দাবাদ' আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। পাছত প্ৰতিবাদস্থলীত তামুলপুৰৰ চক্ৰ বিষয়া উপস্থিত হোৱাত প্ৰতিবাদকাৰীসকলে গান্ধীবাৰীত বান সাহায্যৰ নামত সংঘটিত হোৱা ব্যাপক কেলেংকাৰিৰ ঘটনাৰ তদন্ত কৰি দোষীক উচিত শাস্তি দিয়াৰ লগতে বানসাহায্যৰ পৰা বঞ্চিতসকলক সাহায্য প্ৰদানৰ দাবীত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে গান্ধীবাৰীত শেহতীয়া বানত ক্ষতিগ্ৰস্ত ৫৭ টা পৰিয়ালে অসম চৰকাৰৰ পৰা ৯৫,১০০ টকাকৈ বান সাহায্য লাভ কৰিছিল যদিও বান সাহায্য লাভ কৰা অধিকাংশ পৰিয়ালৰে বানত ক্ষতিগ্ৰস্ত হোৱা নাছিল। আনহাতে, বানসাহায্য লাভ কৰা লোকসকলৰ ভিতৰত লক্ষ্যণীয়ভাৱে বানত কোনো ধৰণৰ ক্ষতি নোহোৱাকৈয়ে গান্ধীবাৰী গাঁৱৰ গাঁওবুঢ়াৰ পত্নী, ভতিজা আৰু আত্মীয়ৰ লগতে জিআৰএছগৰাকীৰ একাংশ আত্মীয়ই এই ধন লাভ কৰিবলৈ সক্ষম হৈছিল বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল স্থানীয় আছু, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লগতে এবছুই।

# বৰ্ধিত মাচুলৰ বিৰুদ্ধে চাবুৱা ডিডিআৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ

## অধ্যক্ষই ছাত্ৰক তিৰস্কাৰ কৰাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**
**চাবুৱা, ২৪ আগষ্ট ঃ** বৰ্ধিত মাচুল বৃদ্ধিৰ বিৰুদ্ধে আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰি থকাৰ সময়তেই চাবুৱাৰ দখাদেৱী ৰাচিৰাচিয়া মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহত বৰ্ধিত মাচুল নিৰ্ধাৰিত সময়ত জমা কৰিবলৈ দুখীয়া ছাত্ৰ-ছাত্ৰীসকল সক্ষম নহয় বুলি ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়খনৰ প্ৰৱেশ দ্বাৰত প্ৰতিবাদ সাব্যস্ত কৰে। সমূহীয়া স্বাক্ষৰিত এক অভিযোগপত্ৰ লৈ প্ৰথমে এজন ছাত্ৰই অধ্যক্ষক প্ৰদান কৰিবলৈ যোৱাত অধ্যক্ষ ভূপেন বৰ্মনে তিৰস্কাৰ কৰা বুলি প্ৰতিবাদী ছাত্ৰজনে অভিযোগ উত্থাপন কৰিছে। প্ৰায় তিনিশৰো অধিক বেকলগ ছাত্ৰ-ছাত্ৰীৰ বাবে নিৰ্ধাৰিত পাঁচ হেজাৰ ধন দিবলৈ সক্ষম নোহোৱাত ভৱিষ্যতে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত অনিশ্চয়তাৰ সৃষ্টি হোৱা বুলি কয় প্ৰতিবাদীকাৰীসকলে। এই ক্ষেত্ৰত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু মুখ্যমন্ত্ৰীয়ে বিষয়টো হস্তক্ষেপ কৰি মাচুলৰ ক্ষেত্ৰত ছাত্ৰী-ছাত্ৰীসকলে বহন কৰিব পৰা মাচুলৰ নিৰিখ দিবলৈ আহ্বান জনাইছে। চৰকাৰী বিদ্যালয় উচ্চশিক্ষা গ্ৰহণৰ ক্ষেত্ৰত সুবিধা বিচাৰি যেতিয়া দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে এখন মহাবিদ্যালয়লৈ আহে তেনে ক্ষেত্ৰত একে সময়তে নামভৰ্তি আৰু পাঠ্যপুথি ক্ৰয় কৰাত অধিক অসুবিধা হয় বুলি ব্যক্ত কৰে ছাত্ৰ-ছাত্ৰীসকলে। প্ৰতিবাদৰ সময়ত 'আমাৰ দাবী মানিবই লাগিব, অসম চৰকাৰ হায় হায়, শিক্ষা বিভাগ হায় হায়, ছাত্ৰ ঐক্য জিন্দাবাদ' আদি ধ্বনি প্ৰদান কৰা পৰিলক্ষিত হয়।

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

# চতিয়াত ঠিকাদাৰৰ ভুলৰ বাবেই দুৰ্ঘটনাত মৃত্যু পাচলি ব্যৱসায়ীৰ



**অগ্ৰদূত বাৰ্তা**
**চতিয়া, ২৪ আগষ্ট ঃ** চতিয়াত যোৱা নিশা ঠিকাদাৰৰ ভুলৰ বাবেই নিৰ্মীয়মাণ কালভাৰ্টৰ প্ৰকাণ্ড গাঁতত পৰি এজন পাচলি ব্যৱসায়ীৰ মৃত্যু হোৱা ঘটনাই সমগ্ৰ চতিয়াত শোকৰ ছাঁ পৰিছে। প্ৰাপ্ত তথ্য অনুসৰি কালি পুৱাৰ ভাগত হোৱা ধুমুহা-বৰষুণৰ বাবে বিজুলী সংযোগ বিচ্ছিন্ন হৈ থকাত পতিয়া গাঁৱৰ নিবাসী তথা পাচলি ব্যৱসায়ী জিন্টু বৰা (৪২)-এ চতিয়াস্থিত বিদ্যুৎ কাৰ্যালয়ত অভিযোগ দিবলৈ চতিয়া পুৰণা চেন্টাৰ হাস্পতাল পথৰে গৈ থকা অৱস্থাত পথৰ ওপৰত কোনো সংকেত নথকাত অৰ্ধনিৰ্মিত কালভাৰ্টৰ প্ৰায় সাত ফুট দ গাঁতত পৰি যোৱাত ডিঙি আৰু বুকুত লোহাৰ ৰড সোমাই যোৱাত থিতাতে মৃত্যু হয়। নিকটৱৰ্তী লোকে ঘটনাটো জানিব পাৰি ততাতৈয়াকৈ পথৰ ওপৰত কোনো ধৰণৰ সংকেত অথবা পথ বন্ধৰ বাবে বাঁহ বন্ধা কাৰ্য বা আন কোনো ব্যৱস্থা নকৰাৰ বাবেই তিনিটা সন্তানৰ পিতৃ যুৱকজনে অকালতে প্ৰাণ হেৰুৱাবলগীয়া হয়। এই দুৰ্ঘটনাৰ বাবে চতিয়াৰ গৰিষ্ঠ সংখ্যক ৰাইজে ঠিকাদাৰজনক জগৰীয়া কৰে আৰু দুৰ্ঘটনাত মৃত্যু হোৱা যুৱকজনৰ পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্বৰ দাবী উত্থাপন কৰিছে। বৰাই মৃত্যুৰ সময়ত দুই কণমানি কন্যা আৰু এজন পুত্ৰক এৰি যায়। ইতিমধ্যে ঘটনাস্থলীত চতিয়া আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com